Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, APRIL 02, 2025 ■ মঙলবাৰ, ১৯ চ'ত, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৯৫ Guwahati, Assam ।। মূল্যঃ এটকা

জাগিলে দেশ, নাথাকিব বাংলাদেশ! সকীয়নি বিজেপি-কংগ্ৰেছ-অজাপৰ

# শকুনি ইউনুছ! উত্তৰ-পূবত আগ্ৰাসী হ'বলৈ ৰঙা চীনক উচটনি

ই-সংবাদ, গুৱাহাটী, ১ এপ্ৰিলঃ চীন আৰু পাকিস্তানৰ কোলাত বহিবলৈ সাজু হৈছে চুবুৰীয়া বাংলাদেশ। ভাৰতৰ বিৰুদ্ধে স্থিতি গ্ৰহণ কৰি পাকিস্তান আৰু চীনৰ সৈতে ঘনিষ্ঠতা বৃদ্ধি কৰিছে বাংলাদেশে। শেহতীয়াকৈ চীন ভ্ৰমণ কৰি বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুৰব্বী মহম্মদ ইউনুছে কৰা এক মন্তব্যই ভাৰতত তীব্ৰ প্ৰতিক্ৰিয়াৰ ৪ পৃষ্ঠাত চাওক



## আতচবাজী ফেক্টৰীত বিস্ফোৰণ! ১৮ জনৰ মৃত্যু

গান্ধীনগৰ, ১ এপ্ৰিলঃ ফটকা কাৰখানাত সংঘটিত ভয়ংকৰ বিস্ফোৰণত ২ পৃষ্ঠাত চাওক

## মন্ত্ৰী কপিল মিশ্ৰাৰ বিৰুদ্ধে গোচৰৰ নিৰ্দেশ!

নতুন দিল্লী, ১ এপ্ৰিলঃ এটা দশকৰ পাছত সলনি হৈছিল দিল্লীৰ মছনদ। ৪ পৃষ্ঠাত চাওক

## লুঙী-ধুতিৰ নামত ঘোচ লয় কংগ্ৰেছেঃ মুখ্যমন্ত্ৰী

### বিশ্বনাথত মহিলা উদ্যমিতা আঁচনি উদ্বোধন



ই-সংবাদ, ১ এপ্ৰিলঃ বিহালীৰ উপ-নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতি অনুসৰি আজি বিহালীৰ পৰাই মুখ্যমন্ত্ৰী ড০ হিমন্ত শেষাংশ ৫ পৃষ্ঠাত

## দুৰ্নীতিৰ নেতৃত্ব দিয়া মুখ্যমন্ত্ৰীহে হিমন্তঃ ভূপেন

ই-সংবাদ, ১ এপ্ৰিলঃ কোন আছে কী কী ৰ আঁৰত। কোনে চহী কৰিছিল কী কীৰ ৱৰ্ক অৰ্ডাৰত। মেগা বিহুক লৈ চলা কী কী বাহিনীৰ লুণ্ঠন ৩ পৃষ্ঠাত চাওক

## ৰাভা হাছঙত আজি ভোটগ্ৰহণ

ই-সংবাদ, ১ এপ্ৰিলঃ ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ ৩৬টা সমষ্টিৰ বিতং ১২ পৃষ্ঠাত

## বিয়াৰ নামত প্ৰৱঞ্চনা! গ্ৰেপ্তাৰ দীপজ্যোতি

ই-সংবাদ, ১ এপ্ৰিলঃ আজি গুৱাহাটী আৰক্ষীয়ে দীপজ্যোতি বৰা নামৰ এজন ৫ পৃষ্ঠাত

### বিশেষাধিকাৰ কমিটীৰ বৈঠক

## সংকটত নুৰুল হুদা-শ্বেৰমানৰ আলীৰ ৰাজনৈতিক কেৰিয়াৰ!

ই-সংবাদ, ১ এপ্ৰিলঃ আজি অসম বিধানসভাৰ বিশেষ অধিকাৰ সমিতিৰ জৰুৰী বৈঠক অনুষ্ঠিত হয়। ১২ জন সদস্যৰ ভিতৰত ৭ সদস্যৰ উপস্থিতিত অনুষ্ঠিত বৈঠকত উপাধ্যক্ষৰ বিৰুদ্ধে বিতৰ্কিত শেষাংশ ৯ পৃষ্ঠাত

## কামৰূপত ৫৩৪ কোটি ৰাজহ সংগ্ৰহেৰে অভিলেখ মহানগৰ জিলা পৰিবহন বিভাগৰ

গুৱাহাটী, ১এপ্ৰিলঃ ২০২৪-২৫ বিত্তীয় বৰ্ষত কামৰূপ মহানগৰ জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ে ৫ পৃষ্ঠাত চাওক

## ধ্বংসস্তূপত পৰিণত হ'ল মহাফেজখানা! এইবাৰ কি কটনৰ পাল? প্ৰশ্ন অজাপ-কংগ্ৰেছৰ



ই-সংবাদ, ১ এপ্ৰিলঃ গুৱাহাটী মহাফেজখানা ভাঙি দিয়াৰ বিৰুদ্ধে কংগ্ৰেছে আজি গুৱাহাটীত প্ৰতিবাদ সাব্যস্ত কৰে। মহানগৰ জিলা কংগ্ৰেছৰ শেষাংশ ৩ পৃষ্ঠাত

### নামত মুছলমানৰ গোন্ধ!

## যোগীক অনুসৰণ কৰি এইবাৰ ঠাইৰ নাম সলনি ধামীৰো

নতুন দিল্লী, ১ এপ্ৰিলঃ নামত মুছলমানৰ গোন্ধ! এনে কাৰণতে এইবাৰ ঠাই নাম সলনি কৰাৰ অভিযানত নামি পৰিল উত্তৰাখণ্ডৰ বিজেপি চৰকাৰ। নাগপুৰত শেষাংশ ২ পৃষ্ঠাত

### মুখ্যমন্ত্ৰীৰ মুখত মুকলি হত্যাৰ ভাবুকি!

## হিমন্তৰ 'খতম' শব্দৰ বিৰুদ্ধে ক'টলৈ যাব কংগ্ৰেছ

ই-সংবাদ, ১ এপ্ৰিলঃ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ শেহতীয়া সাম্প্ৰদায়িক মন্তব্যৰ বিৰুদ্ধে প্ৰয়োজন সাপেক্ষে ২ পৃষ্ঠাত চাওক



### চৰকাৰৰ আক্ৰোশ

## দিলোৱাৰৰ ভাতৃ তৈয়বুৰক গ্ৰেপ্তাৰ!

ই-সংবাদ, ১ এপ্ৰিলঃ সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰে দুয়োটা গোচৰতে জামিন লাভ কৰি আজি ৫ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমন্তৰ 'খতম' শব্দৰ বিৰুদ্ধে কৰ্টলৈ যাব

আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে ৰাজহুৱাকৈ দুজন ব্যক্তিৰ নাম লৈ তেওঁলোকক খতম কৰি দিয়াৰ যি ভাবুকি প্ৰদান কৰিছে এয়া আইনবিৰুদ্ধ কথা। আজি এক সংবাদমেলত বিশিষ্ট আইনজ্ঞ তথা অসম প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ নেতা হাফিজ ৰছিদ আহমেদ চৌধুৰীয়ে এইদৰে কয়। চৌধুৰীয়ে কয় যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা সাংবিধানিক পদত অধিষ্ঠিত এজন মুখ্যমন্ত্ৰী আৰু তেওঁ সকলোৰে প্ৰতি সমভাৱ দেখুৱাম বুলি শপতগ্ৰহণ কৰিছিল। এনে এজন ব্যক্তিয়ে কেনেদৰে আইনৰ ঊৰ্ধ্বত গৈ দিলোৱাৰ হুছেইন, মহবুবুলহঁতৰ দৰে লোকক খতম কৰি দিম বুলি ক'ব পাৰে। চৌধুৰীয়ে কয় যে কোনো লোকৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিলে আইনৰ দৃষ্টিত তেওঁ অপৰাধী নহয়। আইন-আদালতে বিষয়টো পৰ্যালোচনা কৰিব আৰু দোষী হ'লে শাস্তি প্ৰদান কৰিব। ড০ শৰ্মাই নিজে বিচাৰকৰ ভূমিকাত অৱতীৰ্ণ হৈ কাৰোবাক খতম কৰি দিম বুলি কোৱা মানেই হত্যাৰ ভাবুকি দিয়া হৈছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে মুখ্যমন্ত্ৰীৰ এনে বক্তব্যক তীব্ৰভাৱে নিন্দা কৰিছে আৰু এই উচটনিমূলক বক্তব্যৰ বাবে অসমৰ ৰাইজৰ ওচৰত ক্ষমা বিচাৰিবলৈ দাবী জনাইছে। চৌধুৰীয়ে কয় তেওঁ নিজেই এজন আইনৰ ছাত্ৰ আৰু আইনৰ ঊৰ্ধ্বত কোনো যাব নোৱাৰে। মুখ্যমন্ত্ৰীৰ এনে প্ৰৰোচনামূলক ভাবুকিৰ বিৰুদ্ধে ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ জৰিয়তে গোচৰ তৰা হ'ব। এটা সম্প্ৰদায়ৰ দুজন ব্যক্তিৰ নাম বাৰে বাৰে উচ্চাৰণ কৰি মুখ্যমন্ত্ৰীয়ে অসমত সাম্প্ৰদায়িক সংঘৰ্ষ লগাব বিচাৰিছে বুলি অভিযোগ কৰি কংগ্ৰেছ নেতাজনে কয় যে ইয়াৰ বিৰুদ্ধে ৰাইজ সজাগ আৰু সচেতন হৈ থাকিব লাগে। অসমৰ ৰাইজক মুখ্যমন্ত্ৰীজনৰ সাম্প্ৰদায়িক কথা-বতৰাত প্ৰৰোচিত নহ'বলৈ আহ্বান জনাই চৌধুৰীয়ে কয় যে অসমত শান্তি-সম্প্ৰীতি বজাই ৰখাৰ দায়িত্ব আমাৰ সকলোৰে। ৰাজনীতিৰ ঊৰ্ধ্বত গৈ আমি সমাজত শান্তি-সম্প্ৰীতি বজাই ৰাখিব লাগিব। পবিত্ৰ ঈদৰ দিনটোত মুছলমান লোকৰ আৱেগ-অনুভূতিত আঘাত হানিব পৰা যি বাৰ্তা তেওঁ প্ৰেৰণ কৰিছে এয়া অত্যন্ত দুৰ্ভাগ্যজনক বুলি উল্লেখ কৰি কংগ্ৰেছ নেতাজনে কয় যে ঈদৰ দিনা বিদ্যালয়সমূহ খোলা ৰাখি এইখন চৰকাৰে বিগত ৭৫ বছৰৰ নিয়ম আৰু পৰম্পৰা ভংগ কৰিছে। ঈদৰ আগদিনা নিশা অসমৰ শিক্ষা বিভাগৰ তৰফৰ পৰা ঈদৰ দিনা বিদ্যালয় খোলা ৰাখি ছাত্ৰ দিৱস পতাৰ যি নিৰ্দেশনা জাৰি কৰিছে সেয়া দুটা জনগোষ্ঠীৰ মাজত ভুল বুজাবুজি সৃষ্টিৰ নামান্তৰ বুলি উল্লেখ কৰি তেওঁ কয় যে এনেবোৰ ঘটনাই অসমৰ সাতামপুৰুষীয়া শান্তি-সম্প্ৰীতিত ব্যাঘাত জন্মাব। বহু শিক্ষক বিদ্যালয়লৈ যাবলগীয়া হোৱাৰ বাবে ঈদৰ নামাজৰ পৰি বঞ্চিত হ'বলগীয়া হৈছে বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয়, ঈদ হ'ল সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ এক প্ৰতীক। আমি সকলোৱে ঈদৰ দিনা ইজনে-সিজনৰ প্ৰতি মৰম, চেনেহ আৰু ভক্তিভাৱ প্ৰদৰ্শন কৰো। কিন্তু এইবাৰ চৰকাৰে ঈদৰ দিনা বিদ্যালয় খোলা ৰাখি মুছলমান ৰাইজৰ প্ৰতি অন্যায় কৰিছে। চৌধুৰীয়ে লগতে কয় যে দিলোৱাৰহঁতৰ দৰে লোকক খতম কৰিবলৈ বিজেপিৰ জন্ম হৈছে বুলি যি মন্তব্য প্ৰকাশ কৰিছে সেয়া ভাৰতীয় জনতা পাৰ্টীৰ দলীয় স্থিতি নেকি? এই কথা স্পষ্ট কৰিবলৈ তেওঁ দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াক আহ্বান জনায়। সংবাদমেলখনত জ্যেষ্ঠ কংগ্ৰেছ নেতা মেহদী আলম বৰা উপস্থিত থাকে। সংবাদমেলখন পৰিচালনা কৰে অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰতবৰাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আতচবাজী ফেক্টৰীত বিস্ফোৰণ! ১৮ জনৰ

মৃত্যুক সাবটিলে কমেও ১৮ জন শ্ৰমিকে। গুজৰাটৰ বানাশংকঠা দিছাত থকা এটা ফটকা ফেক্টৰীত সংঘটিত হয় এই বিস্ফোৰণ কাণ্ড। ইফালে বিস্ফোৰণৰ ফলত ভাগি পৰা কাৰখানাটোৰ ধ্বংসস্তূপৰ মাজত এতিয়াও বহু শ্ৰমিক আবদ্ধ হৈ থকাৰ আশংকা কৰা হৈছে। বিস্ফোৰণৰ পিছত প্ৰথম অৱস্থাত ৭ জন লোকৰ মৃত্যু হোৱাৰ খবৰ পোৱা গৈছিল যদিও পিছত এই সংখ্যা ১৮ জনলৈ বৃদ্ধি পায়। মঙলবাৰে পুৱা প্ৰায় ৯।৪৫ বজাত কাৰখানাটোত হঠাৎ বিস্ফোৰণ সংঘটিত হয়। প্ৰত্যক্ষদৰ্শীৰ মতে বিস্ফোৰণৰ তীব্ৰতা ইমানেই প্ৰবল আছিল যে কাষৰীয়া অট্টালিকাসমূহো কঁপি উঠিছিল। ঘটনাস্থলীত অগ্নিনিৰ্বাপক বাহিনীয়ে ক্ষিপ্ৰতাৰে উপস্থিত হৈ জুই নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰে। তদুপৰি ধ্বংসাৱশেষত আবদ্ধ হৈ থকা লোকসকলক উদ্ধাৰৰ বাবে আৰক্ষী আৰু জৰুৰীকালীন উদ্ধাৰকাৰী দল উপস্থিত হয়। প্ৰাথমিক তদন্তত আতচবাজী নিৰ্মাণ কৰি থকা অৱস্থাত অগ্নিকাণ্ড সংঘটিত হোৱা বুলি জানিব পৰা গৈছে। বিস্ফোৰণৰ প্ৰভাৱত কাৰখানাটোৰ কেইবাটাও অংশ ভাঙি পৰে। ওচৰতে শ্ৰমিকৰ আৱাস থকাৰ বাবে ক্ষতি আৰু বৃদ্ধি পাব পাৰে বুলি অনুমান কৰা হৈছে। ঘটনাত আহত কমেও চাৰিজন লোকক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে যদিও তেওঁলোকৰ অৱস্থা সুস্থিৰ বুলি জানিব পৰা গৈছে। বিস্ফোৰণৰ কাৰণ সন্দৰ্ভত প্ৰশাসনে তদন্ত আৰম্ভ কৰিছে। এই ঘটনাৰ পিছত প্ৰশ্ন উত্থাপন হ'বলৈ আৰম্ভ কৰিছে কাৰখানাটোৰ সুৰক্ষা ব্যৱস্থাক লৈ। দীৰ্ঘদিন ধৰি কাৰখানাটোত সুৰক্ষাৰ নিয়ম পালন নকৰাৰ অভিযোগ তুলিছে স্থানীয় ৰাইজে। ইতিমধ্যে ক্ষতিগ্ৰস্ত পৰিয়ালক ক্ষতিপূৰণ দিয়াৰ কথা ঘোষণা কৰিছে ৰাজ্য চৰকাৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যোগীক অনুসৰণ কৰি এইবাৰ ঠাইৰ নাম

ঔৰংগজেৱৰ কবৰ বিতৰ্কই সাম্প্ৰদায়িক হিংসাত ঘি ঢলাৰ সময়তে উত্তৰ প্ৰদেশৰ যোগী চৰকাৰক অনুসৰণ কৰি একেলগে চাৰিখন জিলাৰ ১১ টা স্থানৰ নাম সলনি কৰিলে পুষ্কৰ সিং ধামী চৰকাৰে। উত্তৰাখণ্ড চৰকাৰে ঔৰংজেৱপুৰৰ পৰা শিৱাজীনগৰলৈ, গাজীৱালীৰ পৰা আৰ্যনগৰলৈ নাম সলনি কৰাৰ সিদ্ধান্ত লোৱাৰ পিছতে সৃষ্টি হৈছে তীব্ৰ ৰাজনৈতিক বিতৰ্কৰ। বিৰোধীয়ে ইয়াক প্ৰত্যক্ষ মুছলমান বিৰোধী পদক্ষেপ বুলি আক্ৰমণ কৰাৰ বিপৰীতে মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীয়ে সচৰাচৰৰ দৰেই 'সংস্কৃতি আৰু ঐতিহ্য'ৰ বেশত নাম সলনিকৰণক ন্যায্যতা প্ৰদান কৰিবলৈ চেষ্টা কৰা দেখা যায়। চৰকাৰী সিদ্ধান্ত অনুসৰি হৰিদ্বাৰ জিলাৰ ঔৰংজেৱপুৰ এতিয়া শিৱাজীনগৰ, গাজীৱালীক আৰ্যনগৰ, চান্দপুৰক জ্যোতিবা ফুলে নগৰ, মহম্মদপুৰ জাটক মোহনপুৰ জাট, খানপুৰক শ্ৰীকৃষ্ণপুৰ, খানপুৰ কুৰছালিক আম্বেদকাৰ নগৰ, ইদ্ৰীশপুৰক এতিয়া নন্দপুৰ আৰু আকবৰপুৰক নন্দপুৰলৈ সলনি কৰিছে। ডেৰাডুন জিলাত মিয়ানৱালাক ৰামজীৱালা, পিৰৱালাক কেশৰী নগৰ আৰু চান্দপুৰ খুৰ্ডক পৃথ্বীৰাজ নগৰ কৰা হৈছে। একেদৰে নৈনীতাল আৰু উধম সিং নগৰ জিলাৰ কেইবাটাও স্থানৰ নাম সলনি কৰাৰ সিদ্ধান্তও লোৱা হৈছে। ধামী চৰকাৰৰ যুক্তি হ'ল, "এই নাম সলনি ভাৰতীয় সংস্কৃতি ৰক্ষাৰ স্বাৰ্থত। আমি জনসাধাৰণৰ আৱেগক মনত ৰাখি এই সিদ্ধান্ত লৈছো।" কিন্তু বিৰোধীসকলে কয় যে জনসাধাৰণৰ মৌলিক সমস্যাৰ পৰা দৃষ্টি দূৰ কৰাৰ বাবেই এই নাম সলনিৰ নতুন নাটক ৰচিছে চৰকাৰে। সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱে ইতিংকি কৰি উত্তৰাখণ্ডৰ নাম সলনি কৰি 'উত্তৰ প্ৰদেশ-২' ৰখাৰ পৰামৰ্শ দিছে। কংগ্ৰেছৰ সাংসদ ইমৰান মাছুদে ধামী চৰকাৰক লক্ষ্য কৰি কয়, "ৰাজ্যৰ অৰ্থনীতি অচল, চাকৰিৰ অভাৱত যুৱক-যুৱতীসকলে ৰাজ্য এৰি গৈছে, দুৰ্নীতিৰ প্ৰকোপ বাঢ়িছে, তথাপি বিজেপি নেতাসকলে একমাত্ৰ কাম কৰি আছে নাম সলনি কৰা!" উত্তৰ প্ৰদেশৰ যোগী আদিত্যনাথ চৰকাৰে যেনেকৈ ইটোৰ পিছত সিটোকৈ মুছলমানৰ সৈতে ঠাইৰ নাম সলনি কৰি হিন্দুত্বৰ ৰং দিছিল, ঠিক তেনেদৰে উত্তৰাখণ্ডেও এতিয়া একে পথেৰেই আগবাঢ়িছে। এলাহাবাদ প্ৰয়াগৰাজ, মোগলচৰাই দীনদয়াল উপাধ্যায় নগৰ, ফৈজাবাদ অযোধ্যা-বিজেপিশাসিত ৰাজ্যৰ নাম সলনিৰ এই ধাৰাটোৱে যেন নতুন সাম্প্ৰদায়িক বিভাজনৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছে। এতিয়া উত্তৰাখণ্ডৰ ১১ স্থানৰ নাম সলনি কৰি শাসকীয় চৰকাৰে আৰু অধিক আগুৱাই নিছে হিন্দুত্ববাদী এজেণ্ডা।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ধ্বংসস্তূপত পৰিণত হ'ল মহাফেজখানা!

নেতৃত্বত অহা প্ৰতিবাদী সমদলত অংশগ্ৰহণ কৰি গুৱাহাটীৰ প্ৰাক্তন মেয়ৰ কুশল শৰ্মাই চৰকাৰখনক কাণ্ডজ্ঞানহীন আখ্যা দিয়ে। প্ৰাক্তন মেয়ৰজনে কয় যে বিজেপিৰ শাসনত অসমত ঐতিহ্যপূৰ্ণ সম্পদসমূহ অসুৰক্ষিত হৈ পৰিছে। গুৱাহাটী মহাফেজখানা ধ্বংসৰ পিছত চৰকাৰে এতিয়া আৰু কি কি ঐকতিহাসিক সম্পদত হাত দিয়ে তাক লৈ চিন্তিত বুলি উল্লেখ কৰে। শৰ্মাই লগতে কয় যে গুৱাহাটীত বিজেপিৰ সাংসদ আছে, বিধায়ক আছে, মেয়ৰ আছে, মুখ্যমন্ত্ৰী নিজেই গুৱাহাটীৰ। তাৰ পিছতো কেনেকৈ বহিঃৰাজ্যৰ এজন মন্ত্ৰী অশোক সিংহলৰ নিৰ্দেশত ঐতিহাসিক মহাফেজখানা ধ্বংস কৰি পেলোৱা হ'ল। প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত থকা মহানগৰ কংগ্ৰেছৰ সভাপতি গোপাল শৰ্মাই ১৭০ বছৰীয়া ব্ৰিটিছৰ দিনত নিৰ্মিত তথ্য সংৰক্ষণ গৃহ মহাফেজখানা ভাঙি পেলোৱাৰ অধিকাৰ এইখন চৰকাৰক কোনে দিলে বুলি উভতি ধৰে। ঐতিহ্যপূৰ্ণ সম্পদ ৰক্ষা কৰিব নোৱৰা চৰকাৰখন শাসনৰ থকাৰ নৈতিক অধিকাৰ হেৰুৱাই পেলাইছে বুলি তেওঁ উল্লেখ কৰে। এই প্ৰতিবাদী কাৰ্যসূচীত অসম প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক ৰামান্না বৰুৱা, জ্যেষ্ঠ মুখপাত্ৰ ৰূপা কলিতা, বিপুল চক্ৰৱৰ্তী, অংকুৰ গগৈ, মহানগৰ কংগ্ৰেছৰ প্ৰাঞ্জল ফুকনকে ধৰি বহুসংখ্যক লোক উপস্থিত থাকে। প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ব্ৰিটিছৰ গোলামিৰ প্ৰতীক মহাফেজখানা ভাঙি দিয়া বুলি কৰা মন্তব্য হাস্যকৰেই নহয় নিন্দনীয়। তেওঁ কয় যে মহাফেজখানাৰ লগতে লাগি থকা শুক্লেশ্বৰৰ ব্ৰিটিছে নিৰ্মাণ কৰা নৰ্থব্ৰুক গেটখনো ভাঙি দিব নেকি? কলকাতাৰ ভিক্টোৰীয়া মে'মৰিয়েল ভাঙি দিব নেকি? ব্ৰিটিছে নিৰ্মাণ কৰা ৰে'লপথসমূহ উঠাই পেলাব নেকি? কটন বিশ্ববিদ্যালয়ৰ কি হ'ব? আধুনিকতাৰ নামত এই চৰকাৰখনে হিতাহিত জ্ঞান হেৰুৱাই কেৱল কমিছনৰ অংকত ভঙা-গঢ়াৰ কাম কৰিছে বুলি বৰাই অভিযোগ কৰে। ভৱিষ্যতে অসমৰ ঐতিহাসিক সম্পদত হাত নিদিবলৈ সকীয়াই দি বৰাই কয় যে চৰকাৰে যদি জাতীয় সম্পদসমূহ সুৰক্ষিত কৰিব নোৱাৰে তেতিয়াহ'লে ৰাইজে তাৰ দায়িত্ব গ্ৰহণ কৰিব। ইপিনে মহাফেজখানা ধ্বংস কৰাত সৰব হৈছে অসম জাতীয় পৰিষদ। আজি গুৱাহাটীত সংবাদমেলত পাতি দলৰ সাধাৰণ সম্পাদক জগদীশ ভুঞা মহাফেজখানাৰ বিভিন্ন দিশ উল্লেখ কৰি ব্ৰিটিছ উপনিৱেশকালত নিৰ্মিত প্ৰথম কংক্ৰিটৰ ঘৰবিলাকৰ ভিতৰত এটা বুলি অভিহিত কৰে। জিএমডিয়ে ব্ৰহ্মপুত্ৰ নদীৰ পাৰৰ সৌন্দৰ্যবৰ্ধন প্ৰকল্পৰ অংশ হিচাপে ভাঙি পেলোৱাত চৰকাৰক তীব্ৰ সমালোচনা কৰিছে। জগদীশ ভুঞাই কয় যে ১৮৫৫ ৰ পৰা ১৮৬৫ চনৰ ভিতৰত নিৰ্মিত মহাফেজখানাক ব্ৰিটিছ চৰকাৰে এটা ৰেকৰ্ড ৰুম হিচাপে কাম কৰিছিল। য'ত ব্ৰিটিছ ঔপনিৱেশিক যুগৰ গুৰুত্বপূৰ্ণ ভূমিৰ ৰেকৰ্ড, মানচিত্ৰ আৰু প্ৰশাসনিক নথি-পত্ৰ সংৰক্ষিত আছিল। অসমৰ প্ৰশাসনিক আৰু 'আৰ্কাইভ'ৰ ঐতিহ্যৰ গুৰুত্বপূৰ্ণ অংশ আছিল। ভৱনটো আছিল ঔপনিৱেশিক যুগৰ প্ৰাৰম্ভিক অভিযান্ত্ৰিক প্ৰযুক্তিৰ এক উদাহৰণ। য'ত ২০-২৫ ইঞ্চি ডাঠ দেৱাল, লোহাৰ প্ৰৱেশদ্বাৰ আৰু এক অবিৰত বাৰাণ্ডাৰ সৈতে মজবুত ডিজাইন আছিল। মহাফেজখানা অসমৰ স্তৰিত ইতিহাসৰ প্ৰতীক আছিল। এনে ভৱন সংৰক্ষণৰ প্ৰয়োজন আছিল। সংগ্ৰহালয় বা সাংস্কৃতিক কেন্দ্ৰ হিচাপে সংৰক্ষণ কৰিব পৰা গ'লহেঁতেন। ইতিহাসবিদ, স্থপতিবিদ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ঔপনিৱেশিক প্ৰশাসন, ভূমি পৰিচালনা আৰু নিৰ্মাণ কৌশল অধ্যয়নৰ এক সম্পদ প্ৰদান কৰিছিল। ইতিহাসৰ এক প্ৰাথমিক উৎস নাইকিয়া হৈ গ'ল। পৰ্যটকক আকৰ্ষণ কৰিলেহেঁতেন। তাৰ লগতে মুখ্যমন্ত্ৰীক কেইবাটাও প্ৰশ্ন কৰে ভুঞাই। মানৰ আক্ৰমণৰ পৰা আৰম্ভ কৰি ব্ৰিটিছক বিতাৰণ কৰালৈ সেই ঐতিহাসিক সমলবোৰ নতুন প্ৰজন্মই জানিবলৈ-বুজিবলৈ আমাৰ হাতত থকা ভৱনটোক মুখ্যমন্ত্ৰীয়ে অপ্ৰাসংগিক বুলি কিয় ভাবিছে? কিন্তু অসমত চাহ আৱিষ্কাৰ কোনে কৰিছিল-ব্ৰিটিছে? তেন্তে ব্ৰিটিছে কৰা এই কামটো কেনেকৈ ভাল আছিল? নিশ্চয় নাছিল? গতিকে চাহ বাগিচাবোৰৰ চাহ গছসমূহ উঘালি চাহ উদ্যোগৰ নাম নিচান উৎখাত কৰি চাহ বাগানৰ লাখ লাখ বিঘা মাটি মুখ্যমন্ত্ৰীয়ে কিবা ডাঙৰ বাবৰ বিনিময়ত হৰ্তাকৰ্তাসকলক দি দিব নেকি? একেটা যুক্তিতে ব্ৰিটিছে অসমত তেল আৱিষ্কাৰ কৰি অন্যান্য খনিজ সম্পদ আৱিষ্কাৰ কৰি অসমৰ অৰ্থনৈতিক বুনিয়াদ টনকিয়াল কৰাত যোগোৱা অৱদানক মুখ্যমন্ত্ৰীয়ে কি চকুৰে চাব? নিশ্চিতভাৱে বেয়া চকুৰে? সেইবোৰ সব নিশ্চিহ্ন কৰি দিব নেকি? কটন কলেজ একা? ব্ৰিটিছে প্ৰতিষ্ঠা কৰা কটন কলেজ ছাৰ কটনৰ নামৰ কটন বিশ্ববিদ্যালয় বা আন ব্ৰিটিছ আমোলৰ অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ মুখ্যমন্ত্ৰীয়ে ভাঙি পেলাব নেকি বুলি প্ৰশ্ন কৰে জগদীশ ভুঞাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দুৰ্নীতিৰ নেতৃত্ব দিয়া মুখ্যমন্ত্ৰীহে হিমন্ত

সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰি আজি মন্তব্য আগবঢ়ায় অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন কুমাৰ বৰাই। তেওঁ লগতে শেহতীয়াকৈ দিল্লী ভ্ৰমণৰ সময়ত অসমত দলৰ সভাপতিৰ সাল সলনি ঘটিব নেকি, সেই সন্দৰ্ভতো আলোকপাত কৰে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি সলনিৰ বাবে দিল্লীত কেন্দ্ৰীয় নেতৃত্বৰ সৈতে বৈঠক হোৱা বুলি ৰাজ্যৰ ৰাজনীতিত চৰ্চা চলা বিষয়টো নস্যাৎ কৰে। ভূপেন বৰাৰ মতে দিল্লীত হোৱা নাছিল প্ৰদেশ কংগ্ৰেছৰ সভাপতি সাল-সলনিৰ আলোচনা। ৰাজীৱ ভৱনত ভাষণ দি ভূপেন বৰাই স্পষ্ট কৰি দিয়ে যে কংগ্ৰেছ নেতৃত্বৰ সৈতে হোৱা বৈঠকত মূলতঃ ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। আনফালে বিৰোধী ঐক্য সন্দৰ্ভত বৰাই বিশিষ্ট বুদ্ধিজীৱী হীৰেন গোহাঁইক প্ৰশংসা কৰি কয় যে, "হীৰেন গোহাঁই অসমৰ বাবে এজন ঋষি সদৃশ ব্যক্তি। তেওঁ য'লৈকেই মাতিব কংগ্ৰেছ তাতেই থাকিব।" বিহুৰ বিশ্ব অভিলেখৰ সময়ত কী কী বাহিনীয়ে লুণ্ঠন চলোৱা বুলি উত্থাপিত অভিযোগ সন্দৰ্ভত বৰাই বৃহৎ পৰিসৰৰ আৰ্থিক অপব্যৱহাৰৰ অভিযোগ উত্থাপন কৰে। তেওঁ এনে অনিয়মৰ আঁৰৰ মাষ্টাৰমাইণ্ডক লৈ প্ৰশ্ন উত্থাপন কৰি কয় যে, "ভূপিন্দৰ পাল সিং, গুলজাজ সিং, আৰু কমলজীত সিং ওৰফে 'কী কী ব্ৰিগেড'ক দিয়া চুক্তিৰ ৱৰ্ক অৰ্ডাৰ কোনে অনুমোদন জনাইছিল? আচল প্ৰশ্নটো তাতেই নিহিত হৈ আছে।" বলিউডৰ উদাহৰণ ডাঙি ধৰি তেওঁ লগতে কয়, "যদি এই গ্ৰেণ্ড ইভেণ্টটো চিত্ৰনাট্যযুক্ত অভিনয় আছিল, তেন্তে এই লুটপাতৰ আঁৰৰ মাষ্টাৰমাইণ্ড মোহৰাৰ নাছিৰুদ্দিন শ্বাহৰ চৰিত্ৰটোৰ দৰেই। ইয়াৰ আঁৰৰ ব্যক্তি আন কোনো নহয়, হিমন্ত বিশ্ব শৰ্মা।" ভিজন ডকুমেণ্টৰ পৰা বিজেপিৰ অসম্পূৰ্ণ প্ৰতিশ্ৰুতিক লৈও বৰাই বিজেপিক আক্ৰমণ কৰি মূল আন্তঃগাঁথনি প্ৰকল্পৰ মৰ্যাদাক লৈ প্ৰশ্ন উত্থাপন কৰে। তেওঁ কয়, 'এক্সপ্ৰেছ হাইৱে, বৰাকৰ মিনি সচিবালয়, আৰু বিজেপিয়ে প্ৰতিশ্ৰুতি দিয়া বানপানীৰ সমাধানৰ কি হ'ল? ক'লা ছানগ্লাছ পিন্ধিলে কাম নহ'ব; মানুহে বাস্তৱক লাগিব।' আনফালে বহুল চৰ্চিত এপেক্স বেংকৰ ভুৱা গোচৰ সন্দৰ্ভতো মন্তব্য ভূপেন বৰাৰ। তেওঁ কয়, এপেক্স বেংকলৈ আজিকালি মানুহ যাবলৈ ভয় কৰা হৈছে। কাৰণ এপেক্স বেংকত সোমোৱাৰ লগে লগে মেনেজাৰে আপোনাক কি কেছত ফচাই দিব ঠিক নাই! এপেক্স বেংকৰ কথা তল পেলাবলৈ দিলোৱাৰ হুছেইন মজুমদাৰক জে'লত ভৰালে। ভূপেন বৰাই লগতে কয়, "তেওঁ ভাবিছে, মই যদি মানুহক জে'লত ভৰাই থওঁ, পুলিচ লগাই মানুহৰ কণ্ঠ ৰোধ কৰিব পাৰিম। হিমন্ত বিশ্ব শৰ্মাই অকলেই যে ভ্ৰষ্টাচাৰ দুৰ্নীতি কৰিছে এনেকুৱা নহয়, তেওঁৰ নেতৃত্বত দুৰ্নীতি হৈছে। দুৰ্নীতিৰ নেতৃত্ব লোৱা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। ভাৰতবৰ্ষৰ ভিতৰত সৰ্বকালৰ আটাইতকৈ ভ্ৰষ্টাচাৰী কোনোবা ব্যক্তি যদি আছে, সেয়া হিমন্ত বিশ্ব শৰ্মা। লুণ্ঠন, নাৰী নিৰ্যাতন সন্দৰ্ভত যদি কোনোবাই মাত মাতে, তেতিয়া সেই ব্যক্তিজন হিমন্ত বিশ্ব শৰ্মাৰ বাবে অপৰাধী।"

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শকুনি ইউনুছ! উত্তৰ-পূবত আগ্ৰাসী হ'বলৈ

সৃষ্টি কৰিছে। শেহতীয়া চীন ভ্ৰমণৰ সময়ত বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুৰব্বী ড০ মহম্মদ ইউনুছে ভাৰতৰ সাতভনী উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যক 'লেণ্ড লকড এৰিয়া' বুলি উল্লেখ কৰি এই অঞ্চলত চীনে বজাৰ ঔপনিৱেশ সৃষ্টিৰ সুযোগ আছে বুলি মত প্ৰকাশ কৰিছিল। লগতে ইউনুছে এইবুলিও কৈছিল যে ভাৰত নহয়, সাগৰীয় পথৰ নিয়ন্ত্ৰণ বাংলাদেশৰ হাতত আছে। এয়া চীনা আক্ৰমণৰ বাবে এটা ভাল সুযোগ! বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন মুৰব্বী মহম্মদ ইউনুছে চীন ভ্ৰমণৰ সময়ত এনে ধৰণৰ বিতৰ্কিত মন্তব্য কৰিছিল। ইউনুছ চাৰিদিনীয়া চীন ভ্ৰমণ কৰাৰ সময়ৰ এটা ভিডিঅ'ত তেওঁ কৈছে যে ভাৰতৰ পূব অংশৰ সাতখন ৰাজ্য, যাক ছেভেন ছিষ্টাৰ বুলি কোৱা হয়। এই বিশাল অঞ্চলটো পৰ্বত আৰু ভূমিৰে আগুৰি আছে। সাগৰীয় পথেৰে যোগাযোগ কৰাৰ কোনো উপায় নাই। বাংলাদেশ হৈছে সাগৰৰ ৰজা। গতিকে চীনা অৰ্থনীতি সেই ক্ষেত্ৰত সম্প্ৰসাৰিত হ'ব পাৰে। ইউনুছে এনে মন্তব্য প্ৰকাশৰ পিছতে ভাৰতত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কংগ্ৰেছ দলেই ইউনুছৰ বক্তব্যক গৰিহণা দিছে। ভাৰতৰ বাবে এক গুৰুতৰ নিৰাপত্তাজনিত চিন্তা বুলি অভিহিত কৰিছে কংগ্ৰেছে। কংগ্ৰেছৰ মিডিয়া বিভাগৰ মুৰব্বী পৱন খেৰাই এক্সত কয় যে বাংলাদেশে চীনক ভাৰতক ঘেৰাও কৰিবলৈ আমন্ত্ৰণ জনাইছে। বাংলাদেশ চৰকাৰৰ এই মনোভাব আমাৰ উত্তৰ-পূব অঞ্চলৰ নিৰাপত্তাৰ বাবে অতি বিপদজনক। চৰকাৰে মণিপুৰৰ যত্ন লোৱা নাই আৰু চীনে ইতিমধ্যে অৰুণাচলৰ গাঁওসমূহত বসতি স্থাপন কৰিছে। খেৰাই ভাৰতৰ বৈদেশিক নীতিক অধিক সমালোচনা কৰি কয় যে আমাৰ বৈদেশিক নীতি ইমান শোচনীয় অৱস্থাত আছে যে যিখন দেশত ভাৰতৰ মুখ্য ভূমিকা আছিল। সেই দেশখনেও আজি আমাৰ বিৰুদ্ধে সমৱেত হোৱাত নিয়োজিত হৈছে।
অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ইউনুছে কৰা মন্তব্যক তীব্ৰ গৰিহণা দিয়ে।
ভাৰতৰ উত্তৰ-পূব অঞ্চলৰ বাবে ভাৰত মহাসাগৰৰ একমাত্ৰ অভিভাৱক বাংলাদেশ। উত্তৰ-পূবৰ সাতখন ৰাজ্য স্থলবেষ্টিত বুলি দাবী কৰে। শৰ্মাই ইউনুছৰ মন্তব্যক আক্ৰমণাত্মক আৰু তীব্ৰ নিন্দনীয় বুলি অভিহিত কৰি ছ'চিয়েল মিডিয়া প্লেটফৰ্ম এক্সত কয় যে বাংলাদেশৰ তথাকথিত অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মহম্মদ ইউনুছে উত্তৰ-পূব ভাৰতৰ সাত ভগ্নী ৰাজ্যসমূহক স্থলবেষ্টিত বুলি উল্লেখ কৰি আৰু বাংলাদেশক তেওঁলোকৰ সাগৰীয় প্ৰৱেশাধিকাৰৰ অভিভাৱক হিচাপে অৱস্থান কৰাটো আক্ৰমণাত্মক আৰু তীব্ৰ নিন্দনীয়। ড০ শৰ্মাই আৰু কয় যে এই মন্তব্যটোৱে ভাৰতৰ কৌশলগত চিকেনছ নেক কৰিডৰৰ সৈতে সম্পৰ্কিত দুৰ্বলতাৰ বৰ্ণনাক অংকিত কৰে। ঐতিহাসিকভাৱে ভাৰতৰ ভিতৰৰ আভ্যন্তৰীণ শক্তিসমূহেও উত্তৰ-পূবক মূল ভূখণ্ডৰ পৰা পৃথক কৰিবলৈ গুৰুত্বপূৰ্ণ পথ বিচ্ছিন্ন কৰাৰ পৰামৰ্শ দিছে। সেয়েহে, চিকেন নেক কৰিড'ৰৰ তলত আৰু চাৰিওফালে অধিক শক্তিশালী ৰে'লৱে আৰু পথ নেটৱৰ্ক বিকশিত কৰাটো অত্যাৱশ্যকীয়। উত্তৰ-পূবক ভাৰতৰ মূল ভূখণ্ডৰ সৈতে সংযোগ কৰা বৈকল্পিক পথবোৰ অন্বেষণ কৰা, চিকেন নেকক অগ্ৰাধিকাৰ দিব লাগে যদিও ই গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিব পাৰে। ই দৃঢ়তা আৰু উদ্ভাৱনৰ দ্বাৰা প্ৰাপ্ত কৰিব পাৰি। ইউনুছৰ এনে উচটনিমূলক মন্তব্যক সহজভাৱে ল'ব নালাগে। কিয়নো গভীৰ কৌশলগত বিবেচনা আৰু দীৰ্ঘদিনীয়া কাৰ্যসূচীক প্ৰতিফলিত কৰিছে। উত্তৰ-পূব ভাৰতক দেশৰ বাকীঅংশৰ সৈতে সংযোগ কৰা সংকীৰ্ণ শিলিগুৰি কৰিডৰৰ কথা মহম্মদ ইউনুছে উল্লেখ কৰাৰ পিছতে অসমৰ মুখ্যমন্ত্ৰীৰ লগতে অসমৰ বিৰোধী দল অসম জাতীয় পৰিষদে এই বিষয়ত আজি সংবাদমেল যোগে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। অসম জাতীয় পৰিষদে আজি গুৱাহাটীত সংবাদমেল সম্বোধন কৰি কয় যে ভাৰতৰ অনুগ্ৰহত ভূমিষ্ঠ হৈছে বাংলাদেশ। যিখন দেশৰ নিজৰ দেশত গণতান্ত্ৰিকভাৱে নিৰ্বাচন অনুষ্ঠিত কৰাৰ ক্ষমতা নাই সিখন দেশৰ প্ৰধানমন্ত্ৰীয়ে উন্মাদ জনতাৰ আক্ৰমণৰ ভয়ত নিজৰ দেশ এৰি পলায়ন কৰিছে তেনে এখন দেশৰ অন্তৰ্বৰ্তীকালীন অস্থায়ী চৰকাৰ প্ৰধানজনে ভাৰতৰ দৰে বিশাল শক্তিৰ বিৰুদ্ধে কথা কোৱাটো সেইখন দেশৰ ধৃষ্টতা। অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ আৰু সাধাৰণ সম্পাদক জগদীশ ভূঞাই কয় যে বাংলাদেশ এখন শিষ্টাচাৰ নজনা দেশ বাবেই তেওঁলোকৰ দেশৰ জনতাই তেওঁলোকৰ দেশখনৰে জন্মদাতা বংগবন্ধু মজিবুৰ ৰহমানৰ প্ৰতিমূৰ্তিও ভাঙি দিব পাৰে। ১৯৭১ চনত ভাৰতৰ অনুগ্ৰহত জন্মলাভ কৰা বাংলাদেশত যোৱা বছৰ দেশখনৰ জনসাধাৰণে দেশখনৰ এক অভ্যুত্থানৰ প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাক দেশান্তিৰত কৰিছিল। তাৰ পাছত ব্যাপক হিংসা আৰু অস্থিৰতাৰ মাজত নোবেল লৰেট মহম্মদ ইউনুছক অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুৰব্বী হিচাপে মনোনীত কৰিছিল। সম্প্ৰতি ব্যাপক অস্থিৰতা আৰু অৰ্থনৈতিক অচলাৱস্থাৰ মাজতে মূলত: বিনিয়োগকাৰীক আকৰ্ষিত কৰিবলৈ ড০ ইউনিছ চীন দেশলৈ গৈছে। ভাৰতৰ অনুগ্ৰহত গণতান্ত্ৰিক দেশ হিচাপে অস্তিত্ব বজাই ৰখা বাংলাদেশৰ যিকোনো ৰাষ্ট্ৰপতিয়ে প্ৰথম বিদেশ ভ্ৰমণ হিচাপে ভাৰতলৈ আহে। কিন্তু বৰ্তমানৰ কেয়াৰটেকাৰ চৰকাৰখনৰ মুৰব্বী ইউনুছে চীন দেশলৈ গৈছে আৰু তাত গৈ ভাৰতৰ বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলৰ স্বাৰ্থৰ বিপৰীতে এক ধৰণৰ প্ৰৰোচনামূলক বক্তব্য দাঙি ধৰিছে। পাকিস্তানৰ কোচত বহি বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুৰব্বী ইউনুছে যদি নিজকে ডাঙৰ শক্তি বুলি ভাবিছে তেন্তে ইউনুছ আৰু বাংলাদেশে মুৰ্খৰ স্বৰ্গত বাস কৰিছে। ভাৰতৰ ১৪০ কোটি জনতাৰ কোপ দৃষ্টি যিদিনাই বাংলাদেশৰ ওপৰত পৰিব সিদিনাই বাংলাদেশ ভস্মীভূত হৈ যাব। নিজে জন্ম দিয়া সৰু দেশ বুলি ভাৰতবাসীয়ে বাংলাদেশক পুতৌহে কৰে সমীহ নকৰে। এই কথা ইউনুছে জনা ভাল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মন্ত্ৰী কপিল মিশ্ৰাৰ বিৰুদ্ধে গোচৰৰ

কেজৰিৱালৰ কাৰ্যকালৰ অন্ত পেলাই ক্ষমতালৈ আহিছিল বিজেপি। সেই সময়তে আপ ত্যাগ কৰি গেৰুৱা বসন পিন্ধিয়েই মন্ত্ৰিত্ব লাভ কৰিছিল কপিল মিশ্ৰাই। কিন্তু ক্ষমতাৰ জখলা বগাবলৈ লওঁতেই এতিয়া আইনী জটিলতাত সময় পৰিছে মন্ত্ৰী কপিল মিশ্ৰা। দিল্লী হিংসাৰ গোচৰত মন্ত্ৰীজনৰ বিৰুদ্ধে ৰাজধানীৰ এখন আদালতে গোচৰ ৰুজুৰ নিৰ্দেশ দিয়াৰ পিছতে বিজেপিৰ বাবেও এতিয়া অস্বস্তি বৃদ্ধি পাইছে। অতিৰিক্ত মুখ্য ন্যায়িক দণ্ডাধীশ বৈভৱ চৌৰাছিয়াই কয় যে কপিল মিশ্ৰাৰ বিৰুদ্ধে অপৰাধ সংঘটিত হোৱাৰ পৰ্যাপ্ত প্ৰাইমা ফেচি প্ৰমাণ আছে। তেওঁৰ উপস্থিতিৰ বিষয়টোও সন্দেহাতীতভাৱে উত্থাপন হৈছে।
ন্যায়াধীশগৰাকীৰ মতে, তদন্তৰ বাবে গোচৰ ৰুজু কৰিব লাগিব যাতে সত্য পোহৰলৈ আহিব পাৰে। উল্লেখ্য যে ৰাজধানীৰ যমুনা বিহাৰ অঞ্চলৰ বাসিন্দা মহম্মদ ইলিয়াছে কপিলৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছিল যদিও দিল্লী আৰক্ষীয়ে দাবী কৰিছিল যে উত্তৰ-পূব দিল্লীত সংঘটিত হিংসাত্মক ঘটনাত কপিল মিশ্ৰাৰ কোনো ভূমিকা নাই। কিন্তু আৰক্ষীৰ দাবীক প্ৰত্যাহ্বান জনাই আদলতৰ দাৰস্থ হয় ইলিয়াছ। ইয়াৰ পিছতে আদালতে বিষয়টো পৰীক্ষা কৰি স্পষ্টকৈ উল্লেখ কৰে যে আৰক্ষীৰ প্ৰতিবেদন পৰ্যাপ্ত নহয় আৰু কপিলৰ বিৰুদ্ধে উচিত তদন্তৰ প্ৰয়োজন।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# লুঙী-ধূতিৰ নামত ঘোচ লয় কংগ্ৰেছে

বিশ্ব শৰ্মাই মহিলা উদ্যমিতা আঁচনি শুভ উদ্বোধন কৰে। প্ৰায় ২৭ লাখ মহিলাক স্বাৱলম্বী কৰিবলৈ আজি বিত্তীয় সাহায্য প্ৰদান আৰম্ভ হয়। আত্মসহায়ক গোটৰ সদস্য মহিলাক প্ৰথম বছৰত ১০ হাজাৰ টকাকৈ প্ৰদান কৰে। ইয়াৰ পিছতে ২৫ হাজাৰ টকা দিয়া হ'ব। ২৫ হাজাৰৰ ১২,৫০০ টকা চৰকাৰী সাহায্য হ'ব, যাক ঘূৰাই দিব নালাগে। ১২,৫০০ টকা হ'ব বেংকৰ ঋণ যাক সুদ অবহিনে ঘূৰাই দিব লাগিব। অন্তিম বছৰত ৫০ হাজাৰ টকা দিয়া হ'ব বেংক ঋণ হিচাপে। মুখ্যমন্ত্ৰীয়ে আজি আঁচনি উদ্বোধন কৰি মহিলাসকলক উদ্দেশ্যে কয় যে চেক লৈ মোবাইল কিনিবলৈ নাযাব। মোবাইল কিনিলে সোণৰ কণী পৰা হাঁহটো মৰি থাকিব। হাঁহটোৰ পৰা সোণৰ কণী নাপাম। এই ১০ হাজাৰ টকাই দুটা কণী পাৰিব। এটা কণী ২৫ হাজাৰ টকাৰ আৰু আনটো ৫০ হাজাৰ টকা। লগতে মুখ্যমন্ত্ৰীয়ে কয় যে আমি ১০ হাজাৰ টকা দিম। অহা এবছৰৰ বাবে টকাখিনি ভাল কামত ব্যৱহাৰ কৰক। আমি পৰীক্ষা কৰিম, যিসকলে এই টকাৰ সৎ ব্যৱহাৰ কৰিছে তেওঁলোকক পুনৰ ২৫ হাজাৰ টকা দিম। ইয়াৰে ১২,৫০০ টকা চৰকাৰে দিব আৰু ১২,৫০০ টকা বেংক ঋণ হ'ব। চৰকাৰে দিয়া ১২,৫০০ টকা ঘূৰাই দিব নালাগে। বেংকে দিয়া ১২,৫০০ টকা ঘূৰাব লাগিব, কিন্তু এটকাও সুদ দিব নালাগে। ২৫ হাজাৰ টকা ভাল ব্যৱহাৰ কৰাসকলক আমি আৰু ৫০ হাজাৰ টকা দিম। তিনিটাতকৈ অধিক সন্তান থকা লোকে মহিলা উদ্যমিতাৰ চেক নাপায়। জনজাতি আৰু বাগিচাত ৪টা সন্তান থকালৈকে ৰেহাই দিয়া হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিহালীৰ পৰাই আন কেইবাটাও ঘোষণা কৰে। মেট্ৰিক পৰীক্ষাৰ্থীক আৰ্থিক সাহায্য দিয়াৰ ঘোষণা কৰে। মেট্ৰিকৰ শিক্ষাৰ্থীক প্ৰতি মাহে একাউণ্টত ৩০০ টকাকৈ দিয়াৰ ঘোষণা কৰে। টিউচন মাচুলৰ বাবে বেংক একাউণ্ট যোগে ৩০০ টকাকৈ লাভ কৰিব। আনহাতে আজি মুখ্যমন্ত্ৰীগৰাকীয়ে অৱসৰ গ্ৰহণ কৰা সন্মানীয় আশা কৰ্মীক ২ লাখ টকাকৈ এককালীন বিত্তীয় সাহায্য বিতৰণ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ প্ৰতিখন গাঁৱক স্বাস্থ্যসন্মত গাঁও হিচাপে গঢ়িব বিচাৰো। আজিৰ পৰা অসমৰ প্ৰতি গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত, ভিচিডিচিত বিনামূলীয়া স্বাস্থ্য শিবিৰ আৰম্ভ কৰিছো। জনসাধাৰণৰ স্বাস্থ্য পৰীক্ষা কৰা, সন্তুলিত ডায়েটৰ পৰামৰ্শ প্ৰদান আৰু স্বাস্থ্যসন্মত জীৱনশৈলী বৰ্তাই ৰখাত মাৰ্গ দৰ্শন আগবঢ়োৱা হ'ব। এই উপলক্ষত ১০ গৰাকী সেৱাৰ পৰা অৱসৰ গ্ৰহণ কৰা আশা কৰ্মীক ২ লাখ টকাকৈ এককালীন বিত্তীয় সাহায্য প্ৰদান কৰা হয়। কৃষকৰ ধান ক্ৰয়ৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ২৫৫০ টকাৰ পৰিৱৰ্তে ২৬০০ টকাত ধান কিনাৰ ঘোষণা কৰে। কৃষকক খেতিৰ মাটি পেলাই নথ'বলৈ কৈ চাহ পাততকৈ ধানত বেছি লাভ পাব বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছক একেবাৰে গাঁতত সোমাই দিব লাগে বুলি মন্তব্য প্ৰদান কৰি কংগ্ৰেছক তীব্ৰ আক্ৰমণ কৰি কয় যে কংগ্ৰেছৰ দিনত অংগনৱাড়ীৰ চাকৰিৰ বাবেও ঘোচ দিব লাগিছিল। কংগ্ৰেছে পইচা নিদিয়ে বুলি কৈছিল বুলি কৈ মুখ্যমন্ত্ৰীয়ে কয় যে আজি কংগ্ৰেছীবোৰ গাঁতৰ ভিতৰত। কংগ্ৰেছৰ দিনত চাকৰিৰ দিনত ১০-২০ লাখ ঘোচ লৈছিল। লুঙি-ধূতিৰ নামতো ঘোচ লৈছিল কংগ্ৰেছ দলৰ চৰকাৰে। ৩ বছৰত ৰাজ্য চৰকাৰে প্ৰায় ২৭ লাখ মহিলাক তিনিটা কিস্তিত ৮৫ হাজাৰ টকা সাহায্য প্ৰদান কৰিব আজি ইয়াৰে প্ৰথমটো কিস্তি ১০ হাজাৰ টকা প্ৰদানৰ উদ্বোধন কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। আজিৰ সভাত মন্ত্ৰী ৰণজিত্ দাস, অশোক সিংঘাল উপস্থিত থাকে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কামৰূপত ৫৩৪ কোটি ৰাজহ সংগ্ৰহেৰে

সৰ্বকালৰ সৰ্বাধিক ৫৩৪ কোটিৰো অধিক টকাৰ যান-বাহনৰ অভিলেখ সংখ্যক ৰাজহ সংগ্ৰহ কৰি পৰিবহণ বিভাগৰ ইতিহাসত নজিৰ সৃষ্টি কৰে। কাৰ্যালয়টোৱে যোৱা ২০২৩-২৪ বিত্তীয় বৰ্ষত সংগ্ৰহ কৰা ৰাজহৰ পৰিমাণ আছিল ৪৭০,২৫,৬০,১৪৩ টকা। ইয়াৰ বিপৰীতে কাৰ্যালয়টোৱে এইবাৰ ৰাজ্যৰ ৰাজকোষলৈ পূৰ্বতকৈ ৬৪ কোটিৰো অধিক অৰ্থাৎ ৫৩৪ কোটি, ৬৮ লাখ, ১৭ হাজাৰ, ৩৯৭ (৫৩৪,৬৮,১৭,৩৯৭) টকাৰ ৰাজহ সংগ্ৰহৰ উল্লেখনীয় বৰঙনি আগবঢ়াবলৈ সক্ষম হৈছে। উল্লেখ্য যে ৰাজ্যৰ পৰিবহণ বিভাগৰ বিশেষ কতৰ্ব্যৰত বিষয়া আৰু কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত দায়িত্বৰাহী জিলা পৰিবহণ বিষয়া গৌতম দাসৰ অধীনৰ পঞ্জীয়ন আৰু অনুজ্ঞাপত্ৰ শাখাৰ কাৰ্যালয়ে এই বিত্তীয় বৰ্ষত ৫০০,৭৮,০৩,২৫৯ কোটি টকাৰ সৰ্বাধিকসংখ্যক ৰাজহ সংগ্ৰহ কৰে। একেদৰে জিলা পৰিবহণ বিষয়া হিমাংশু কুমাৰ দাসৰ অধীনৰ প্ৰৱৰ্তক শাখাই জৰিমণা আকাৰে ৩১,৮৩,২৫,৮৩৮ কোটি টকাৰ সৰ্বাধিকসংখ্যক ৰাজহ সংগ্ৰহ কৰাৰ লগতে বিভাগটোৰ অন্যতম পৰিবহণ বিষয়া তামচিন আফতাবৰ অধীনৰ আঞ্চলিক পৰিবহণ প্ৰাধিকাৰী কাৰ্যালয়েও ২,০৬,৮৮,৩০০ কোটি টকাৰ সৰ্বাধিক ৰাজহ সংগ্ৰহ কৰি এই বৰ্ষত পূৰ্বৰ সকলো বিত্তীয় বৰ্ষৰ অভিলেখ ভংগ কৰি বিভাগটোৱে সৰ্বাধিক পৰিমাণৰ ৰাজহ সংগ্ৰহ কৰে। মহানগৰ জিলা পৰিবহণ বিভাগৰ এই আটাইকেইটা কাৰ্যালয়ে সৰ্বাধিকসংখ্যক ৰাজহ সংগ্ৰহ কৰি পৰিবহণ বিভাগৰ ইতিহাসত নজিৰ সৃষ্টি কৰা কাৰ্যত বিভাগৰ বিষয়া কৰ্মীসকল স্বাভাৱিকতেই উৎফুল্লিত হৈ পৰে আৰু পৰিবহণৰ উচ্চপদস্থ বিষয়া গৌতম দাসক অভিনন্দন জনায়। পৰিবহণ বিষয়াগৰাকীয়ে ৰাজহ সংগ্ৰহৰ এই সফলতাৰ বাবে বিভাগৰ বিষয়া-কৰ্মী, বিশেষকৈ দিন-ৰাতি একাকাৰ কৰি অবিৰতভাৱে যান-বাহনৰ গৰাকীক সময়মতে কৰ আদায় দিয়াৰ ক্ষেত্ৰত সজাগ-সচেতন কৰি তোলা প্ৰৱৰ্তক পৰিদৰ্শকৰ দল, সংবাদ মাধ্যমৰ লগতে যান-বাহনৰ নথি-পত্ৰ নৱীকৰণেৰে সুৰক্ষিত যাতায়াতৰ প্ৰতি দায়বদ্ধ বাহনৰ গৰাকীলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। লগতে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দুৰ্ঘটনামুক্ত অসমৰ সপোন বাস্তৱায়িত কৰাৰ বাবে সকলো শ্ৰেণীৰ বাহনৰ গৰাকীলৈ আহ্বান জনায়। এই অভিযান চলি থাকিব বুলি জিলা পৰিবহণ বিভাগে জানিবলৈ দিয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিয়াৰ নামত প্ৰৱঞ্চনা! গ্ৰেপ্তাৰ দীপজ্যোতি

লোকক প্ৰৱঞ্চনাৰ গোচৰত গ্ৰেপ্তাৰ কৰিছে। গীতানগৰৰ পৰা দীপজ্যোতি বৰা নামৰ কুখ্যাত প্ৰৱঞ্চকজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। প্ৰৱঞ্চক দীপজ্যোতি বৰা ওৰফে বিতুৰ ঘৰ ডিব্ৰুগড়ৰ লাহোৱালত বুলি জানিব পৰা গৈছে। ডিব্ৰুগড়ৰ লাহোৱালৰ বাসিন্দা বৰাই প্ৰায় ১০ গৰাকী মহিলাক প্ৰতাৰণা কৰাৰ অভিযোগ উত্থাপন হৈ আহিছিল বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। আৰক্ষীয়ে প্ৰায় ১০ গৰাকী বিবাহ বিচ্ছেদ কৰা মহিলাক কেইবালাখ টকা প্ৰৱঞ্চনা কৰাৰ তথ্য লাভ কৰিছিল। তাৰ পিছতে তদন্ত আৰম্ভ কৰি চোৰাংচোৱাৰ তথ্যৰ ভিত্তিত ভড়াগড় আৰক্ষীয়ে বৰাক গ্ৰেপ্তাৰ কৰি চাৰিটা মোবাইল ফোন জব্দ কৰে। আৰক্ষীয়ে এ এছ-০১-এফ কে-৩২৩৭ নম্বৰৰ এখন আলকাজাৰ বাহনো জব্দ কৰে। প্ৰৱঞ্চনামূলক কাণ্ড সংঘটিত কৰিবলৈ প্ৰৱঞ্চক দীপজ্যোতি বৰাই 'বিতু' ছদ্ম নাম লৈছিল। প্ৰাথমিক লক্ষ্য আছিল বিবাহ বিচ্ছেদ হোৱা মহিলাসকল। তেনে মহিলাক প্ৰলোভন দেখুৱায়। এজন ভুক্তভোগীয়ে বৰাৰ প্ৰৱঞ্চনাত ২২ লাখ টকা হেৰুৱায়। একে ধৰণৰ কৌশল ব্যৱহাৰ কৰি প্ৰায় ১০ ৰ পৰা ১২ গৰাকী মহিলাক লগ কৰিছিল। উপ-আৰক্ষী আয়ুক্ত মৃণাল ডেকাই কয় যে ২০২৪ চনত এগৰাকী মহিলাই ভঙাগড় থানাত দীপজ্যোতিৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছিল। এজাহাৰৰ ভিত্তিত ১৩৪/২৪ নম্বৰত এটি গোচৰ ৰুজু কৰা হৈছিল। এই গোচৰৰ তদন্ত কৰি গীতানগৰৰ পৰা গ্ৰেপ্তাৰ কৰা হয়। চাৰে তিনি বছৰ ধৰি দীপজ্যোতিয়ে গুৱাহাটীত থাকি প্ৰৱঞ্চনাৰ জাল পেলাইছিল। বিবাহ বিচ্ছেদ হোৱা ধনৱান মহিলাক প্ৰৱঞ্চনা কৰিছিল। প্ৰায় ১০ গৰাকী মহিলাক প্ৰৱঞ্চনা কৰি বৰ্তমানলৈ প্ৰায় ৫০ লাখ টকা লুটিছে দীপজ্যোতিয়ে। এগৰাকী মহিলাৰ পৰা ১৬ লাখ টকা প্ৰৱঞ্চনা কৰিছিল। দীপজ্যোতি বিবাহিত যদিও ভুৱা বিবাহ বিচ্ছেদৰ প্ৰমাণ-পত্ৰ দেখুৱাই অ'এনজিচিত চাকৰি কৰা বুলি বিবাহ বিচ্ছেদ হোৱা মহিলাসকলক জালত পেলাইছিল। গুৱাহাটীৰ তিনিটা স্থানত দীপজ্যোতিৰ ভাৰাঘৰ আছে। বন্ধুৰ বিলাসী বাহন লৈ প্ৰেমৰ জালত পেলাইছিল মহিলাক।



হেলমেট নোহোৱাৰ অজুহাতত বাইক আৰোহীৰ পৰা উৎকোচ গ্ৰহণ কনিষ্টবল সঞ্জয় কলিতাৰ, ফটোঃ ই-সংবাদ, কলগাছিয়া

## অৰুণোদয় আঁচনিৰ পৰা বঞ্চিত মহিলাৰ ৰুদ্ৰমূৰ্তি

# গোলকগঞ্জৰ বিধায়ক ছোৱাহানক পহুখেদা

**ই-সংবাদ, গোলকগঞ্জ, ১ এপ্ৰিলঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ সমষ্টিৰ বিধায়ক আব্দুছ ছোৱাহান আলী সৰকাৰ আজি দুপৰীয়া ভাঙাডুলি গাঁৱৰ এটা কবৰস্থানৰ চৌহদৰ আধাৰশিলা স্থাপন কৰিব গৈ পহুখেদা খোৱা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। অভিযোগ মতে, গাঁওখনৰ উন্নয়নমূলক কোনো কামতে গুৰুত্ব নিদিয়ে স্থানীয় বিধায়ক আব্দুছ ছোৱাহানে। গংগাধৰ নদীৰ গৰাখহনীয়াত ৭ পৃষ্ঠাত

# গঁড় হত্যাৰ বাবে ৰকিবুলৰ সমানেই দায়ী প্ৰদ্যুৎ বৰদলৈঃ পীযুষ

## প্ৰদ্যুৎ বৰদলৈক ব্যৰ্থ মন্ত্ৰী-বিধায়ক আখ্যা মন্ত্ৰী পীযুষৰ

**ই-সংবাদ, ১ এপ্ৰিলঃ** গঁড় হত্যাৰ বাবে ৰকিবুল হুছেইন যিমান দায়ী, সিমানেই দায়ী সাংসদ প্ৰদ্যুত্ বৰদলৈ। মঙলবাৰে এই অভিযোগ উত্থাপন কৰে মন্ত্ৰী পীযুষ হাজৰিকাই। জাগী ভকতগাঁও মণ্ডল কাৰ্যালয়ত অনুষ্ঠিত এক যোগদান কাৰ্যসূচীৰ অন্তত সংবাদ মাধ্যমৰ সন্মুখত মন্ত্ৰীগৰাকীয়ে এইদৰে মন্তব্য কৰে। নগাঁও লোকসভা সমষ্টিৰ অন্তৰ্গত মণ্ডলটোত অনুষ্ঠিত এই কাৰ্যসূচীত অংশ লৈ পীযুষ হাজৰিকাৰ মন্তব্য 'গঁড় হত্যা আপুনি ৰোধ কৰিব পৰা নাছিল। আপোনাৰ বিৰুদ্ধে প্ৰসন্ন তুৰুঙৰ হত্যাৰ শেষাংশ ৯ পৃষ্ঠাত

# ৰাভা হাছঙৰ ভোট গ্ৰহণৰ বাবে সাজু প্ৰশাসন, প্ৰিজাইডিং-পোলিং বিষয়া ৰাওনা

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ১ এপ্ৰিলঃ** ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ কামৰূপ জিলাৰ অন্তৰ্গত ১৪ টা পৰিষদীয় সমষ্টিৰ বাবে কাইলৈ অৰ্থাৎ ২ এপ্ৰিলত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। জিলাখনৰ অন্তৰ্গত মুঠ ১৬টা পৰিষদীয় সমষ্টিৰ দুটাত ইতিমধ্যে শেষাংশ ৮ পৃষ্ঠাত

# সোণোৱাল-কছাৰী ছাত্ৰ সন্থাৰ ৩ নেতাৰ বিৰুদ্ধে ভুক্তভোগী মহিলাৰ এজাহাৰ

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১ এপ্ৰিলঃ** তিনিচুকীয়া জিলাৰ ৰূপাই চাইডিঙস্থিত ডাঃ ডি. চি. বৰা নাৰ্চিং হোমত হোৱা ভুল চিকিৎসাত যোৱা ২৬ জানুৱাৰীত অকাল মৃত্যুক আঁকোৱালি লোৱা কাকপথাৰ ডিৰাক চুমনি গাঁৱৰ ৰমেন শইকীয়াৰ পত্নী দীপামণি গগৈ শইকীয়াই সদৌ অসম সোণোৱাল-কছাৰী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি শেষাংশ ৯ পৃষ্ঠাত

# প্ৰতিমাহত মাছমৰীয়াক ১৫ হাজাৰকৈ দিয়াৰ আৰ্জি মুখ্যমন্ত্ৰীক

**ই-সংবাদ, ১ এপ্ৰিলঃ** আগন্তুক তিনিমাহলৈ মৎস্য চিকাৰ নকৰিবলৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কৰা আহ্বানক আদৰণি জনাইছে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে। লগতে আগন্তুক তিনিমাহত অনুসূচিত জাতিৰ থলুৱা মৎস্যোপজীৱীসকলক প্ৰতিমাহে কমেও ১৫ হাজাৰ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰিবলৈ শেষাংশ ৭ পৃষ্ঠাত

# বাইক আৰোহীৰ পৰা উৎকোচ লৈ নিলম্বিত আৰক্ষী

**ই-সংবাদ, কলগাছিয়া, ১ এপ্ৰিলঃ** বৰপেটা জিলাৰ সদৰ থানাৰ অন্তৰ্গত ছনপুৰাত সোমবাৰে পৱিত্ৰ ঈদৰ দিনাই এগৰাকী বাইক আৰোহীৰ পৰা হেলমেট নথকাৰ অজুহাতত অবৈধভাৱে দুশ টকা উৎকোচ লৈ সামাজিক মাধ্যমত ভাইৰেল হৈ পৰাত নিলম্বিত হ'ল সঞ্জয় কলিতা নামৰ এজন আৰক্ষী জোৱান। বৰপেটা ডি ই এফৰ এ বি কনিষ্টবল ৫৯১- সঞ্জয় কলিতা উৎকোচ শেষাংশ ৭ পৃষ্ঠাত

# ধ্বংসস্তূপত পৰিণত ম্যানমাৰ-থাইলেণ্ড, গুৱাহাটীত প্ৰাৰ্থনা

**ই-সংবাদ, ১ এপ্ৰিলঃ** ম্যানমাৰ আৰু থাইলেণ্ডত ২৮ মাৰ্চত ৭.৭ প্ৰাবল্যৰ শক্তিশালী ভূমিকম্পৰ ফলত মৃত্যুৰ সংখ্যা ৩ হাজাৰৰ ওচৰ চাপিছে। হঠাতে ৭.৭ প্ৰাবল্যৰ শক্তিশালী ভূমিকম্পই ধ্বংসযজ্ঞ চলোৱাত লাখ লাখ লোকে আৰ্তনাদ কৰি সময় অতিবাহিত কৰিছে। দীৰ্ঘসময় ধৰি গৃহযুদ্ধ আৰু অৰ্থনৈতিক অস্থিৰতাত ভুগি থকা ম্যানমাৰ আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে। ২৭০০ৰো অধিক লোক শেষাংশ ৮ পৃষ্ঠাত

# 'অস্তিত্ব ৰক্ষাৰ বাবে আন্দোলনৰ বিকল্প চিন্তা কৰি লাভ নাই'

**ই-সংবাদ, ১ এপ্ৰিলঃ** জনগোষ্ঠীৰ অস্তিত্ব ৰক্ষাৰ বাবে আন্দোলনৰ বাহিৰে আহোমে অন্য চিন্তা কৰি লাভ নাই। এই সিদ্ধান্ত সদৌ টাই আহোম ছাত্ৰ সন্হা(আটাছু)ৰ। আহোম জনগোষ্ঠীৰ একমাত্ৰ শক্তিশালী ছাত্ৰ সংগঠন সদৌ টাই আহোম ছাত্ৰ সন্থা(আটাছু) কেন্দ্ৰীয় সমিতিৰ এখন কাৰ্যনিৰ্বাহক সভা ৩০ মাৰ্চত ডিব্ৰুগড় হোটেল "লিট'ল পেলেচ"ত অনুষ্ঠিত হয়। আটাছুৰ সভাপতি মিলন বুঢ়াগোহাঁইৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত সন্থাৰ উপদেষ্টা অনিল গগৈকে ধৰি সমুহ কাৰ্যনিৰ্বাহক সদস্য উপস্থিত থাকে। সভাত টাই আহোম জনগোষ্ঠীৰ জনজাতি কৰণ আৰু স্বায়ত্ব শাসন, বিদ্যালয় সমূহত টাই ভাষাৰ শিক্ষক নিযুক্তি, ঐতিহাসিক শেষাংশ ৮ পৃষ্ঠাত

**ডিব্ৰুগড়ত আটাচুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা**

**অৰুণাচলত বাস কৰা আহোমসকলকো ৰাজ্যখনৰ স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ দিয়াৰ দাবী**

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# প্ৰতিমাহত মাছমৰীয়াক ১৫ হাজাৰকৈ

অনুৰোধ জনাইছে অনুসূচিত জাতি সংগ্ৰামী যুব পৰিষদে। মৎস্য চিকাৰ নিষিদ্ধ কৰা তিনিমাহত যাতে মাছমৰীয়াসকলে পৰিয়াল চলোৱাত বিপদত নপৰে তাৰ বাবে এই তিনিমাহত এককালীন আৰ্থিক সাহায্য প্ৰদানৰ আহ্বান জনাইছে চৰকাৰক। তিনিমাহৰ বাবে প্ৰতিমাহত কমেও ১৫ হাজাৰ টকাকৈ এককালীন সাহায্য প্ৰদানৰ আহ্বান জনাইছে সংগঠনটোৱে। আজি সংগঠনটোৰ সভাপতি সঞ্জীৱ দাসে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু সামাজিক ন্যায় সবলীকৰণ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাক পৃথকে পৃথকে স্মাৰক-পত্ৰ প্ৰেৰণ কৰি তিনিমাহৰ বাবে প্ৰতি মাহে ১৫ হাজাৰ টকাকৈ প্ৰতিজন অনুসূচিত জাতিৰ মাছমৰীয়াক এককালীন সাহায্য দিয়াৰ আহ্বান জনাইছে। মুখ্যমন্ত্ৰী ড০ শৰ্মা আৰু সামাজিক ন্যায় সবলীকৰণ বিভাগৰ মন্ত্ৰী হাজৰিকালৈ পৃথকে পৃথকে স্মাৰক-পত্ৰ প্ৰেৰণ কৰি সংগঠনটোৱে কয় যে মুখ্যমন্ত্ৰীয়ে ১ এপ্ৰিলৰ পৰা ১৫ জুলাইলৈ তিনিমাহ মৎস্য চিকাৰ নকৰিবলৈ মৎস্যোপজীৱীসকলক জনোৱা আহ্বানক আমি আদৰণি জনাইছোঁ। ঘন জালেৰে মাছ নধৰিবলৈ কোৱা হৈছে। এয়া এক অতি গুৰুত্বপূৰ্ণ আহ্বান। এই আহ্বান অসমৰ সকলোকে পালন কৰিবলৈ সংগঠনটোৱে অনুৰোধ জনাইছে। মুখ্যমন্ত্ৰীক উদ্দেশ্যি সংগঠনটোৱে কয় যে আজিও বহু অনুসূচিত জাতিৰ লোকে মৎস্য চিকাৰ কৰিয়েই জীৱন নিৰ্বাহ কৰি আহিছে। প্ৰতিখন চৰকাৰে ব'হাগৰ সময়ছোৱাত বৰষুণ আৰম্ভ হোৱাৰ পিছতে মৎস্য চিকাৰ নকৰিবলৈ মৎস্যোপজীৱীৰ বিৰুদ্ধে কঠোৰ নিৰ্দেশনা দিয়ে। ফলত চৰকাৰৰ মীন বিভাগৰ লোক, প্ৰশাসন আৰু আৰক্ষীৰ সৈতে একাংশ মৎস্যজীৱীৰ মাজত সংঘাত হয়। তাৰ কাৰণ হৈছে আজিও বহু অনুসূচিত জাতিৰ লোকৰ উপাৰ্জনৰ অন্য সম্বল নাই। সেয়েহে মৎস্যোপজীৱীসকলে ভাবে যে মৎস্য চিকাৰ নকৰিলে পৰিয়াল পোহপাল দিব নোৱাৰিম। সেয়েহে তিনি মাহ মৎস্যোপজীৱীসকলে যাতে হাতত জাল ল'বলগীয়া নহয় তাৰ বাবে চৰকাৰে এক ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। ৰাজ্য চৰকাৰে মীন বিভাগৰ জৰিয়তে এই তিনিমাহত ৰাজ্যৰ থলুৱা মাছমৰীয়াসকলক মাহেকত কমেও ১৫ হাজাৰ টকাকৈ এককালীন আৰ্থিক সাহায্য দিয়াৰ ব্যৱস্থা কৰক। এককালীন অৰ্থ সাহায্য দিলে মাছমৰীয়াসকলে কেতিয়াও সংঘাতত লিপ্ত হ'ব নালাগিব আৰু পৰিয়াল পোহপাল দিবলৈ মৎস্য চিকাৰ কৰিবলৈ যোৱাৰ প্ৰয়োজন নাথাকিব। দৰিদ্ৰ থলুৱা মৎস্যোপজীৱীসকলক কমেও ১৫ হাজাৰ টকাকৈ এককালীন আৰ্থিক সাহায্য দিয়াৰ অনুৰোধ জনাই সংগঠনটোৰ সভাপতি দাসে এই আহ্বানৰ প্ৰতি চৰকাৰক বিবেচনা কৰিবলৈ কয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বাইক আৰোহীৰ পৰা উৎকোচ লৈ

লোৱাৰ অপৰাধত নিলম্বিত হোৱাত চাঞ্চল্যৰ সৃষ্টি হৈছে। বৰপেটা জিলা আৰক্ষীৰ ঊৰ্ধতম কৰ্তৃপক্ষই কনিষ্টবলগৰাকীক নিলম্বন কৰাত ধন্যবাদ জনাইছে ৰাইজে। সম্প্ৰতি নিলম্বিত আৰক্ষীৰ বিৰুদ্ধে আইনী প্ৰক্ৰিয়া অব্যাহত আছে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, কলগাছিয়াৰ ছনপুৰাত বৰপেটাৰ পৰা কলগাছিয়া লৈ গৈ থকা এজন বাইক আৰোহীক হেলমেট নথকা বুলি আগচি ধৰি বাইক ৰখাই আৰোহীৰ পৰা আৰক্ষী কনিষ্টবলজনে অবৈধভাৱে দুশ টকা উৎকোচ সংগ্ৰহ কৰে। লগে লগে উৎকোচ লোৱা দৃশ্য ভাইৰেল হৈ পৰে সামাজিক মাধ্যমত। আৰক্ষী সঞ্জয় কলিতাই টকাৰ ৰচিদ নিদিয়াকৈ ঘটনাস্থলীৰ পৰা গুচি যোৱা ঘটনাটোৱে ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সম্প্ৰতি সঞ্জয় কলিতাক তৎক্ষণাৎ নিলম্বন কৰাত বৰপেটা জিলা আৰক্ষীৰ ৰাইজে প্ৰশংসা কৰিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# গোলকগঞ্জৰ বিধায়ক ছোৱাহানক

জৰ্জৰিত গাঁওখনৰ খবৰ লোৱাৰ আহৰি নাই বিধায়কগৰাকীৰ। খৰালিৰ দিনত পথেৰে যাতায়াত কৰা সমস্যা। বাৰিষাত ঘৰৰ পৰা ওলোৱাই টান হৈ পৰে। সংখ্যালঘু অধ্যুষিত অঞ্চলটোৰ ৰাইজ বহু আশা কৰি কংগ্ৰেছৰ আব্দুছ ছোৱাহানক বিধায়ক হিচাপে জয়ী কৰে যদিও বিধায়ক হিচাপে জয়লাভ কৰি গাঁওসমূহৰ উন্নয়নত পিঠি দিয়াত সকলোতে ক্ষোভৰ অগনি জ্বলি আছে। শেহতীয়াকৈ অৰুণোদয় আঁচনিত গাঁওখনৰ যোগ্য হিতাধিকাৰীক বঞ্চিত কৰি স্বচ্ছল ধনী মহিলাৰ নাম অন্তৰ্ভুক্ত কৰাত একাংশ মহিলা অসন্তুষ্ট হৈ পৰে। বিধায়কৰ ঘৰত গৈও বহুতে অভব্য আচৰণৰ সন্মুখীন হয়। বিধায়কৰ একাংশ দালালে ধন সংগ্ৰহ কৰা বুলিও মহিলাসকল ক্ষুব্ধ হৈ আছিল। আজি দুপৰীয়া গাঁওখনৰ এটা কবৰস্থানৰ চৌহদৰ আধাৰশিলা স্থাপন কৰিবলৈ বিধায়কগৰাকী সাংগোপাংগোসহ উপস্থিত হয়। এই উদ্দেশ্যে এখন সভা আয়োজন কৰে। সভা আৰম্ভ হোৱাৰ লগে লগে ক্ষুব্ধ মহিলাসকল উপস্থিত হৈ অৰুণোদয় আঁচনিত যোগ্য হিতাধিকাৰীক বঞ্চিত কৰি কিয় ধনী মহিলাক অন্তৰ্ভুক্ত কৰা হ'ল বুলি বিধায়কজনক জবাবদিহি কৰে। প্ৰশ্নৰ যথাযথ উত্তৰ দিব নোৱাৰাত মহিলাসকল অধিক ক্ষুব্ধ হৈ পৰে। মহিলাৰ উগ্ৰমূৰ্তিত থৰকাছুটি হেৰুৱাই সাংগোপাংগোসহ বিধায়ক আব্দুছ ছোৱাহানে উক্ত স্থান ত্যাগ কৰিবলৈ বাধ্য হয়। পঞ্চায়ত নিৰ্বাচনৰ আগমুহূৰ্তত কংগ্ৰেছৰ ঘাটি হিচাপে পৰিচিত ভাঙাডুলিত কংগ্ৰেছ বিধায়কৰ পদুখেদাই যথেষ্ট তাৎপৰ্য বহন কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দিলোৱাৰৰ ভাতৃ তৈয়বুৰক গ্ৰেপ্তাৰ!

মুকলি আকাশৰ তলত। কিন্তু তাৰ পাছতো মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ইটাৰ পাছত সিটোকৈ দিলোৱাৰ হুছেইন মজুমদাৰ সন্দৰ্ভত বিতৰ্কিত মন্তব্য কৰি গৈছে। দিলোৱাৰ হুছেইন মজুমদাৰ দুটাকৈ ভুৱা গোচৰৰ সন্মুখীন হৈ জে'ললৈ যাবলগীয়া হৈছিল বুলি চৰ্চিত হৈ থকাৰ সময়তে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৰা মন্তব্যবোৰে এনে চৰ্চা বা সন্দেহ অধিক ঘনীভূত কৰি তুলিছে। ইয়াৰ মাজতে পবিত্ৰ ঈদৰ উচাহ মাৰ নাযাওঁতেই দিলোৱাৰ হুছেইন মজুমদাৰৰ জ্যেষ্ঠ ভাতৃক আটক কৰে আৰক্ষীয়ে। হোজাই আৰক্ষীয়ে আটক কৰিছে দিলোৱাৰৰ জ্যেষ্ঠ ভাতৃ তৈয়বুৰ ৰহমান মজুমদাৰক। কিন্তু কি কাৰণত তেওঁক গ্ৰেপ্তাৰ কৰা হৈছে, সেই কথা এতিয়াও আৰক্ষীয়ে জনোৱা নাই পৰিয়ালৰ লোকক। কিন্তু আৰক্ষীৰ পৰিৱৰ্তে সৰৱ হৈ পৰিছে মুখ্যমন্ত্ৰী। মুখ্যমন্ত্ৰীৰ মতে, দিলোৱাৰৰ পৰিয়ালটোক মাটিৰ দালাল বুলি হোজাইৰ সকলোৱেই জানে ২০২১ চনত এবাৰ গ্ৰেপ্তাৰো হৈছিল দিলোৱাৰৰ জ্যেষ্ঠ ভাতৃ। পেছাত এগৰাকী শিক্ষক তৈয়বুৰ ৰহমান মজুমদাৰে সেই গোচৰত তেতিয়াই জামিন লাভ কৰিছিল। কিন্তু মুখ্যমন্ত্ৰীৰ মতে শিক্ষকৰ চাকৰিৰ পৰা বৰ্খাস্ত হ'ব লাগিছিল দিলোৱাৰৰ জ্যেষ্ঠ ভাতৃ। সাংবাদিকৰ সন্মুখত মঙলবাৰে মুখ্যমন্ত্ৰীৰ মন্তব্য, দিলোৱাৰ বোলাজনৰ ককায়েক এজন এষ্টাব্লিছড মাটিৰ দালাল। ২০২১ চনতে গ্ৰেপ্তাৰ কৰা হৈছিল আৰু ২০২১ চনতে তেওঁৰ বিৰুদ্ধে শ্বাৰ্জচীট হৈছিল। কিন্তু শ্বাৰ্জশ্বীট হোৱাৰ পিছতো তেওঁ স্কুলৰ মাষ্টৰ। চৰকাৰে তেওঁক চাচপেণ্ড নকৰিলে। তাৰমানে তেওঁলোক কিমান শিপাই শিপাই চৰকাৰৰ তলত সোমাই আছে। দিলোৱাৰো এটা ডাম্পাৰ বেপাৰী। সাংবাদিকৰতাৰ কোনো গুণ-চৰিত্ৰ একো নাই। হোজাইত গৈ সুধিব, গোটেই ঘৰখনকে মাটিৰ দালাল বুলি জানে। কিন্তু মুখ্যমন্ত্ৰীৰ এই মন্তব্যক নস্যাত্ কৰি দিলোৱাৰ হুছেইনৰ জ্যেষ্ঠ ভাতৃৰ পত্নীৰ মন্তব্য, দিলোৱাৰ হুছেইন মজুমদাৰৰ সৈতে তেওঁলোকৰ কোনো সম্পৰ্ক নাই। দুয়োটা পৰিয়ালেই পৃথকে পৃথকে বাস কৰে। চৰকাৰ আৰু আৰক্ষীয়ে বাৰে বাৰে দিলোৱাৰ আৰু তেওঁৰ আত্মীয়ক আক্ৰমণৰ লক্ষ্য কৰি লোৱা ঘটনাৰ তীব্ৰ গৰিহণা দিছে। দিলোৱাৰৰ কোনো ভুল নথকা স্বত্বেও আৰক্ষীয়ে দুটাকৈ গোচৰত গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰা কাণ্ডক উদ্দেশ্যপ্ৰণোদিত আৰু আক্ৰোশমূলক বুলি সৰ্বত্ৰ সমালোচিত হৈছিল। ইয়াৰ বিৰুদ্ধে সাংবাদিক সমাজে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিছিল। যাৰ বাবে দিলোৱাৰক বলে নোৱাৰি এতিয়া তেওঁৰ পৰিয়ালটোকেই আক্ৰমণৰ লক্ষ্য কৰা বুলি সৰ্বত্ৰ চৰ্চা চলিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ৰাভা হাছঙৰ ভোট গ্ৰহণৰ বাবে সাজু

দুগৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাই জয়ী হৈছে। কাইলৈ অনুষ্ঠিত হ'বলগীয়া এই পৰিষদীয় নিৰ্বাচনৰ বাবে আজি কামৰূপ জিলাৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ পৰা ভোটগ্ৰহণ কেন্দ্ৰত নিয়োজিত প্ৰিজাইডিং আৰু পোলিং বিষয়াসকল নিৰ্বাচনৰ যাৱতীয় সা-সামগ্ৰীসহ নিজ নিজ ভোটগ্ৰহণ কেন্দ্ৰলৈ ৰাওনা হয়। জিলাখনত সুকলমে আৰু শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ প্ৰক্ৰিয়া পৰিচালনা কৰাৰ বাবে ১,১৩৬ গৰাকী প্ৰিজাইডিং আৰু পোলিং বিষয়া নিয়োজিত কৰা হৈছে। তদুপৰি ভোটগ্ৰহণ কেন্দ্ৰৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে আৰক্ষী প্ৰশাসনৰ তৰফৰ পৰা পৰ্যাপ্ত সংখ্যক আৰক্ষী তথা নিৰাপত্তাৰক্ষী নিয়োগ কৰা হৈছে। ১৪টা ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদীয় সমষ্টিৰ বাবে মুঠ ৪৪ গৰাকী প্ৰাৰ্থী নিৰ্বাচনত অৱতীৰ্ণ হৈছে। এই সমষ্টিকেইটাৰ সৰ্বমুঠ ভোটাৰৰ সংখ্যা হ'ল ১,৬৯,২৫৯ গৰাকী। ইয়াৰে ৮২,৪৫৮ গৰাকী পুৰুষ আৰু ৮৬,৮০১ গৰাকী মহিলা। পৰিষদীয় সমষ্টিত থকা মুঠ ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা হ'ল ২০৯ টা। ইয়াৰে মুঠ ১০ টা ভোটগ্ৰহণ কেন্দ্ৰ কেৱল মহিলা প্ৰিজাইডিং-পলিং বিষয়াৰ দ্বাৰা আৰু ১ টা দিব্যাংগ প্ৰিজাইডিং-প'লিং বিষয়াৰ দ্বাৰা পৰিচালিত হ'ব। মহিলাসকলৰ দ্বাৰা পৰিচালিত ভোটগ্ৰহণ কেন্দ্ৰৰ ভিতৰত ২ টা হৈছে আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ। কাইলৈ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোট গ্ৰহণ হ'ব। কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই এই নিৰ্বাচন মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাত সকলোৰে সহযোগ কামনা কৰাৰ লগতে জিলাখনৰ প্ৰতিগৰাকী ভোটাৰকে তেওঁলোকৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰি নিৰ্বাচন প্ৰক্ৰিয়া সফল কৰি তুলিবলৈ আহ্বান জনাইছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# 'অস্তিত্ব ৰক্ষাৰ বাবে আন্দোলনৰ বিকল্প

কৃতিচিহ্ন সমূহৰ সৌন্দৰ্যবৰ্ধন আৰু বিজ্ঞানসন্মত ভাৱে সংৰক্ষণ, অৰুণাচল প্ৰদেশত বসবাস কৰা টাই আহোম জনগোষ্ঠীৰ লোকসকলক অৰুণাচল চৰকাৰে স্থায়ী বাসিন্দাৰ প্ৰদান কৰা আৰু বানৰ কবলত পৰি শদিয়াৰ পৰা উঠি আহি ডুমডুমাৰ কৰ্দৈগুৰিত বহু বছৰৰ পৰা অস্থায়ীভাৱে বসবাস কৰি থকা ২৭ টা পৰিয়ালক ভূমি প্ৰদান কৰাৰ দাবী সন্দৰ্ভত বিতংভাৱে আলোচনা কৰি প্ৰতিজন কাৰ্যনিৰ্বাহকে স্পষ্ট মতামত ব্যক্ত কৰি চৰকাৰক কঠোৰ সমালোচনা কৰে। সভাত আটাছুৰ সভাপতি মিলন বুঢ়াগোহাঁইয়ে কয় যে টাই আহোম জনগোষ্ঠীৰ উপৰোক্ত দাবী সমূহ যদি পূৰণ কৰা নহয় জনগোষ্ঠীটোৰ অস্তিত্ব নিঃশেষ হৈ যাব, ৰাজনৈতিক ভাৱে যিটো জনগোষ্ঠীয়ে অসমত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰি আছে আৰু আহিছে সেই জনগোষ্ঠীৰ আজি মন্ত্ৰীসভাত এজন মাত্ৰ মন্ত্ৰী আছে। সেইদৰে শদিয়াৰ দৰে আহোমৰ গৰিষ্ঠ সংখ্যক জনবসতি থকা সমষ্টিত আজিলৈকে এজনো আহোম জনগোষ্ঠীৰ লোকক প্ৰাৰ্থীত্ব প্ৰদান কৰা নাই বিজেপি দলটোৱে। বিগত দিনত কংগ্ৰেছ চৰকাৰেও এই দাবীসমূহক লৈ ৰাজনীতি কৰাৰ বাবে ৰাইজে বিজেপিৰ ওপৰত বিশ্বাস কৰি চৰকাৰ গঠন কৰাত সহযোগ কৰিছিল আহোম জনগণে। কিন্তু বিজেপিয়ে জনগোষ্ঠীটোক ন্যায্যপ্ৰাপ্তিৰ পৰা বঞ্চিত কৰি আজিপৰ্য্যন্ত নিজ ৰাজনৈতিক মুনাফা গ্ৰহণ কৰি আছে। গতিকে এই চৰকাৰখনৰ পৰা আটাছুৰ দাবী সমূহ পূৰণ হোৱাৰ আশা কৰি লাভ নাই সেয়েহে আহোম জনগোষ্ঠীৰ ৰাইজে এতিয়া কেৱল আন্দোলন কৰিবলৈ ওলাই আহিব লাগে, কাৰণ আন্দোলনৰ বিকল্প একোৱেই নাই বুলি মন্তব্য কৰে। ৰামদেৱৰ দৰে ধৰ্মগুৰুক শ-শ বিঘা মাটি প্ৰদান কৰা অসম চৰকাৰে ডুমডুমাৰ কাঁইটীয়া গাঁৱৰ বানে বিধ্বস্ত কৰা ২৭ টা খিলঞ্জীয়া পৰিয়ালক বছৰ বছৰ ধৰি ভূমি প্ৰদান কৰিব পৰা নাই। লজ্জাজনক ভাৱে ৰাজহ মন্ত্ৰী হৈ থকা অৱস্থাত যোগেন মহনে ৰাইজৰ মাজত প্ৰতিশ্ৰুতি দিছিল যে ১৫ দিনৰ ভিতৰত পৰিয়াল কেইটাক ভূমি প্ৰদান কৰাৰ লগতে ৯০,০০০ টকাকৈ গৃহ নিৰ্মাণৰ বাবে প্ৰদান কৰিব। কিন্তু আজিপৰ্যন্ত একো খবৰ নাই। আহোম জনগোষ্ঠীৰ নামত তেনেকুৱা মন্ত্ৰী থকাৰ বাবেই আজিলৈকে দাবীবোৰ দাবীয়েই হৈ আছে। মুঠৰ ওপৰত ৰাইজক কেৱল আন্দোলন কৰি যাবলৈ আহ্বান জনোৱাৰ লগতে আগন্তুক পঞ্চায়ত নিৰ্বাচনত মিছলীয়া চৰকাৰ আৰু জনগোষ্ঠীৰ মিছলীয়া মন্ত্ৰী-বিধায়কক এসেকা প্ৰদান কৰিবলৈ মাৰ বান্ধি থিয় হ'বলৈ আহ্বান জনাইছে আটাছুয়ে। আগন্তুক বিধানসভা নিৰ্বাচনেই শেষ সময়সীমা হ'ব আটাছুৰ লগতে আহোম জনগোষ্ঠীৰ ৰাইজৰ জনজাতিকৰণ আৰু স্বায়ত্ব শাসন প্ৰদানৰ দাবী। অন্যথা ৰাজনৈতিক ভাৱে চিন্তা কৰাৰ অন্য বিকল্প নাথাকিব আটাছুৰ। যিদৰে সহজ-সৰল টাই আহোম জনগোষ্ঠীৰ ৰাইজক লৈ বিজেপিয়ে ৰাজনীতি কৰি আহিছে সেইদৰে জনগোষ্ঠীৰ ৰাইজক লৈ এইবাৰ বিজেপিৰ লগত ৰাজনীতি কৰিবলৈ আগবাঢ়িব আটাছুয়ে। আটাছুৰ সাধাৰণ সম্পাদক ভাস্কৰজ্যোতি বৰগোহাঁইয়ে নিজ মন্তব্যত চৰকাৰৰ বিৰুদ্ধে মতামত প্ৰকাশ কৰি কয় যে জনজাতিকৰণক লৈ বিজেপিয়ে বিভাজনৰ ৰাজনীতি কৰি কৰি সংগ্ৰাম স্তিমিত কৰিব নোৱাৰি এতিয়া টাই আহোমৰ মাজৰ বংশ সমূহক লৈ ৰাজনীতি আৰম্ভ কৰিছে। বুঢ়াগোহাঁই, বৰগোহাঁই, সন্দিকৈ, লাহন আদিকে ধৰি বিভিন্ন বংশৱলীৰ নামত ভাগে-ভাগে অৰ্থনৈতিক ভাৱে সহযোগ কৰি বিভিন্ন অনুষ্ঠান আয়োজন কৰাই বিজেপি মুখী কৰিব বিচাৰিছে। গতিকে ৰাইজ সচেতন হৈ ইয়াৰ বিৰুদ্ধে প্ৰতিবাদ কৰি নিজ দাবীসমূহ পূৰণ কৰাৰ চেষ্টা কৰিব লাগে। আটাছুৰ উপদেষ্টা অনিল গগৈয়ে জিলাই জিলাই সজাগতা সভা আয়োজন কৰি জনগোষ্ঠীটোৰ প্ৰতিজন ৰাইজক একত্ৰিত কৰি ৰাজপথলৈ উলিয়াই অনাৰ ব্যৱস্থা কৰাৰ পোষকতা কৰে। বিজেপি, কংগ্ৰেছ, অগপ আদি যিকোনো দলত থকা আহোম জনগোষ্ঠীৰ কৰ্মী সকলে এতিয়া দল বাদ দি জনগোষ্ঠীৰ অস্তিত্ব বচোৱাত লাগিব লাগে বুলি মন্তব্য কৰে। উক্ত সভাতেই কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। ব'হাগ বিহুত ধেমাজি আৰু গোলাঘাট জিলাত গণ সজাগতা সভা আয়োজন কৰা, যোৰহাট আৰু শিৱসাগৰ জিলাত বিক্ষোভ প্ৰদৰ্শন, তিনিচুকীয়া জিলাত ৰে'ল অৱৰোধ কাৰ্যসূচী গ্ৰহণ কৰা আৰু পঞ্চায়ত নিৰ্বাচনৰ আগত আটাছুৰ দাবীকেইটা পূৰণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে নিৰ্বাচনৰ সময়ত ৪৮ ঘণ্টা অসম বন্ধ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি আটাছুৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মিলন বুঢ়াগোহাঁই আৰু সাংসম্পাদক ভাস্কৰ বৰগোহাঁই জানিবলৈ দিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ধ্বংসস্তুপত পৰিণত ম্যানমাৰ-থাইলেণ্ড

নিহত আৰু ৫ হাজাৰৰো অধিক লোক আহত হৈছে। ভূমিকম্পৰ ফলত অট্টালিকা, দলং আৰু বান্ধ ধ্বংস হয়। বহুতো অঞ্চল ধ্বংসস্তূপত পোত গৈছে। দুয়োখন দেশত বিদ্যুৎ আৰু ইণ্টাৰনেট সেৱাৰ লগতে বহু সেৱা ব্যাহত হৈছে। কেইবা লক্ষ লোকে হাহাকাৰ কৰি সময় পাৰ কৰিবলগীয়া হৈছে। ধ্বংসস্তুপত পৰিণত ম্যানমাৰ-থাইলেণ্ডক বিশ্বৰ বহু দেশে সহায়ৰ হাত আগবঢ়াইছে। ভাৰতেও উদ্ধাৰ অভিযানৰ বাবে আগবাঢ়ি আহিছে। তাৰ মাজতে আজি গুৱাহাটীত দুয়োখন দেশৰ বাবে এখন বিশেষ প্ৰাৰ্থনা সভাৰ আয়োজন কৰে প্ৰায় তিনি শতাধিক লোকে। বৃহত্তৰ গুৱাহাটী মহানগৰ বৌদ্ধিষ্ট এচোছিয়েচনৰ উদ্যোগত মহানগৰীৰ পাথৰকোৱাৰীস্থিত নাৰেংগী ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত প্ৰাৰ্থনা সভাত দুয়োখন দেশত প্ৰাকৃতিক দুৰ্যোগত নিহতসকলৰ আত্মৰ সদ্গতি কামনা কৰি উপস্থিত লোকসকলে বন্তি প্ৰজ্বলন কৰে। লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। তাৰ পিছতে সমৱেত লোকসকলে হাতে হাতে বন্তি লৈ মৌন সমদল উলিয়াই। বৃহত্তৰ গুৱাহাটী মহানগৰ বৌদ্ধিষ্ট এচোছিয়েচনৰ উদ্যোগত বন্তি জ্বলাই মৌন সমদল কৰি দুয়োদেশৰ লোকৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰে। আজি সমৱেত বৌদ্ধ ধৰ্মীসকলে পাটনাৰ বৌদ্ধ বিহাৰ বৌদ্ধ ধৰ্মীৰ হাতত অৰ্পণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক দাবী জনায়।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# সোণোৱাল-কছাৰী ছাত্ৰ সন্থাৰ ৩ নেতাৰ

দিপনজ্যোতি সোণোৱাল, সাংগঠনিক সম্পাদক বিদ্যুৎ শইকীয়া আৰু তিনিচুকীয়া জিলা সমিতিৰ সভাপতি ঋতুপৰ্ণ সোনোৱালৰ বিৰুদ্ধে কালি সন্ধিয়া ডুমডুমা আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। এজাহাৰত উল্লেখ কৰা মতে, ৰূপাইৰ ডাঃ ডি.চি. বৰা নাৰ্চিং হোমৰ চিকিৎসকৰ ভুল চিকিৎসাৰ বলি হৈ অকাল মৃত্যু ঘটা ৰমেন শইকীয়াৰ পৰিয়ালৰ অজ্ঞাতে ডাঃ ডি.চি. বৰা নাৰ্চিং হোমৰ পৰা প্ৰয়াত ৰমেন শইকীয়াৰ মৃত্যুৰ ক্ষতিপূৰণৰ নামত ১ লাখ টকা আত্মসাৎ কৰে উক্ত তিনি নেতাই। স্বামীৰ মৃত্যুৰ পিছত দুই সন্তান তথা পৰিয়ালটোৰ সম্পূৰ্ণ দায়িত্ব পত্নী দীপামণি গগৈ শইকীয়াৰ ওপৰতে নিৰ্ভৰশীল যদিও দীপামণি গগৈ শইকীয়াৰ দুয়োটা কিডনী বিকল হোৱাৰ লগতে সপ্তাহত তিনিবাৰকৈ ডায়েলাইছিছ কৰিবলগীয়া হ'য়। এনে এক পৰিস্থিতিত নাৰ্চিং হোমখনৰ কৰ্তৃপক্ষই ৰমেন শইকীয়াৰ নামত দিয়া ক্ষতিপূৰণৰ এক লাখ টকা উক্ত তিনি নেতাই আত্মসাৎ কৰাত অতিশয় দুঃখ প্ৰকাশ কৰি দীপামণি গগৈ শইকীয়াক অভিযুক্ত ছাত্ৰ নেতাকেইজনৰ বিৰুদ্ধে উচিত ব্যৱস্থা গ্ৰহণেৰে পৰিয়ালটিক ন্যায় প্ৰদান কৰিবলৈ কাতৰ প্ৰাৰ্থনা জনোৱাৰ লগতে পৰিয়ালটিক ক্ষতিপূৰণ পোৱাৰ ক্ষেত্ৰত সহায় কৰিবলৈ আৰক্ষী-প্ৰশাসনক আহবান জনাইছে। উল্লেখ্য যে, যোৱা ২৫ মাৰ্চত কাকপথাৰৰ বৰডিৰাক চুমনি গাঁৱত অনুষ্ঠিত এক বিশাল ৰাজহুৱা সভাত মৃত ৰমেন শইকীয়াৰ ভ্ৰাতৃয়ে ৰাইজৰ সন্মুখত উক্ত তিনি ছাত্ৰ নেতাৰ নিকৃষ্ট কৰ্ম-কাণ্ডৰ বিষয়ে বিৱৰি কোৱাৰ লগতে ৰমেন শইকীয়াৰ মৃতদেহক লৈ দৰ-দাম কৰি মিডিয়াক মেনেজৰ নামত নাৰ্চিং হোমখনৰ কৰ্তৃপক্ষৰ পৰা ১ লাখ টকা সৰকোৱাৰ অভিযোগ তোলে। আনকি মৃতকৰ ঘৰত গৈ এদিনো খবৰ এটা ল'বলৈও নগ'ল অভিযুক্ত তিনি নেতাই। জানিব পৰা মতে, ছাত্ৰ সংগঠনটোৰ অভিযুক্ত তিনি শীৰ্ষ নেতাক সংগঠনৰ মজিয়াৰ পৰা সাময়িকভাৱে অব্যাহতি দিয়া হৈছে। মন্তব্য যে, উক্ত ঘটনাৰ সন্দৰ্ভত যোৱা ২৭ মাৰ্চৰ " নিউজনেক্সটওৱান" কাকতত পৃষ্ঠাত সবিস্তাৰে " মৃতদেহক লৈ দৰদাম জনগোষ্ঠীয় ছাত্ৰ-সংগঠনৰ তিনি শীৰ্ষ নেতাৰ ; সাংবাদিকৰ নামত মৃতকৰ পৰিয়ালৰ অজ্ঞাতে নাৰ্চিং হোমৰ পৰা সৰকালে লক্ষাধিক টকা " শীৰ্ষক বাতৰিও প্ৰকাশ পাইছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সংকটত নুৰুল হুদা-শ্বেৰমানৰ আলীৰ

মন্তব্য কৰা শ্বেৰমান আলী আহমেদ আৰু উপাধ্যক্ষক প্ৰহাৰ কৰা বুলি কংগ্ৰেছ বিধায়ক নুৰুল হুদাৰ বিৰুদ্ধে উত্থাপিত অভিযোগক লৈ আলোচনা কৰা হয়। আজিৰ আলোচনাৰ পিছতে কেইবাজনো সদস্যই কৰা মন্তব্যৰ ভিত্তিত অনুমান কৰিব পাৰি যে কংগ্ৰেছৰ পৰা নিলম্বিত বাঘবৰৰ বিধায়ক শ্বেৰমান আলী আহমেদ আৰু ৰূপহীহাটৰ বিধায়ক নুৰুল হুদাৰ বিধায়ক পদ খাৰিজ হ'ব পাৰে। বিধায়ক শ্বেৰমান আলী আৰু নুৰুল হুদাই বিশেষ অধিকাৰ ভংগৰ অভিযোগৰ প্ৰক্ৰিয়া সমাপ্ত হোৱাৰ পিছতে বিধায়ক পদ খাৰিজ হ'ব পাৰে বুলি আশংকা কৰা হৈছে। দুয়োজনৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ অধিক অনুসন্ধান কৰিবলৈ সিদ্ধাৰ্থ ভট্টাচাৰ্যৰ নেতৃত্বত এখন সমিতি গঠন কৰা হৈছে। বিধানসভাৰ বিশেষ অধিকাৰ সমিতিয়ে বাঘবৰৰ বিধায়ক শ্বেৰমান আলী আহমেদ আৰু ৰূপহীহাটৰ বিধায়ক নুৰুল হুদাক জাননী জাৰি কৰা হৈছে। সমিতিখনে শ্বেৰমেন আলী আহমেদক তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগক লৈ প্ৰতিপক্ষ উপস্থাপন কৰাৰ সুযোগ দিব। একেদৰে নুৰুল হুদাক এখন জাননী জাৰি কৰা হৈছে। যাৰ দ্বাৰা উপাধ্যক্ষ নোমল মমিনে উত্থাপন কৰা আক্ৰমণৰ অভিযোগক লৈ নিজৰ পক্ষ ৰাখিব পাৰিব। সমিতিখনে উপাধ্যক্ষ মমিনক এটা টোকা দিবলৈ নিৰ্দেশ দিছে। আক্ৰমণৰ ঘটনাৰ বৰ্ণনা আৰু আন কোনো লোক জড়িত আছিল নেকি সেয়া স্পষ্ট কৰিবলৈ কৈছে। বৈঠকত বিধায়ক দুৰ্গা দাস বড়োৱে মন্তব্য কৰে যে সমিতিখনে শীঘ্ৰেই বিধানসভাৰ অধ্যক্ষৰ ওচৰত এখন প্ৰতিবেদন দাখিল কৰিব। শ্বেৰমান আলীয়ে ভিত্তিহীন দাবী কৰিছে। আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ বাবে জাননীৰ উত্তৰৰ বাবে কোনো নিৰ্ধাৰিত সময়সীমা নিৰ্ধাৰণ কৰা হোৱা নাই। চূড়ান্ত সিদ্ধান্তত উপনীত হোৱাৰ পূৰ্বে দুয়োজন ব্যক্তিক প্ৰতিপক্ষ উপস্থাপন কৰাৰ সুযোগ দিয়া হৈছে। উপাধ্যক্ষ নোমল মমিন সমিতিৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। আজি তেওঁ ঘটনাক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে নিয়ম ১০ আৰু নিয়ম ৭৬ ৰ অধীনত তদন্ত আৰম্ভ হৈছে। দুয়োটা ঘটনাক সংসদীয় প্ৰক্ৰিয়াৰ বাবে দুৰ্ভাগ্যজনক বুলি অভিহিত কৰা হৈছে। মমিনে অধ্যক্ষৰ আসনক অসন্মান কৰাৰ বাবে শ্বেৰমান আলীক সমালোচনা কৰি কয় যে সমিতিৰ অধ্যক্ষ পদৰ পৰা পদত্যাগ কৰিছো। বিধানসভাখন নিয়ম অনুসৰি চলিব লাগিব, ব্যক্তিগত পছন্দ অনুসৰি নহয়। অধ্যক্ষৰ কাৰ্যালয়ক কেতিয়াও ক্ষুণ্ণ কৰিব নালাগে। প্ৰয়োজন হ'লে অধ্যক্ষ বা উপাধ্যক্ষৰ বিৰুদ্ধে বিশেষ অধিকাৰ উলংঘন উত্থাপন কৰিব পাৰি। তেওঁলোকৰ কাৰ্যালয়ৰ অখণ্ডতা সদায় বজাই ৰাখিব লাগে। শ্বেৰমান আলীৰ আচৰণক গৰিহণা দি বিধানসভাৰ সঠিক কাৰ্যকলাপত বাধা প্ৰদান কৰিছিল বুলি কয়। শ্বেৰমান আলীয়ে ব্যৱহাৰ কৰা ভাষা অনুপযুক্ত। যাৰ ফলত তেওঁক অধিৱেশনৰ পৰা বহিষ্কাৰ কৰা হয়। বিধানসভালৈ প্লেকাৰ্ড অনা আৰু অধ্যক্ষ আৰু উপাধ্যক্ষক বাধা দিয়াৰ দৰে কাৰ্য গ্ৰহণযোগ্য নহয়। এই কাৰ্য বিধানসভা কজাৰ সৈতে তুলনা মমিনে আৰু কয় যে সন্ত্ৰাসবাদীৰ কৌশলৰ দৰে আছিল সিদিনাৰ ঘটনা। নুৰুল হুদাৰ দ্বাৰা আক্ৰমণত আন কোন জড়িত আছিল সেই সন্দৰ্ভত ভিডিঅ' প্ৰমাণ আছে আৰু যথা সময়ত সকলো তথ্য স্পষ্ট কৰা হ'ব। সমিতিৰ তদন্ত চলি আছে আৰু শীঘ্ৰেই নিষ্পত্তি কৰা হ'ব।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# গঁড় হত্যাৰ বাবে প্ৰদ্যুৎ বৰদলৈও

অভিযোগ আছে। আপোনাৰ দিনত আপুনি যেতিয়া শক্তিমন্ত্ৰী আছিল, আপুনি য'ত হাৰি আনকি নগাঁৱলৈকে পলাবলৈ বাধ্য হৈছিল। মাৰ্ঘেৰিটা সমষ্টিত মই স্বচক্ষে দেখিছিলোঁ যে তাত ইলেক্ট্ৰিক পোষ্ট নাছিল, তাত বাঁহৰ খুঁটা আছিল। গতিকে আপুনি এগৰাকী ব্যৰ্থ মন্ত্ৰী, ব্যৰ্থ বিধায়ক, ব্যৰ্থ সাংসদ। আপুনি মোৰ লগত বা আমাৰ সমষ্টি বা আমাৰ দলৰ লগত চক্ৰান্ত কৰি একো ফল নাপাব, আজিৰ এই যোগদানৰ ঘটনাৰে আমি প্ৰমাণ দিছোঁ।' মন্ত্ৰীগৰাকীয়ে লগতে সাংসদগৰাকীক মাৰ্ঘেৰিটাৰ পৰা আহি মুছলমানৰ ভোটেৰে নগাঁও লোকসভা সমষ্টিৰ সাংসদ হৈ জাগীৰোড সমষ্টিত দাদাগিৰি নকৰিবলৈও সকীয়নি প্ৰদান কৰে। কেৱল এয়াই নহয়, প্ৰদ্যুৎ বৰদলৈক আগন্তুক নিৰ্বাচনত ৯০ হাজাৰ ভোটত পৰাস্ত কৰাৰো হুংকাৰ দিয়ে মন্ত্ৰীগৰাকীয়ে। উল্লেখ্য যে জাগীৰোড সমষ্টিৰ পশ্চিম মায়ং পঞ্চায়তৰ ৩০গৰাকী কংগ্ৰেছ কৰ্মীয়ে আজি বিজেপি দলত যোগদান কৰে। কংগ্ৰেছ দলৰ কাম-কাজত তেওঁলোক অতিষ্ঠ হৈ বিজেপি দলত যোগদান কৰে বুলি জানিবলৈ দিছে। প্ৰদ্যুৎ বৰদলৈক তীব্ৰ সমালোচনা কৰি পীযুষ হাজৰিকাৰ মন্তব্য, লাহৰীঘাট, ধিং, ৰূপহীহাট, চামগুৰিৰ ভোটত তেওঁ জিকিছে যদিও জাগীৰোডত অতি বেয়াকৈ ধৰাশায়ী হৈছে। ৭৭ হাজাৰ ভোটত জাগীৰোডত প্ৰদ্যুৎ বৰদলৈ হাৰিছিল আৰু তেতিয়াৰ পৰাই তেওঁ মন্ত্ৰীগৰাকীক হিংসা কৰিবলৈ লয় বুলি পীযুষ হাজৰিকাৰ মন্তব্য। অহা বছৰ ৯০ হাজাৰ ভোটত হৰুৱাম বুলিও মন্তব্য হাজৰিকাৰ। উল্লেখ্য, মঙলবাৰে জাগী ভকতগাঁও মণ্ডল কাৰ্যালয়ত অনুষ্ঠিত যোগদান কাৰ্যসূচীত বিজেপিৰ মৰিগাঁও জিলাৰ সভাপতি ৰামপ্ৰসাদ সৰকাৰ, পশ্চিম মায়ং মণ্ডলৰ সভাপতি চন্দন দাসসহ দলৰ বহুকেইগৰাকী কংগ্ৰেছ নেতাই বিজেপিত যোগদান কৰে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

## সন্তানক অসমীয়া মাধ্যমত পঢ়ুৱালেহে ধ্ৰুপদী ভাষাৰ মৰ্যাদা অক্ষুণ্ণ থাকিবঃ নাৰায়ণ শৰ্মা

# মাজুলীৰ গোৱালগাঁও জোনাকী জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদযাপন

**ই-সংবাদ বিশেষ, মাজুলী, ১ এপ্ৰিলঃ** মাজুলী জিলাৰ আগশাৰীৰ শিক্ষানুষ্ঠান, নামনি মাজুলীৰ গোৱালগাঁও জোনাকী জাতীয় বিদ্যালয়ৰ ৩২ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা হয়। বিদ্যালয়খনৰ গৌৰৱোজ্জ্বল প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি পুৱা পৰিৱেশ নিকাকৰণৰ পাছত বিদ্যালয়ৰ পতাকা উত্তোলন কৰে বিদ্যালয়ৰ অধ্যক্ষ বিপুল কুমাৰ বৰুৱাই। তাৰপিছত বিদ্যালয় প্ৰাংগণত অসমীয়া জাতিৰ ঐতিহাসিক, পুৰণি সমললেৰে ভৰপুৰ প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক, যুৱ লেখক ভৱানন্দ হাজৰিকাই। পুৱা দহ বজাৰপৰা বিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত হোৱা মুকলি সভাত সভাপতিত্ব কৰে বিদ্যালয়ৰ অধ্যক্ষ বিপুল কুমাৰ বৰুৱাই। বিদ্যালয়ৰ শিক্ষক দিগন্ত শইকীয়াই আঁতধৰা মুকলি সভাখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা সমৱেত সংগীতেৰে শুভাৰম্ভ কৰা হয়। উক্ত মুকলি সভাখন উদ্বোধন কৰে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সমন্বয়ক অসীম কৃষ্ণ বৰুৱাই। তেওঁ মাতৃভাষা মাধ্যমৰ বিদ্যালয়ৰ গুৰুত্ব, জাতীয় চেতনাৰ বৃদ্ধিত গ্ৰন্থৰ গুৰুত্ব আৰু জাতীয় বিদ্যালয়ৰ সু-সমন্বয়যুক্ত শিক্ষা পদ্ধতি বিকাশত বহুতো মূল্যৱান পৰামৰ্শ প্ৰদান কৰে। সভাত মুখ্য অতিথিৰ তত্বগধুৰ ভাষণ প্ৰদান কৰে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সচিব ডাঃ নাৰায়ণ শৰ্মাই। নিজৰ ভাষণত তেওঁ ১৯৯৪ চনৰ পৰা অসমত জাতীয় বিদ্যালয়ে কৰি থকা শৈক্ষিক আন্দোলনৰ মূল্যায়ন কৰে। তেওঁ অসমৰ অসমীয়া মানুহেই অসমীয়া মাতৃভাষাত নিজৰ সন্তানক নপঢ়াই বুলি আক্ষেপ কৰে। ডাঃ শৰ্মাই সামাজিক চেতনাৰ অভাৱৰ বাবেহে বহু অভিভাৱকে ইংৰাজী মাধ্যমত পঢ়িবলৈ পঠাই বুলি উল্লেখ কৰে। তেওঁ ইংৰাজী এটা ভাষা হিচাপে ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ আহ্বান জনায়। মাধ্যম হিচাপে নহয়। ডাঃ শৰ্মাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি পোৱাতো গৌৰৱৰ বিষয় বুলি উল্লেখ কৰি কয় যে ধ্ৰুপদী ভাষাৰ স্বীকৃতিত কৈ নিজৰ ল'ৰা-ছোৱালীক অসমীয়া মাধ্যমৰ বিদ্যালয়ত পঢ়ুৱালেহে অসমীয়া ভাষা ৰক্ষা হ'ব আৰু ধ্ৰুপদী ভাষাৰ স্বীকৃতিটো কামত আহিব বুলি উল্লেখ কৰে। তেওঁ জোনাকী জাতীয় বিদ্যালয়ৰ অভিভাৱকসকলক জাতীয় শিক্ষা প্ৰদান কৰা বাবে ধন্যবাদ জ্ঞাপন কৰে। তেওঁ বিজ্ঞানসন্মতভাৱে জাতীয় বিদ্যালয়ৰ পাঠ্যপুথি প্ৰস্তুত কৰা হৈছে বুলি কৈ ডিজিটেল যুগত ম'বাইল ফোনৰ অতিৰিক্ত ব্যৱহাৰ বন্ধ কৰিবলৈ ছাত্ৰ ছাত্ৰীক আহ্বান জনায়। সভাত বিশিষ্ট অতিথি হিচাপে মাজুলীৰ বিধায়ক ভুৱন গামে সাৰগৰ্ভ বক্তৃতা প্ৰদান কৰে। মুকলি সভাত বিশিষ্ট অতিথি হিচাপে যোৰহাট জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ সভাপতি ৰঞ্জিত গোহাঞি বৰুৱা, সম্পাদক সৌৰভ বৰা, ত্ৰিশূল শইকীয়া, কৰতিপাৰ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক হৰেন্দ্ৰ নাথ বৰুৱা, বিশিষ্ট সমাজকৰ্মী বীৰেন শইকীয়া, পীতাম্বৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ প্ৰৱক্তা যদু কলিতাই ভাষণ প্ৰদান কৰে। উক্ত মুকলি সভাত বিদ্যালয়ৰ ছাত্ৰী নিহাৰিকা কাশ্যপ আৰু অভিনয়ন মিশ্ৰই পৰিৱেশন কৰা গীতেৰে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। মুকলি সভাত শলাগ জ্ঞাপন কৰে শিক্ষক ভৱানন্দ হাজৰিকাই। অনুষ্ঠানত বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰকাশ কৰি উলিওৱা প্ৰাচীৰ পত্ৰিকা 'বিন্দু' উন্মোচন কৰে বিদ্যালয়ৰ অধ্যক্ষ বিপুল কুমাৰ বৰুৱাই। বিয়লি ২.৩০ বজাৰ পৰা ছাত্ৰ-ছাত্ৰীসকলে বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। সাংস্কৃতিক অনুষ্ঠানত অংকুৰ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে সকলো ছাত্ৰ-ছাত্ৰীয়ে একক আৰু দলীয়ভাৱে নৃত্য, গীত, অভিনয়, আবৃত্তি, নাটক আদি প্ৰদৰ্শন কৰি উপস্থিত অভিভাৱকৰ লগতে সমূহ ৰাইজক আপ্লুত কৰে।

# নলবাৰীত অসম দৰ্শন আঁচনিৰ অধীনত ২১৩ উপাসনাস্থলীক আনুষ্ঠানিকভাৱে অৰ্থ সাহায্য বিতৰণ

**ই-সংবাদ ব্যুৰ', নলবাৰী, ১ এপ্ৰিলঃ** নলবাৰী জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অসম চৰকাৰৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ উপস্থিতিত নলবাৰী সমষ্টিৰ উপাসনাস্থলীসমূহৰ উন্নয়নৰ অৰ্থে অসম দৰ্শন ২০২৪-২৫ৰ অধীনত ২১৩ সংখ্যক উপাসনাস্থলীৰ সমিতিলৈ আনুষ্ঠানিকভাৱে অৰ্থ সাহায্য বিতৰণ অনুষ্ঠান আজি অনুষ্ঠিত হৈ যায়। ২০২৪-২৫ বিত্তীয় বৰ্ষত অসম দৰ্শন আঁচনিৰ অধীনত সমগ্ৰ ৰাজ্যৰ ভিতৰতে মঞ্জুৰিকৃত প্ৰকল্পৰ সংখ্যা হৈছে ১৭,২৭৪ টা। ইয়াৰে ভিতৰত নলবাৰী জিলাৰ অনুমোদনপ্ৰাপ্ত উপাসনাস্থলীৰ সংখ্যা হৈছে ৫৯৯ টা (নলবাৰী সমষ্টি-২১৩, টিহু সমষ্টি-১৯১ আৰু বৰক্ষেত্ৰী সমষ্টি-১৯৫ টা)। আজিৰ অনুষ্ঠানত নলবাৰী সমষ্টিৰ ২১৩ টাকৈ উপাসনাস্থলীলৈ মেৰামতি, নিৰ্মাণ আৰু প্ৰয়োজনীয় পৰিকাঠামো উন্নয়নৰ বাবে চেক প্ৰদান কৰা হয়। প্ৰতিটো উপাসনাস্থলীৰ সমিতিয়ে ডেৰ লাখকৈ দুটা কিস্তিত মুঠ ৩ লাখ টকাৰ অৰ্থ সাহায্য লাভ কৰিব। আজি সমিতিসমূহক প্ৰথম কিস্তিৰ ডেৰ লাখ টকাৰ চেক প্ৰদান কৰা হয়। আজিৰ অনুষ্ঠানতেই তেওঁ ৮ খন সমিতিক প্ৰতীকী




চেক বিতৰণ কৰে। সকলো সমিতিয়েই নিজ নিজ বেংক একাউণ্ট যোগে এই ধনৰাশি লাভ কৰিব। জিলাখনৰ ধৰ্মীয় উপসনাস্থলীসমূহলৈ চৰকাৰী সাহায্য আগবঢ়োৱা আজিৰ এই অনুষ্ঠানত উপস্থিত থাকি মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই প্ৰদান কৰা ভাষণত উপস্থিত সমিতিসমূহৰ বিষয়-ববীয়াসকলক অসম দৰ্শন আঁচনিৰ অধীনত চৰকাৰে আগবঢ়োৱা এই অৰ্থ সাহায্যৰ উৎকৃষ্ট ব্যৱহাৰ সুনিশ্চিত কৰিবলৈ আহ্বান জনায় আৰু অহা ব'হাগৰ ১ তাৰিখৰ পৰাই উপসনাস্থলী উন্নয়নৰ দৰে শুভ কাম আৰম্ভ কৰি সোনকালেই দ্বিতীয় কিস্তিৰ বাবে নিজক যোগ্য প্ৰতিপন্ন কৰিবলৈ আহ্বান জনায়। তেঁও কয় যে পূৰ্বতে উপাসনাস্থলীৰ উন্নয়নৰ বাবে ২ লাখ ৫০ হাজাৰ দিয়া হৈছিল আৰু এইবাৰ এই পৰিমাণ ৩ লাখ টকালৈ বৃদ্ধি কৰা হৈছে আৰু উপাসনাস্থলীৰ সমিতিসমূহে এই অৰ্থ সাহায্যৰ সদ ব্যৱহাৰৰ দ্বাৰা ধৰ্মীয় প্ৰতিষ্ঠানসমূহক শক্তিশালী কৰাৰ জৰিয়তে অসমৰ ঐতিহ্যমণ্ডিত সাংস্কৃতিক পৰিচয় সংৰক্ষণ কৰাৰ বাবে নিঃস্বাৰ্থভাৱে আগবাঢ়ি আহি কামত লাগি যাবলৈ আহ্বান জনায়। সভাত জিলা আয়ুক্ত বৰ্ণালী ডেকাই নিজৰ ভাষণত অসম চৰকাৰৰ এই বিশেষ আঁচনিৰ শলাগ লয় আৰু একেই আহ্বান জনায়। আজিৰ এই অনুষ্ঠানত নলবাৰী জিলা উন্নয়ন আয়ুক্ত কৰ্মদেৱ ব্ৰহ্ম, নলবাৰী পৌৰসভাৰ অধ্যক্ষা, জিলা প্ৰশাসনৰ বিষয়া কৰ্মচাৰী, উপসনাস্থলী সমিতিসমূহৰ বিষয়ববীয়া আৰু অন্যান্যসকল উপস্থিত থাকে।

# আগমনিত অবৈধ তীৰ খেলৰ পয়োভৰ

**ই-সংবাদ, গোলকগঞ্জ, ১ এপ্ৰিলঃ** ধুবুৰী জিলাৰ আগমনি থানা এলেকাত অবৈধ তীৰ খেলৰ মুকলি বেহাই অঞ্চলটোৰ সামাজিক পৰিৱেশ বিঘ্নিত কৰাৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ মতে, আগমনি বজাৰ, কালডোৱা বজাৰ, ঘন আমতলা, বসাকপাৰা, ফুটানিগঞ্জ, বোৱালিপাৰা, খুনিয়াভিটা আদিত নিতৌ মুকলিভাৱে অবৈধ তীৰ খেল চলি আছে। কালডোৱা বজাৰ তীৰ খেলৰ মূল ঘাটিত পৰিণত হৈছে। আগমনি থানাৰ আৰক্ষী সকলো দেখিও নেদেখা কুলিৰ ভাও ধৰি থকাৰ অভিযোগ উত্থাপিত হৈছে। অঞ্চলটোত তীৰ খেলৰ কবলত পৰি ইতিমধ্যে বহু লোক সৰ্বস্বান্ত হৈ পৰিছে। ই-ৰিক্সা চালক সৰু সুৰা ব্যৱসায়ীৰ লগতে স্কুল-কলেজীয়া ছাত্ৰও হৈ পৰিছে তীৰ খেলৰ নিয়মীয়া খেলুৱৈ। যাৰ পৰিণতিত আগমনি থানা এলেকাত বৃদ্ধি পাইছে চুৰি কাৰ্যৰ ঘটনা। যোৱা ২৩ ফেব্ৰুৱাৰীৰ নিশা আগমনি থানাৰ এক কিলোমিটাৰ নিলগৰ কালডোৱা বজাৰত আঠখনকৈ দোকানত চোৰে লুটপাত কৰে। পুষ্প সাহাৰ কাপোৰৰ দোকান, হৰি লালৰ ম'বাইল, ৰমেশ ৰায়ৰ চাহ, গণেশ ৰায়ৰ গেলামাল, হোসেন আলীৰ ফাৰ্মাচী, ছলিমুদ্দিন সেখৰ জোতা, সুজিত কুমাৰ বসাকৰ গেলামাল আৰু সন্তোষ কুমাৰ পালৰ দশকৰ্মাৰ দোকানত চুৰিকাণ্ড সংঘটিত হয়। ঘটনা সংঘটিত হোৱাৰ এটা মাহ উকলি যোৱাৰ পিছতো এজনো চোৰক আটক কৰিবলৈ সক্ষম হোৱা নাই। তদুপৰি আগমনিৰ অন্যতম সাংস্কৃতিক কেন্দ্ৰ মৰুচমতী, গণেশেৰ ধামকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত চুৰিকাণ্ড সংঘটিত হৈছে। আগমনি থানাৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰণৱ কুমাৰ ডেকা আজিকোপতি এজনো চোৰক আটক কৰিবলৈ সক্ষম হোৱা নাই। স্থানীয় ৰাইজৰ অভিযোগ আগমনি এলেকাত অবৈধ তীৰ খেলৰ পয়োভৰে অঞ্চলটোত অসামাজিক কাৰ্য বৃদ্ধি কৰিছে। ইয়াৰ এক উচ্চ পৰ্যায়ৰ তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে স্থানীয় ৰাইজে।

# শিমলীতোলাত ৩০কাৰ্টন সুৰাসহ ব্যৱসায়ীক আটক

**ই-সংবাদ, শিমলীতোলা, ১ এপ্ৰিলঃ** গোৱালপাৰাৰ মাটিয়া নৱাগত শিমলীতোলা বজাৰত প্ৰায় ৩০ কাৰ্টন সুৰা জব্দ কৰাৰ লগতে শিবু সৰকাৰ নামৰ এজন ব্যৱসায়ীক আটক কৰে ৰাইজে। আমছু, নৱাগত শিমলীতোলা আঞ্চলিক অৰুণোদয় ক্লাব, শিমলীতোলা বজাৰ কমিটীৰ লগতে স্থানীয় ৰাইজে শিবু সৰকাৰ নামৰ ব্যৱসায়ীজনে দীৰ্ঘদিনৰে পৰা বজাৰখনত অবৈধভাৱে সুৰাৰ ৰমৰমীয়া বেহা চলাই থকাৰ অভিযোগ উত্থাপন কৰি আহিছিল। আনকি নিজৰ ঘৰৰ সন্মুখত দিনে নিশাই বাৰৰ আৰ্হিতবিক্ৰী আৰু খোৱাৰ সুবিধাও কৰি দিয়াৰ ফলত নিতৌ জীৱন ধ্বংসী সুৰাৰ ৰাগিত মাতাল হৈ বহু নিচাসক্ত যুৱক-চেমনীয়াৰ জীৱন ধ্বংসৰ কৰাৰ অভিযোগ উত্থাপন কৰে শিবু সৰকাৰৰ বিৰুদ্ধে। অৱশেষত ৰাইজে খাপ পিটি থাকি কালি হাতে-লোটে তিনি লক্ষাধিক টকাৰ সুৰাৰ সৈতে ধৰি শিবু সকৰাক আটক কৰি আৰক্ষীৰ হাতত গতাই দিয়ে। ইয়াৰ পূৰ্বেও শিবু সৰকাৰক আৰক্ষীয়ে আটক কৰিছিল যদিও আৰক্ষীৰে গোপন বুজাবুজিৰে এৰি দিয়ে। আৰক্ষীক মাহিলী টকা দিয়াৰ কথা শিবু সৰকাৰে বহুতৰে আগত ব্যক্ত কৰা বুলি ৰাইজে অভিযোগ উত্থাপন কৰে। নিচাজাতীয় সামগ্ৰী বন্ধৰ দাবীত শিমলীতোলা বজাৰ কমিটীৰ সভাপতি আলহাজ সাহজাহান আলীৰ নেতৃত্বত আমছু, নৱাগত শিমলীতোলা আঞ্চলিক অৰুণোদয় ক্লাব, শিমলীতোলা বজাৰ কমিটীৰ লগতে ৰাইজে শিমলীতোলা আৰক্ষী টহল চকী পৰ্যন্ত প্ৰতিবাদী সমদল উলিয়াই মদ, জুৱা আদি কাৰ্যকলাপ ৰোধ কৰাৰ দাবী জনায়।

# গোৱালপাৰা-কামৰূপ কৈৱৰ্ত বাৰ সমাজ সন্মিলনৰ বাৰ্ষিক সাধাৰণ সভা আৰু অধিৱেশন

**ই-সংবাদ, শিমলীতোলা, ১ এপ্ৰিলঃ** অন্যতম ঐতিহাসিক সম্প্ৰদায় কৈৱৰ্ত সকলৰ গোৱালপাৰা-কামৰূপ কৈৱৰ্ত বাৰ সমাজ সন্মিলনৰ ১১৪ সংখ্যক বাৰ্ষিক সাধাৰণ সভা আৰু অধিৱেশন শিমলীতোলা ডাক্তৰপাৰা, শিমলীতোলা নয়াপাৰা, শিমলীতোলা আদৰ্শপাৰা সমাজৰ যৌথ আতিথ্যত গোৱালপাৰা জিলাৰ শিমলীতোলাৰ ডাক্তৰপাৰাত যোৱা ২৯ আৰু ৩০ মাৰ্চত অনুষ্ঠিত হৈ যায়। ২৯ মাৰ্চৰ আবেলি ৫ বজাত প্ৰতিনিধি শিবিৰ মুকলিৰে আৰম্ভ হোৱা অনুষ্ঠানত সন্ধিয়া ৫.৩০ বজাত ১১৪ গছি বন্তি প্ৰজ্বালন কাৰ্যসূচীৰ উপৰি সন্ধিয়া ৬.১৫ বজাত প্ৰতিনিধি সভা অনুষ্ঠিত হয়। ৩০ মাৰ্চত পুৱা ৭ বজাত স্বচ্ছ ভাৰত অভিযানৰ লগতে ১১৪ খন পতাকা উত্তোলন, পুৱা ৮.৩০ বজাত স্মৃতি তৰ্পণ আৰু মাল্যাৰ্পণ কাৰ্যসূচীত ড০ ভূপেন হাজৰিকা আৰু বি আৰ আম্বেদকাৰৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰা হয়। ইয়াৰ পিছত পুৱা ৯ বজাত সাংস্কৃতিক শোভাযাত্ৰা, পুৱা ৯.৩০ বজাত অন্তৰংগ আলাপ কাৰ্যসূচী অনুষ্ঠিত হয়। আবেলি ১ বজাত অনুষ্ঠিত হোৱা মুকলিসভাত সভাপতিত্ব কৰে গোৱালপাৰা-কামৰূপ কৈৱৰ্ত বাৰ সমাজ সন্মিলন সভাপতি অধ্যাপক ভূপতি দাসে। উক্ত সভাত গোৱালপাৰা-কামৰূপ কৈৱৰ্ত বাৰ সমাজ সন্মিলনৰ ১১৪ সংখ্যক অধিৱেশনৰ লগত সংগতি ৰাখি সভানেত্ৰী স্বৰ্ণলতা দাস আৰু সম্পাদক ৰমেন দাসৰ সম্পাদনাত ছপা কৰি উলিওৱা স্মৃতিগ্ৰন্থ 'পদ্মাগন্ধা' আনুষ্ঠানিকভাৱে উন্মোচন কৰে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত আধ্যাপক উৎসৱা নন্দ দাসে। লগতে উক্ত সভাতেই গোৱালপাৰা-কামৰূপ কৈৱৰ্ত বাৰ সমাজ সন্মিলনৰ অন্তৰ্গত কৃতী ছাত্ৰ-ছাত্ৰীক পুৰস্কৃত কৰি উদগনি দিয়াৰ উদ্দেশ্য সম্বৰ্ধনা জনোৱা হয়। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ, অসম বাৰ্তা দৈনিক বাতৰি কাকতৰ মুখ্য সম্পাদক, লোক সংস্কৃতিৰ গৱেষক তথা অনুসূচীত জাতিৰ কৈৱৰ্ত সম্প্ৰদায়ৰ এগৰাকী বিশিষ্ট লেখক লীলাধৰ হাজৰিকাই কৈৱৰ্ত সম্প্ৰদায়ৰ ঐতিহাসিক সমলৰ কথা উল্লেখ কৰাৰ উপৰিজাতিটোৰ ইতিহাস সম্পৰ্কে এক তত্ব গধুৰসাৰুৱা বক্তব্য প্ৰদান কৰাৰ লগতে জাতিটোৰ সৰ্বত্ৰ প্ৰকাৰৰ উন্নয়নত গোৱালপাৰা-কামৰূপ কৈৱৰ্ত বাৰ সমাজ সন্মিলনক অনুৰোধ জনায়। সভাত চাৰু মোহন দাস, মুনিন্দ্ৰ দাস, শ্ৰীমদন দাস, জগত চন্দ্ৰ মেধি, অভিনাস সাউদ, তাৰিণীকান্ত দাস, মদন দাস, লনিত সৰকাৰ, মাধৱ দাস, ৰমেন দাস আদি উপস্থিত থাকে। সভাপতিৰ ভাষণত ভূপতি দাসে জাতিটোৰ সৰ্বাংগীন উন্নতিৰ কথা দোহাৰে। অধ্যাপক স্বৰ্ণলতা দাসে শলাগৰ শৰাইত দিয়া ভাষণত বিশেষকৈ কৃতী ছাত্ৰ-ছাত্ৰীক পুৰস্কাৰৰে উদগনি দিয়া দাতাক ধন্যবাদ জনায়। অঞ্চলটোৰ ভাষা সাহিত্য সংস্কৃতিক কৈৱৰ্ত সন্মিলনে এনেদৰে জীয়াই ৰখাৰ প্ৰচেষ্টাক ভূয়সী প্ৰশংসা কৰে। সভাত পৰৱৰ্তী গোৱালপাৰা-কামৰূপ কৈৱৰ্ত বাৰ সমাজ সন্মিলনৰ বাৰ্ষিক অধিৱেশন নগৰবেৰাৰ পাহাৰ পাৰাত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# মাৰৈ ঈদগাহত ‘হজ ডায়েৰী মক্কা-মদিনাত ৪০দিন’ শীৰ্ষক গ্ৰন্থ উন্মোচন

**ই-সংবাদ, দুমুনিচকী, ১ এপ্ৰিলঃ** সমগ্ৰ বিশ্বৰ লগতে ভাৰত তথা অসমৰ ইছলাম ধৰ্মী লোকসকলে সোমবাৰে পুৱা শান্তিপূৰ্ণভাৱে পৱিত্ৰ ঈদুল ফিটৰৰ নামাজ আদায় কৰে। এই উপলক্ষে দৰং জিলাৰ বিভিন্ন অঞ্চলত ঈদৰ নামাজ পঢ়ে। বিশেষকৈ ঐতিহাসিক মাৰৈ গাঁৱৰ ঈদগাহত খাৰুপেটিয়া বড়িগাঁও মাদ্ৰাছাৰ শিক্ষক মুফতী মৌলনা মইন ৰাজা চাহেবে সহস্ৰাধিক লোকৰ উপস্থিতিত পুৱা ৯.১৫ বজাত ঈদৰ নামাজত ইমামতি কৰে আৰু নামাজ পঢ়ায়। উল্লেখ্য যে ঈদৰ নামাজৰ আৰম্ভণিতে শাৰিৰীক নিৰ্দেশক, বিশিষ্ট সাহিত্যিক তথা দৰং ক্ৰীড়া বাৰ্তাৰ সম্পাদক আলহাজ মোবাৰক হুছেইনৰ ‘হজ ডায়েৰীঃ মক্কা-মদিনাত ৪০ দিন’ শীৰ্ষক গ্ৰন্থ উন্মোচন কৰা হয়। শিক্ষক-সাহিত্যিক এম হাফিজ আলীয়ে আঁত ধৰা গ্ৰন্থ উন্মোচনী অনুষ্ঠানত লেখক হুছেইনৰ লগতে অংশগ্ৰহণ কৰে আলহাজ আকবৰ আলী, আলহাজ নৌচাদ আলী, আলহাজ আব্দুৰ ৰহমান, আৰবী শিক্ষক তমিজ আলী, মইনুল হক হাজৰিকা, বাবুল আলী আদিয়ে।

# উত্তৰ গুৱাহাটী সাহিত্য সভা(স্বৰ্ণ শাখা)ৰ দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন, নতুন সমিতি গঠন

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ১ এপ্ৰিলঃ** উত্তৰ গুৱাহাটী সাহিত্য সভা (স্বৰ্ণ শাখা)ৰ দ্বি-বাৰ্ষিক অধিৱেশন দেওবাৰে শ্ৰী শ্ৰী দৌলগোবিন্দ মন্দিৰৰ সভাগৃহত অনুষ্ঠিত হয়। পুৱা ১০ বজাত আৰম্ভ হোৱা অধিৱেশনখনৰ সঞ্চালনা কৰে বিদায়ী সভাপতি ডঃ বন্তি বড়া দত্তই। সভাত সম্পাদক কমল বৰাই উদ্দেশ্য ব্যাখ্যা, প্ৰতিবেদন পাঠ আৰু হিচাপ-নিকাচ দাখিল কৰে। তাৰ পাছতেই বিদায়ী সমিতিখনে পদত্যাগ কৰে। অসম সাহিত্য সভাৰ পৰ্যবেক্ষক হিচাপে কামৰূপ জিলা সাহিত্য সভাৰ উপ-সভাপতি ৰমেশ মেধিৰ উপস্থিতিত আগন্তুক কাৰ্যকালৰ বাবে সৰ্বসন্মতিক্ৰমে নতুন কাৰ্যনিৰ্বাহক সমিতি এখন গঠন কৰা হয়। নতুন কাৰ্যনিৰ্বাহক সমিতিৰ সভাপতি হিচাপে ৰমেন নাথ সহিতে ২১ জনীয়া এখন শক্তিশালী সমিতিগঠন কৰা হয়। সম্পাদকৰ দায়িত্ব বিদায়ী সমিতিৰ সম্পাদক কমল বৰাক পুনৰ অৰ্পণ কৰা হয়। এই দ্বি-বাৰ্ষিক অধিৱেশনখনে উত্তৰগুৱাহাটী সাহিত্য সভাৰ গৌৰৱোজ্জ্বল যাত্ৰাত এক নতুন অধ্যায় সংযোজন কৰিলে। একেদিনাই আবেলিৰ ফালে মিত্ৰদেৱ মহন্তৰ 'চিৰ চেনেহী মোৰ ভাষা জননী' শীৰ্ষক সমবেত সংগীতেৰে আৰম্ভ কৰি এখন মুকলি সভা অনুষ্ঠিত কৰা হয়। সম্পাদক কমল বৰাই আদৰণী ভাষণ প্ৰদান কৰে। সভাত মুখ্য অতিথি হিচাবে উপস্থিত থাকে কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি ডঃ গণেশ্বৰ চহৰীয়া আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে কামৰূপ জিলা সাহিত্য সভাৰ সম্পাদক ৰজনী শৰ্মাই। সভাত স্থানীয় শিল্পী জোৎস্না দেৱীয়ে এটি বৰগীত পৰিবেশন কৰি উপস্থিত ৰাইজক আপ্লুত কৰে। উত্তৰ গুৱাহাটীৰ দুই শতাধিক সাহিত্য অনুৰাগী উপস্থিত থকা মুকলি সভাখনত ডঃ বন্তি বড়া দত্তৰ এখন প্ৰৱন্ধ সংকলন ‘কল্লোলিত চিন্তাঃ শংকৰদেৱ, ৰাধাকৃষ্ণণ আৰু অন্যান্য’ আৰু ৰাজকমল চাংকাকতিৰ এখন কবিতা পুথি ‘শব্দ উশাহ’ উন্মোচন কৰা হয়। সভাৰ আমন্ত্ৰিত মুখ্য অতিথি আৰু বিশিষ্ট অতিথিসকলৰ দ্বাৰা অসম সাহিত্য সভাৰ দ্বাৰা স্বীকৃত ৫০ গৰাকী আজীৱন সভ্যক মানপত্ৰ প্ৰদান কৰা হয়। সভাত উত্তৰ গুৱাহাটী সাহিত্য সভা(স্বৰ্ণ শাখা)ই শেহতীয়াভাৱে লাভ কৰা শতদল শাখাৰ স্বীকৃতিৰ কথাটোও আনুষ্ঠানিকভাৱে ঘোষণা কৰা হয়। সৰ্বশেষত সভাপতিৰ বক্তব্যৰ পিছতে অসম সংগীতেৰে সভাৰ সামৰণি পৰে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাভা হাছঙত আজি ভোটগ্ৰহণ

৩৩টাত ভোটগ্ৰহণ কাইলৈ পুৱা ৭ বজাত আৰম্ভ হ'ব। আইন-শৃংখলা দিশৰ লক্ষ্য কৰি ভোটকেন্দ্ৰসমূহত পৰ্যাপ্ত আৰক্ষী মোতায়েন কৰা হৈছে। আজি বেলট বাকচ আৰু কাগজ-পত্ৰ লৈ ভোটগ্ৰহণ কেন্দ্ৰলৈ প্ৰিজাইডিং-পোলিং বিষয়াসকল ৰাওনা হৈছে। ৰাজ্যিক নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি দুয়োখন জিলাতে মুঠ ভোটাৰৰ সংখ্যা হৈছে ৪,৪৫,৫৮৬ জন। ২,১৬,১৮১ জন পুৰুষ ভোটাৰ আৰু ২,২৯,৩৯৪ গৰাকী মহিলা ভোটাৰ। ১১ জন ভোটাৰক 'আন' হিচাপে শ্ৰেণীবদ্ধ কৰা হৈছে। কামৰূপ আৰু গোৱালপাৰা জিলাত ৬৩০টা ভোটকেন্দ্ৰ আছে। ৩৬টা সমষ্টিৰ ভিতৰত ২৫টা অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত, ৬টা মহিলাৰ বাবে সংৰক্ষিত আৰু ১১টা মুক্ত। কংগ্ৰেছ, অসম গণ পৰিষদ (অগপ), ভাৰতীয় জনতা পাৰ্টি (বিজেপি) আৰু ৰাভা হাছং যৌথ মঞ্চকে (আৰএইচজেএম) ধৰি ৰাজনৈতিক দলসমূহে প্ৰাৰ্থী থিয় কৰাইছে। ভোট গণনা ৪ এপ্ৰিলত অনুষ্ঠিত হ'ব। তিনিজন প্ৰাৰ্থী কামৰূপৰ দুজন আৰু গোৱালপাৰাৰ এজন ইতিমধ্যে বিনা প্ৰতিদ্বন্দ্বিতাত জয়ী হৈছে। ৩৬টা সমষ্টিৰ ভিতৰত ১৬টা কামৰূপ জিলাত আৰু বাকীবোৰ গোৱালপাৰা জিলাৰ। কামৰূপ জিলাৰ ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ ১৪ টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। জিলাখনত মুঠ ৪৪ জন প্ৰাৰ্থীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে। ১,৬৯,২৫৯ জন ভোটাৰ আছে। যাৰ ভিতৰত ৮২,৪৫৮ জন পুৰুষ ভোটাৰ আৰু ৮৬,৮০১ গৰাকী মহিলা ভোটাৰ। কামৰূপত ২০৯ টা ভোটকেন্দ্ৰ থাকিব। মহিলা প্ৰিজাইডিং বিষয়াসকল ১০টা ভোট কেন্দ্ৰ পৰিচালনা কৰিব। এটা ভোট কেন্দ্ৰ দিব্যাংগ প্ৰিজাইডিং বিষয়াই পৰিচালনা কৰিব। দুটা কেন্দ্ৰত মহিলা বিষয়াসকলে পৰিচালনা কৰিব আৰু আদৰ্শ ভোটকেন্দ্ৰ কৰা হৈছে। ইপিনে গোৱালপাৰাৰ জয়ৰামকুচি সমষ্টিত প্ৰেমজুলী ৰাভা বিনা প্ৰতিদ্বন্দ্বিতাত জয়ী হৈছে। গোৱালপাৰাৰ বাকী ১৯টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। ১৯টা সমষ্টিৰ বাবে ৩৬২ টা ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে। গোৱালপাৰাত মুঠ ৫৩ জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। জিলাখনত ভোটাৰৰ সংখ্যা হৈছে ২,৫৩,৯৯৬ জন। যাৰ ভিতৰত আছে ১,২৩,৪২৮ জন পুৰুষ ভোটাৰ। ১,৩১,৫৫৭ গৰাকী মহিলা ভোটাৰ আৰু ১১ জন ভোটাৰক 'টি' হিচাপে শ্ৰেণীবদ্ধ কৰা হৈছে। সমগ্ৰ জিলাখনত ১,১৩৬ জন অধ্যক্ষ আৰু ভোটগ্ৰহণ বিষয়া মোতায়েন কৰা হৈছে। কামৰূপৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰাই মুক্ত, নিৰপেক্ষ আৰু শান্তিপূৰ্ণ নিৰ্বাচন নিশ্চিত কৰাৰ কৰাৰ বাবে সকলোৰে সহায় দাবী কৰে।

# ছাগলীয়াত চুৰি বাইকসহ ড্ৰাগছ সৰবৰাহকাৰী আটক

**ই-সংবাদ, গোলকগঞ্জ, ১ এপ্ৰিলঃ** ধুবুৰী জিলাৰ অসম-পশ্চিমবংগ সীমান্তৰ ছাগলীয়া আৰক্ষীয়ে যোৱা নিশা অভিযান চলাই চুৰি বাইক, নিষিদ্ধ ড্ৰাগছসহ এজন সৰবৰাহকাৰীক আটক কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। আটকাধীন বিদ্যাৰডাবৰী দ্বিতীয় খণ্ড গাঁৱৰ মফিজুল হক(৩০)। জানিব পৰা মতে, মফিজুল হক দীৰ্ঘদিনৰ পৰাই গাঁওখনত ড্ৰাগছৰ অবৈধ ব্যৱসায় চলাই আহিছিল। যোৱা নিশা গোপন খবৰৰ ভিত্তিত ছাগলীয়া আৰক্ষী অভিযান চলাই মফিজুল হকক আটক কৰে। মফিজুলে ছাগলীয়া আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া হীৰকজ্যোতি দাসক আক্ৰমণ কৰি AS-17 A-9035 নম্বৰৰ পালছাৰ বাইক লৈ পলায়ন কৰে। আৰক্ষীয়ে পাছে পাছে খেদি গৈ বিদ্যাৰডাবৰী দ্বিতীয় খণ্ড গাঁৱৰ শ্মশানৰ কাষত পুনৰ মফিজুল হকক কৰায়ত্ত কৰে। দৌৰা দৌৰিত ছেগ বুজি পাঁচশ নিষিদ্ধ যাবা টেবলেট পথত পেলাই দিয়ে যদিও আৰক্ষীয়ে মফিজুল হকৰ পৰা ৬৫টা যাবা টেবলেট উদ্ধাৰ কৰে। আনহাতে, আৰক্ষীয়ে মফিজুল হকৰ পৰা উদ্ধাৰ কৰা হিৰো গ্লেমাৰ বাইকখনৰ নম্বৰ ভুৱা পঞ্জীয়ন ভুক্ত। আৰক্ষীৰ সোধা-পোছাত বাইকখন চুৰি বাইক বুলি মফিজুল হকে স্বীকাৰ কৰে।

# পানীতোলা জ্যেষ্ঠ নাগৰিক সংস্থাৰ অধিৱেশন সম্পন্ন

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১ এপ্ৰিলঃ** পানীতোলা জ্যেষ্ঠ নাগৰিক সংস্থাৰ সপ্তম দ্বি-বাৰ্ষিক অধিবেশনখন যোৱা ৩০ মাৰ্চত যোগীপথাৰ দুৰ্গা পূজা মণ্ডপৰ প্ৰাংগণত অনুষ্ঠিত হৈ যায়। সভাৰ কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন কৰে পানীতোলা জ্যেষ্ঠ নাগৰিক সংস্থাৰ সভাপতি বিমল বৰুৱাই। স্মৃতি তৰ্পণ কৰে পানীতোলা জ্যেষ্ঠ নাগৰিক সংস্থাৰ সম্পাদক দীনেশ দাসে। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা বিষয় বাছনি সভাত আগন্তুক ২৫-২৭ বৰ্ষৰ বাবে সভাপতি হিচাপে বিমল বৰুৱা, উপ-সভাপতি শ্ৰীশ্ৰী ৰাম চৌবে, সম্পাদক দীনেশ দাস, পত্ৰিকা সম্পাদক লম্বেশ্বৰ চেতিয়া, কোষাধ্যক্ষ নবীন কুমাৰক নিৰ্বাচিত হয়। পানীতোলা জ্যেষ্ঠ নাগৰিক সংস্থাৰ সভাপতি বিমল বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱা, তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়া আৰু বিশিষ্ট চাহ খেতিয়ক মনোজ চেতিয়াক সম্বৰ্ধনা জনোৱা হয়। উক্ত সভাতে পানীতোলা জ্যেষ্ঠ নাগৰিক সংস্থাৰ পত্ৰিকা সম্পাদক লম্বেশ্বৰ চেতিয়াৰ সম্পাদনাত 'আবেলিৰ ৰং' উন্মোচন কৰে পানীতোলা জ্যেষ্ঠ নাগৰিক সংস্থাৰ প্ৰাক্তন সভাপতি দেবেশ্বৰ সোণোৱালে। সম্পাদক দীনেশ দাসে আঁত ধৰা অনুষ্ঠানটোত পানীতোলা জ্যেষ্ঠ নাগৰিক সংস্থাৰ উপ-সভাপতি শ্ৰীশ্ৰী ৰাম চৌবে, প্ৰাক্তন সভাপতি দেৱেশ্বৰ সোণোৱাল, প্ৰাক্তন উপ সভাপতি তিলেশ্বৰ খনিকৰ, উপদেষ্টা মিলন গোহাঁই, পদেন সদস্য নবীন কুমাৰ, সহকাৰী সম্পাদক গদাধৰ দুসাদ, ভাৰতী খনিকৰ, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক লম্বেশ্বৰ গোহাঁই, জ্যেষ্ঠ নাগৰিক সংস্থাৰ বিষয়ববীয়াসকল, গৌৰী গোহাঁইৰ লগতে কেইবাগৰাকী বন্যপ্ৰাণী গৱেষক ছাত্ৰীকে ধৰি অৰ্ধশতাধিক লোক উপস্থিত থাকে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# হাজৰিকাপাৰা সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, ছিপাঝাৰ, ১ এপ্ৰিলঃ** অসম সাহিত্য সভাৰ অন্তৰ্গত তথা স্বৰ্ণ শাখা বঁটা প্ৰাপক শাখা, হাজৰিকাপাৰা সাহিত্য সভাৰ ৪১ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনখনি দেওবাৰে দিনজোৰা কাৰ্যসূচীৰে স্থানীয় নেহৰু স্মৃতি বালিকা উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হৈ যায়। কাৰ্যক্ৰমণিকা অনুসৰি, পুৱা নলিনী কুমাৰ ডেকাৰ দ্বাৰা অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰাৰ পিছত কমলা চহৰীয়াৰ দ্বাৰা বন্তি প্ৰজ্বলন আৰু ৰমণী কান্ত বৰুৱাৰ দ্বাৰা স্মৃতি তৰ্পণ কৰা হয়। তাৰ পিছত অন্তিম কাৰ্যনিৰ্বাহক সভা আৰু বিষয় বাছনি সভা অনুষ্ঠিত হয়। আবেলি নৱ নিৰ্বাচিত সভাপতি হৰেশ্বৰ চহৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত হয় এখনি মুকলি সভা। সম্পাদক মুকেশ ডেকাইআঁত ধৰা আৰু ৰাজ্যিক পুৰস্কাৰ প্ৰাপ্ত কৃতী শিক্ষক শিৱ প্ৰসাদ শৰ্মাই আদৰণি ভাষণ আগবঢ়োৱা সভাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিশিষ্ট শিক্ষাবিদ ভুৱন দেৱ শৰ্মাই। সভাখনত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে দৰং জিলা সাহিত্য সভাৰ সম্পাদক মৃণাল কুমাৰ ৰাজবংশী আৰু আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে নেহৰু স্মৃতি বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিপুল কলিতা। 'আকাশ'ৰ সদস্যাসকলে এটি সমবেত সংগীতেৰে শুভাৰম্ভণি কৰা সভাখনত হিমাশ্ৰী দেৱী, অঞ্জুমণি চহৰীয়া আৰু নিমিষা চহৰীয়াই কবিতা পাঠ কৰাৰ উপৰি ৰিপ্তি ৰেখা চহৰীয়াই এটি গীত পৰিৱেশন কৰি উপস্থিত ৰাইজক আপ্লুত কৰে। মঙলদৈ সাহিত্য সভাৰ সভাপতি কালিন্দ্ৰ বৰুৱা, কৃতী শিক্ষক পৱন কুমাৰ কলিতা আৰু প্ৰাক্তন জিলা সম্পাদক চিত্ৰ ৰঞ্জন ডেকাই সমজুৱাৰ বক্তব্য ৰখা সভাখনত অসম সাহিত্য সভাৰ সাংগঠনিক বিশেষ বঁটা প্ৰাপক গৌতমানন্দ গোস্বামীক সম্বৰ্ধনা জ্ঞাপন কৰে। জাতীয় সংগীতেৰে সামৰণি পৰা সভাখনত হাজৰিকাপাৰা সাহিত্য সভাৰ ন্যাস পুঁজিৰ বাবে বিশিষ্ট সমাজকৰ্মী মনোৰঞ্জন শইকীয়াই দুই লাখ টকা আগবঢ়ায়।

# ছাগলীয়াত চুৰি বাইকসহ ড্ৰাগছ সৰবৰাহকাৰী আটক

**ই-সংবাদ, গোলকগঞ্জ, ১ এপ্ৰিলঃ** ধুবুৰী জিলাৰ অসম-পশ্চিমবংগ সীমান্তৰ ছাগলীয়া আৰক্ষীয়ে যোৱা নিশা অভিযান চলাই চুৰি বাইক, নিষিদ্ধ ড্ৰাগছসহ এজন সৰবৰাহকাৰীক আটক কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। আটকাধীন বিদ্যাৰডাবৰী দ্বিতীয় খণ্ড গাঁৱৰ মফিজুল হক(৩০)। জানিব পৰা মতে, মফিজুল হক দীৰ্ঘদিনৰ পৰাই গাঁওখনত ড্ৰাগছৰ অবৈধ ব্যৱসায় চলাই আহিছিল। যোৱা নিশা গোপনখবৰৰ ভিত্তিত ছাগলীয়া আৰক্ষী অভিযান চলাই মফিজুল হকক আটক কৰে। মফিজুলে ছাগলীয়া আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া হীৰকজ্যোতি দাসক আক্ৰমণ কৰি AS-17 A-9035 নম্বৰৰ পালছাৰ বাইক লৈ পলায়ন কৰে। আৰক্ষীয়ে পাছে পাছে খেদি গৈ বিদ্যাৰডাবৰী দ্বিতীয় খণ্ড গাঁৱৰ শ্মশানৰ কাষত পুনৰ মফিজুল হকক কৰায়ত্ত কৰে। দৌৰা দৌৰিত ছেগ বুজি পাঁচশ নিষিদ্ধ যাবা টেবলেট পথত পেলাই দিয়ে যদিও আৰক্ষীয়ে মফিজুল হকৰ পৰা ৬৫টা যাবা টেবলেট উদ্ধাৰ কৰে। আনহাতে, আৰক্ষীয়ে মফিজুল হকৰ পৰা উদ্ধাৰ কৰা হিৰো গ্লেমাৰ বাইকখনৰ নম্বৰ ভুৱা পঞ্জীয়ন ভুক্ত। আৰক্ষীৰ সোধা-পোছাত বাইকখন চুৰি বাইক বুলি মফিজুল হকে স্বীকাৰ কৰে।

# ডিব্ৰুগড়ত কানৈ বাণিজ্য মহাবিদ্যালয়ত 'ছাত্ৰ-দিৱস' উদযাপন

**ই-সংবাদ, ডিব্ৰুগড়, ১ এপ্ৰিলঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ত আজি 'ছাত্ৰ দিৱস' হিচাপে পালন কৰা ছাত্ৰনেতা, প্ৰয়াত উপেন্দ্ৰনাথ ব্ৰহ্মৰ ৭০ সংখ্যক জন্মবাৰ্ষিকীত স্মৰণ কৰি এটি অনাড়ম্বৰ অথচ গাম্ভীৰ্যপূৰ্ণ কাৰ্যক্ৰমৰ আয়োজন কৰে। মহাবিদ্যালয়খনৰ মহিলা আবাসত অনুষ্ঠিত দিনটোৰ কাৰ্যক্ৰমৰত প্ৰয়াত নেতাগৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰি তেওঁৰ প্ৰতিকৃতিৰ সন্মুখত বন্তি প্ৰজ্জ্বলনৰ লগতে পুষ্পাঞ্জলি অৰ্পণেৰে আৰম্ভ হয়। প্ৰয়াত ছাত্ৰনেতাগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি তৰ্পণৰ এই কাৰ্যক্ৰমত মুখ্য তৰ্পকৰ দায়িত্ব পালন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ জয়দেৱ গগৈয়ে। ইয়াৰ পিছতে আয়োজিত মুকলি সভাত ভাষণ প্ৰদান কৰি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ জয়দেৱ গগৈয়ে প্ৰয়াত উপেন্দ্ৰনাথ ব্ৰহ্মৰ আদৰ্শৰাজিৰ উল্লেখ কৰাৰ সমান্তৰালভাৱে অতি চুটি জীৱনকালৰ ভিতৰতে সমাজত ইতিবাচক পৰিৱৰ্তন অনাৰ ক্ষেত্ৰত এগৰাকী সফল ছাত্ৰনেতা হিচাপে প্ৰয়াত ব্ৰহ্মাই নিজৰ প্ৰতিভা আৰু দক্ষতা প্ৰমাণ কৰিবলৈ সক্ষম হোৱাৰ প্ৰসংগ উল্লেখ কৰে। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰতিনিধি, মহিলা নিবাসৰ আবাসী ছাত্ৰীসকল, মহাবিদ্যালয়ৰ শিক্ষক-প্ৰতিনিধি সমন্বিতে দৰ্শক-শ্ৰোতাক অধ্যক্ষগৰাকীয়ে ৰাজ্যখনত সামূহিক উন্নয়নৰ স্বাৰ্থত মহান নেতাজনৰ আদৰ্শ তথা যোগাত্মক দিশসমূহ অনুসৰণ কৰিবলৈ আহ্বান জনায়। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান ড০ নৱজ্যোতি দত্তই সভাখনত ভাষণ প্ৰদান কৰি ৰাজ্যৰ বৃহত্তম জনগোষ্ঠী বড়ো সম্প্ৰদায়ক উন্নয়নৰ পথলৈ লৈ যোৱাত প্ৰসিদ্ধ নেতাজনৰ ভূমিকা বৰ্ণনা কৰাৰ লগতে 'ছাত্ৰ দিৱস' হিচাপে ৰাজ্যজুৰি তেওঁৰ জন্মদিন উদযাপনৰ পদক্ষেপ আৰম্ভ কৰাৰ বাবে ৰাজ্য চৰকাৰৰ উদ্যোগক প্ৰশংসা কৰে। মহাবিদ্যালয়ৰ হিচাপবিদ্যা বিভাগৰ সহকাৰী অধ্যাপক কেশৱানন্দ হালৈয়েও ভাষণ প্ৰদান কৰি মহাননেতাজনৰ জীৱনৰ ঘটনাক্ৰম কালক্ৰমৰ সৈতে বৰ্ণনা কৰে। তেওঁ ৰাজ্যৰ বিভিন্ন প্ৰান্তত মহান নেতাগৰাকীৰ স্মৃতিত নিৰ্মিত স্মাৰকসমূহৰ সন্দৰ্ভতো সমৱেতসকলক অৱগত কৰি উপকৃত কৰে। মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদক বিৰাজ সোণোৱাল আৰু চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰী তথা মহিলা নিবাসটোৰ আবাসী দীপশিখা দাসেও ছাত্ৰ-ছাত্ৰীসকলৰ হৈ এই অনুষ্ঠানত বক্তব্য প্ৰদান কৰে। মহাবিদ্যালয়খনৰ হিচাপবিদ্যা আৰু ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপকদ্বয় ক্ৰমে ড০ জেকব কোঁৱৰ আৰু ড০ লুকু মৰাঙৰ লগতে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক শশাংক মহনেও অনুষ্ঠানটিত অংশগ্ৰহণ কৰে। সভাৰ প্ৰাৰম্ভতে লক্ষ্য আৰু উদ্দেশ্য ব্যাখ্যা কৰা আৰু সামৰণিত সংশ্লিষ্ট সকলোৰে প্ৰতি শলাগৰ শৰাই জ্ঞাপন কৰাৰ লগতে সমগ্ৰ কাৰ্যক্ৰমৰ আঁত ধৰে হিচাপবিদ্যা বিভাগৰ আন এগৰাকী সহকাৰী অধ্যাপক তথা মহাবিদ্যালয়ৰ 'মহিলা নিবাস'ৰ তত্বাৱধায়ক বৰসিং হান্সেই। আৰম্ভণিতে, মহাবিদ্যালয়খনৰ নতুন অধ্যক্ষ হিচাপে মহিলা নিৱাসৰ চৌহদলৈ প্ৰথমবাৰৰ বাবে আগমণ ঘটা ড০ জয়দেৱ গগৈক নিবাসৰ আবাসী ছাত্ৰীসকলে এখনি ফুলাম গামোচাৰে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। ৰাজ্যৰ বৃহত্তম জনগোষ্ঠী বড়োসকলক প্ৰগতিৰ বাবে অহোপুৰুষাৰ্থ কৰা ছাত্ৰনেতা, উপেন্দ্ৰনাথ ব্ৰহ্মৰ জন্মদিনটো ৰাজ্য চৰকাৰৰ আহ্বানমৰ্মে ২০২৩ বৰ্ষৰ পৰা ৰাজ্যৰ শৈক্ষিক প্ৰতিষ্ঠানসমূহত 'ছাত্ৰ দিৱস' হিচাপে উদযাপিত হৈ আহিছে।

# ডিব্ৰুগড়ত আটাছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক

**ই-সংবাদ, ডিব্ৰুগড়, ১ এপ্ৰিলঃ** জনগোষ্ঠীৰ অস্তিত্ব ৰক্ষাৰ বাবে আন্দোলনৰ বাহিৰে আহোমে অন্য চিন্তা কৰি লাভ নাই। এই সিদ্ধান্ত সদৌ টাই আহোম ছাত্ৰ সন্থা(আটাছু)ৰ। আহোম জনগোষ্ঠীৰ একমাত্ৰ শক্তিশালী ছাত্ৰ সংগঠন সদৌ টাই আহোম ছাত্ৰ সন্থা(আটাছু) কেন্দ্ৰীয় সমিতিৰ এখন কাৰ্যনিৰ্বাহক সভা ৩০ মাৰ্চত ডিব্ৰুগড় হোটেল 'লিট'ল পেলেচ'ত অনুষ্ঠিত হয়। আটাছুৰ সভাপতি মিলন বুঢ়াগোহাঁইৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত সন্থাৰ উপদেষ্টা অনিল গগৈকে ধৰি সমুহ কাৰ্যনিৰ্বাহক সদস্য উপস্থিত থাকে। সভাত টাই আহোম জনগোষ্ঠীৰ জনজাতি কৰণ আৰু স্বায়ত্ব শাসন, বিদ্যালয়সমূহত টাই ভাষাৰ শিক্ষক নিযুক্তি, ঐতিহাসিক কৃতিচিহ্ন সমূহৰ সৌন্দৰ্যবৰ্ধন আৰু বিজ্ঞানসন্মতভাৱে সংৰক্ষণ, অৰুণাচল প্ৰদেশত বসবাস কৰা টাই আহোম জনগোষ্ঠীৰ লোকসকলক অৰুণাচল চৰকাৰে স্থায়ী বাসিন্দাৰ প্ৰদান কৰা আৰু বানৰ কবলত পৰি শদিয়াৰ পৰা উঠি আহি ডুমডুমাৰ কৰ্দৈগুৰিত বহু বছৰৰ পৰা অস্থায়ীভাৱে বসবাস কৰি থকা ২৭ টা পৰিয়ালক ভূমি প্ৰদান কৰাৰ দাবী সন্দৰ্ভত বিতংভাৱে আলোচনা কৰি প্ৰতিজন কাৰ্যনিৰ্বাহকে স্পষ্ট মতামত ব্যক্ত কৰি চৰকাৰক কঠোৰ সমালোচনা কৰে। সভাত আটাছুৰ সভাপতি মিলন বুঢ়াগোহাঁইয়ে কয় যে টাই আহোম জনগোষ্ঠীৰ উপৰোক্ত দাবী সমূহ যদি পূৰণ কৰা নহয় জনগোষ্ঠীটোৰ অস্তিত্ব নিঃশেষ হৈ যাব, ৰাজনৈতিকভাৱে যিটো জনগোষ্ঠীয়ে অসমত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰি আছে আৰু আহিছে সেই জনগোষ্ঠীৰ আজি মন্ত্ৰীসভাত এজন মাত্ৰ মন্ত্ৰী আছে। সেইদৰে শদিয়াৰ দৰে আহোমৰ গৰিষ্ঠ সংখ্যক জনবসতি থকা সমষ্টিত আজিলৈকে এজনো আহোম জনগোষ্ঠীৰ লোকক প্ৰাৰ্থিত্ব প্ৰদান কৰা নাই বিজেপি দলটোৱে। বিগত দিনত কংগ্ৰেছ চৰকাৰেও এই দাবীসমূহক লৈ ৰাজনীতি কৰাৰ বাবে ৰাইজে বিজেপিৰ ওপৰত বিশ্বাস কৰি চৰকাৰ গঠন কৰাত সহযোগ কৰিছিল আহোম জনগণে। কিন্তু বিজেপিয়ে জনগোষ্ঠীটোক ন্যাৰ্যপ্ৰাপ্তিৰ পৰা বঞ্চিত কৰি আজিপৰ্যন্ত নিজ ৰাজনৈতিক মুনাফা গ্ৰহণ কৰি আছে। গতিকে এই চৰকাৰখনৰ পৰা আটাছুৰ দাবীসমূহ পূৰণ হোৱাৰ আশা কৰি লাভ নাই সেয়েহে আহোম জনগোষ্ঠীৰ ৰাইজে এতিয়া কেৱল আন্দোলন কৰিবলৈ ওলাই আহিব লাগে, কাৰণ আন্দোলনৰ বিকল্প একোৱেই নাই বুলি মন্তব্য কৰে। ৰামদেৱৰ দৰে ধৰ্মগুৰুক শ-শ বিঘা মাটি প্ৰদান কৰা অসম চৰকাৰে ডুমডুমাৰ কাঁইটীয়া গাঁৱৰ বানে বিধ্বস্ত কৰা ২৭ টা খিলঞ্জীয়া পৰিয়ালক বছৰ বছৰ ধৰি ভূমি প্ৰদান কৰিব পৰা নাই। যোগেন মহনে ৰাইজৰ মাজত প্ৰতিশ্ৰুতি দিছিল যে ১৫ দিনৰ ভিতৰত পৰিয়াল কেইটাক ভূমি প্ৰদান কৰাৰ লগতে ৯০,০০০ টকাকৈ গৃহ নিৰ্মাণৰ বাবে প্ৰদান কৰিব। কিন্তু আজিপৰ্যন্ত একো খবৰ নাই। আহোম জনগোষ্ঠীৰ নামত তেনেকুৱা মন্ত্ৰী থকাৰ বাবেই আজিলৈকে দাবীবোৰ দাবীয়েই হৈ আছে। মুঠৰ ওপৰত ৰাইজক কেৱল আন্দোলন কৰি যাবলৈ আহ্বান জনোৱাৰ লগতে আগন্তুক পঞ্চায়ত নিৰ্বাচনত মিছলীয়া চৰকাৰ আৰু জনগোষ্ঠীৰ মিছলীয়া মন্ত্ৰী-বিধায়কক এসেকা প্ৰদান কৰিবলৈ মাৰ বান্ধি থিয় হ'বলৈ আহ্বান জনাইছে আটাছুয়ে।

# টাইবান্ধত দুৰ্ঘটনাত আহত তিনি বাইক আৰোহী

**ই-সংবাদ, গোলকগঞ্জ, ১ এপ্ৰিলঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত টাইবান্ধৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত মঙলবাৰে বিয়লি আঢ়ৈ বজাত এল্টো বাহনৰ খুন্দাত তিনি বাইক আৰোহী আহত হয়। আহতকেইজন ক্ৰমে তামাৰহাট থানাৰ সাতসৰেয়া, ভাটিপেটলা মকবৰ আলী, গফ্যুৰ আলী আৰু আবুল কালাম। তিনিও ভাই ককাই AS-17 N-8789 নম্বৰৰ পালছাৰ বাইকেৰে ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰে আগমনিৰ এঘৰ আত্মীয়ৰ ঘৰলৈ গৈ আছিল। টাইবান্ধ তিনি আলিত AS-02 AM-5191 নম্বৰৰ এল্টো কে-10 বাহনখন বাইকত পাছফালৰ পৰা খুন্দিয়াই চৰাইখোলাৰ দিশত পলায়ন কৰে। গুৰুতৰভাৱে আহত লোক কেইজনক স্থানীয় ৰাইজ উদ্ধাৰ কৰি গোলকগঞ্জ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ প্ৰেৰণ কৰে। এল্টো বাহনখন চৰাইখোলাৰ এজনৰ। ইয়াক কেন্দ্ৰ কৰি চৰাইখোলা আৰু টাইবান্ধৰ ৰাইজৰ মাজত মুকলি মাৰপিটৰ ঘটনা সংঘটিত হয়।

# গেলেকীত অসম নাগালেণ্ড সীমান্তত বিহু নাচৰ আখৰা

**ই-সংবাদ, গেলেকী, ১ এপ্ৰিলঃ** গেলেকী ন-পুখুৰী শাখা সাহিত্য সভাৰ কুঁহি উপ-সমিতি আৰু সাংস্কৃতিক উপ-সমিতিৰ উদ্যোগত আৰু চৰাইসজীয়া, বৰহোলা, সোণাপুৰ, নেপালী গাঁৱৰ স্থানীয় ৰাইজৰ সহযোগত বিহু নাচৰ আখৰা অনুষ্ঠিত হৈছে। যোৱা ২৬ মাৰ্চত শুভাৰম্ভণি হোৱা এই আখৰ অহা ৬ এপ্ৰিলত সামৰণি পৰিব। বিহু নাচৰ আখৰা থলী উদ্বোধন কৰে লোকশিল্পী তথা অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰিয়ৰাম শইকীয়াই। আখৰা মুকলি কৰি তেওঁ বিহুৰ আখৰা আৰু কৰ্মশালাৰ তাৎপৰ্যৰ বিষয়ে বক্তব্য আগবঢ়োৱাৰ লগতে পুৰণি বিহু নাম পৰিৱেশন কৰি আখৰা থলী জীপাল কৰি তোলে। ২৬ মাৰ্চৰ পৰা ৬ এপ্ৰিললৈ অনুষ্ঠিত হ'বলগীয়া বিহু নাচৰ আখৰাত যথেষ্ট সংখ্যক কিশোৰ-কিশোৰীয়ে অংশগ্ৰহণ কৰা দেখা পোৱা গৈছে। এই ক্ষেত্ৰত অমৰ শৰ্মা, উমা শৰ্মা, দিপক ৰাই, জয়ন্ত ৰাইকে প্ৰমুখ্য কৰি স্থানীয় ৰাইজৰ সহযোগিতাৰ ন-পুখুৰী শাখা সাহিত্য সভাৰ সভাপতি দিলীপ মহন্তই শলাগ লয়। সম্পাদক দিপালী ৰাধিকা দুৰৰাই কয় যে বিহু অসমীয়া জাতীয় জীৱনৰ কৃষ্টি, ইয়াক ধৰি ৰাখিবলৈ হ'লে নতুন প্ৰজন্মক লাগিব বিহুৰ আখৰা।

# ভাতৃত্ববোধ-সম্প্ৰীতিৰ বাণী বিলাই ডিব্ৰুগড়ত ঈদ-উল-ফিটৰ উদযাপন

**ই-সংবাদ, ডিব্ৰুগড়, ১ এপ্ৰিলঃ** ৰাজ্যৰ অন্যান্য ঠাইৰ লগতে ডিব্ৰুগড়তো সোমবাৰে পবিত্ৰ 'ঈদুল ফিটৰ' উৎসৱ পালন কৰা হয়। ইছলামধৰ্মী লোকসকলে সম্পূৰ্ণ এমাহ ৰোজাব্ৰত পালন কৰাৰ পাছত পৰম্পৰাগতভাৱে ঈদ উদযাপন কৰে। ডিব্ৰুগড়ৰ গ্ৰাহাম বজাৰত থকা ডিব্ৰুগড় কেন্দ্ৰীয় ঈদগাহত প্ৰায় ৮(আঠ) হাজাৰ লোকে ঈদৰ নামাজত অংশগ্ৰহণ কৰে। শাৰীবদ্ধভাৱে কান্ধত কান্ধ মিলাই নামাজ পঢ়া দৃশ্য অতি মনোমোহা। ডিব্ৰুগড় কেন্দ্ৰীয় ঈদগাহত ঈদৰ নামাজত ইমামতি কৰে ডিব্ৰুগড় পল্টন বজাৰ মছজিদৰ পেচ ইমাম হাফিজ কাৰী মৌলানা মহম্মদ তনৱীৰ চাকৱী আশ্ৰফীয়ে। নামাজৰ শেষত ইমামগৰাকীয়ে জাতি-ধৰ্ম-ভাষা-বৰ্ণ নিৰ্বিশেষে সকলোৰে মাজত প্ৰেম, সম্প্ৰীতি আৰু ভাতৃত্বৰ কথা কোৱাৰ লগতে বিশ্বশান্তি কামনা কৰি নেদেখাজনৰ ওচৰত দুহাত তুলি দোৱা-আশীৰ্বাদ কৰে। ডিব্ৰুগড় ঈদগাহ কমিটীৰ সম্পাদক আলহজ আমানুল্লা আনচাৰিয়ে উপস্থিত সকলোকে ঈদ মোবাৰক আৰু ধন্যবাদ জনোৱাৰ লগতে শলাগৰ শৰাই আগবঢ়ায় কমিটীৰ সম্পাদক আলহজ চৌকত আলীয়ে। তেওঁ ডিব্ৰুগড় জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসন, বিদ্যুৎ বিভাগ, ডিব্ৰুগড় পৌৰসভা, সংবাদ মাধ্যমৰ আৰু ঈদগাহৰ কৰ্মীসকলে তেওঁলোকে আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। ডিব্ৰুগড়ত বতৰ ফৰকাল হোৱা বাবে ডিব্ৰুগড়ৰ আমোলাপট্টিত থকা আলহজ জালালউদ্দিন আহমেদ ঈদগাহত দুই হাজাৰ লোকে নামাজত অংশগ্ৰহণ কৰে। ইয়াত ইমামতি কৰে অসম জামিউল মাদ্ৰাছাৰ মৌলানা মঞ্জুৰ আহমেদে। তেওঁ বিশ্বচ্ছা আৰু ঈদ মোবাৰক জনাইছে শান্তিৰ বাবে পৰম কৰুণাময়ৰ ওচৰত দুহাত তুলি দেশৰ দহৰ বাবে প্ৰাৰ্থনা কৰে। ডিব্ৰুগড়ত থকা ৩০(ত্ৰিশ) টা মছজিদটো শান্তিপূৰ্ণভাৱে ঈদৰ নামাজ অনুষ্ঠিত হয়। ঈদ উপলক্ষে বিভিন্নজনে শুভেচ্ছা বাণী পঠিয়াইছে। ডিব্ৰুগড়ৰ জাকাত এণ্ড ইমদাদ ফাউণ্ডেচনৰ সভাপতি ডাঃ চাজিদ আহমেদ, সম্পাদক নাচিৰ চুলতান, কোষাধ্যক্ষ নেজিব হুছেইন ছাৱী, চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজৰ সভাপতি চেহিৰ আহমদ, সম্পাদক এম হাছিম আলী, উপ-সভাপতিদ্বয় আব্দুল খালেক, ৰফিক আহমেদ, ডিব্ৰুগড় ঈদগাহ সমিতিৰ সভাপতি আলহজ্ব আমানউল্লা আনচাৰি, সম্পাদক আলহজ্ব চৌকত আলী, কাৰ্যকৰি সভাপতি আব্দুল চাজিদ, ডিব্ৰুগড় জিলাৰ হিলাল কমিটীৰ সভাপতি আলহজ মৌলানা আইনান জুবেৰী, সম্পাদক আলহজ্ব নাচিমুল গণি, ডিব্ৰুগড় ইমাম পৰিষদৰ সভাপতি আলহজ্ব মৌলানা ছবিৰ আহমেদ, সম্পাদক আলহজ্ব মৌলানা আতিকুৰ ৰহমান কাচিমী, আলহজ জালাল উদ্দিন আহমেদ আলহজ ছবিৰ আহমেদ, সম্পাদক জাৱেদ ৰহমান, ডিব্ৰুগড় দাৰুল হাদিছ মাদ্ৰাছাতুল বানাত ছোৱালী মাদ্ৰাছাৰ সভাপতি মনিৰউদ্দিন আহমেদ, সম্পাদক আৰিফ উদ্দিন আহমেদ আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে ঈদৰ শুভেচ্ছা জনায়।

# গোগ আনজুমানে মুছলিম ঈদগাহত ঈদ-উল-ফিটৰৰ নামাজ

**ই-সংবাদ, বাইহাটা চাৰিআলি, ১ এপ্ৰিলঃ** কামৰূপ জিলাৰ গোগ আনজুমানে মুছলিম ঈদগাহত ৩১ মাৰ্চৰ দিনা ঈদ উল ফিটৰৰ সমূহীয়া নামাজ সম্পন্ন কৰা হয়। প্ৰাপ্ত বাতৰি অনুসৰি, পবিত্ৰ ৰমজানৰ এমাহ ৰোজা ৰখাৰ অন্ততঃ যোৱা সোমবাৰে পুৱা ৮.৩০ বজাত গোগ-নকুছি-ক্ষুদ্ৰপলহা আৰু বৰপলহাৰ সাত শতাধিক ধৰ্মপ্ৰাণ লোকে আনজুমানে মুছলিম ঈদগাহত একেলগে সমবেত হৈ পবিত্ৰ ঈদ উল ফিটৰৰ নামাজ আদায় কৰে। ঈদ উল ফিটৰৰ নামাজৰ ইমামতি কৰে দাৰুল উলুম গাড়ীগাঁৱৰ প্ৰাক্তন সহঃ শিক্ষক মৌলানা ইদ্ৰিছ আলী চাহাবে। নামাজৰ পূৰ্বে গোগ আনজুমানে মুছলিম ঈদগাহ পৰিচালনা সমিতিৰ সভাপতি চৈয়দ ৰুবুল কাজীয়ে এক সাৰলিল আৰু সুন্দৰ বক্তব্য প্ৰদান কৰাৰ লগতে সম্পাদক বাহাৰুল ইছলাম বড়াই বছৰেকীয়া প্ৰতিবেদন পাঠ কৰে।

# মথুৰাপুৰত উলহ মালহেৰে ঈদ উদযাপন

**ই-সংবাদ, মথুৰাপুৰ, ১ এপ্ৰিলঃ** বিশ্বৰ ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পবিত্ৰ ঈদ-উল-ফিটৰ। সমগ্ৰ ভাৰতবৰ্ষৰ লগতে বিশ্বৰ অধিকাংশ দেশে পালন কৰে এই পবিত্ৰ ঈদ-উল-ফিটৰ। এই উপলক্ষে চৰাইদেউ জিলাৰ বিভিন্ন ঈদগাহ আৰু মছজিদসমূহৰ লগতে মথুৰাপুৰতো পৰম্পৰাগতভাৱে উলহ-মালহেৰে উদযাপন কৰা হয় ঈদ। সম্পূৰ্ণ এটা মাহ উপবাসে থাকি ৰোজা পালন কৰাৰ অন্তত আজি আনন্দ-উলাহৰ মাজেৰে উদযাপন কৰা হয় এই পবিত্ৰ ঈদ। পুৱা মথুৰাপুৰ ৰাজহুৱা ঈদগাহ ময়দানত মথুৰাপুৰ সদৰ মছজিদ জামাত আৰু মাজগাঁও মছজিদ জামাত একত্ৰিত হৈ বিশ্ব শান্তিৰ লগতে ভাতৃত্ববোধেৰে সকলোৰে মংগল কামনা কৰি সমূহীয়াভাৱে সম্পন্ন কৰা হয় ঈদৰ নামাজ। নামাজৰ শেষত এজনে আনজনৰ সৈতে কান্ধত কান্ধ মিলাই আলিংগন কৰি মৰম-ভালপোৱা নিবেদন কৰে। আজি ঈদৰ নামাজত ইমামতি কৰে মথুৰাপুৰ সদৰ মছজিদৰ ইমাম মৌলনা এনামুল হকে।

# মিছাজান কেন্দ্ৰীয় ঈদগাহত ঈদৰ সমূহীয়া নামাজ

**ই-সংবাদ, গেলেকী, ১ এপ্ৰিলঃ** আজি ঈদ উল ফিটৰ। সমগ্ৰ অসমৰ লগতে শিৱসাগৰ জিলাৰ মিছাজান কেন্দ্ৰীয় ঈদগাহতো ঈদৰ সমূহীয়া নামাজ পঢ়া হয়। পুৱা ৯ বজাত অনুষ্ঠিত হোৱা ঈদৰ সমূহীয়া নামাজত এক হাজাৰতকৈও অধিক লোকে অংশগ্ৰহণ কৰে। নামাজত পেচ ইমাম হিচাপে থাকে মিছাজান বৰমছজিদ জামাতৰ ইমাম মৌলানা ফাৰুক আহমেদে। সম্পূৰ্ণ শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হয় ঈদৰ সমূহীয়া নামাজ। টাই আহোম উন্নয়ন পৰিষদৰ লগতে ভালেসংখ্যক অনুষ্ঠান-প্ৰতিষ্ঠানে আজি ঈদৰ শুভেচ্ছা জ্ঞাপন কৰে।

# গোলাঘাটৰ আধাৰসত্ৰৰ ঐতিহাসিক মছজিদত সহস্ৰাধিক লোকে আদায় কৰিলে ঈদৰ নামাজ

**ই-সংবাদ, খুমটাই, ১ এপ্ৰিলঃ** পবিত্ৰ ঈদ-উল-ফিটৰ। এক মাহজোৱা পবিত্ৰ ৰমজানৰ ধৰ্মীয় উপৱাসৰ অন্তত সোমবাৰে ইছলাম ধৰ্মী লোকসকলে উলহ-মালহেৰে ঈদ পালন কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লোকসকলে আজি পবিত্ৰ ঈদ উৎসাহ-উদ্দীপনাৰে পালন কৰে। গোলাঘাটৰ আধাৰসত্ৰৰ ইছলাম ধৰ্মাৱলম্বী ৰাইজে পুৱাই আজি গোঁসাই সত্ৰ পুৰণা মছজিদত সমৱেত হৈ সমূহীয়া নামাজ আদায় কৰে। আল্লাহৰ ওচৰত সকলোৰে মংগল কামনাৰে প্ৰাৰ্থনা জনায়। তাৰ পিছতেই সকলোৱে ৰাজহুৱা কবৰ স্থানলৈ গৈ পূৰ্বপুৰুষসকলৰ আত্মাৰ সদ্গতি কামনাৰে দোৱা কৰে আৰু তেওঁলোকলৈ শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰে। সকলোৱে জ্যেষ্ঠজনৰ আশীৰ্বাদ লৈ সকলোকে পবিত্ৰ ঈদৰ শুভেচ্ছা জনায়।

# চতিয়াৰ কৰৈয়নী আঞ্চলিক ঈদগাহ ময়দান আৰু শ'লমাৰী ঈদগাহ ময়দানত ঈদৰ নমাজ সম্পন্ন

**ই-সংবাদ, চতিয়া, ১ এপ্ৰিলঃ** পৱিত্ৰ ঈদ-উল-ফিটৰ উপলক্ষে মাহজোৱা ৰোজা ৰাখি অন্তিম দিনা ইছলাম ধৰ্মীয় লোকসকলে পালন কৰে পবিত্ৰ ঈদ-উল-ফিটৰৰ নামাজ। সমগ্ৰ ৰাজ্যৰ লগতে বিশ্বনাথ জিলাৰ চতিয়াৰ কৰৈয়নী আঞ্চলিক ঈদগাহ ময়দান, চতিয়া আঞ্চলিক ঈদগাহ ময়দান, কটৰআটি ঈদগাহ ময়দান, শ'লমাৰী মৌলনা আব্দুল লতিফ ঈদগাহ ময়দানকে আদি কৰি বিভিন্ন ঈদগাহ ময়দানত ঈদ-উল-ফিটৰৰ নামাজ মুছলমান ধৰ্মীয় লোকসকলে আদায় কৰে। সোমবাৰে এই পৱিত্ৰ দিনটোতে সমগ্ৰ ৰাজ্যৰ লগতে আমছুৰ বিশ্বনাথ জিলা সমিতিৰ উদ্যোগত কৰৈয়নী আঞ্চলিক ঈদগাহ ময়দানত পৱিত্ৰ ঈদৰ নামাজৰ আগত আমছুৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক কুদ্দুচ্ছ আলী সৰকাৰৰ নেতৃত্বত আৰু বিশ্বনাথ জিলা সমিতিৰ সভাপতি ফকিৰ আলীৰ সহযোগত আমছুৰ ৪৬ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে ঈদগাহ ময়দানত উপস্থিত থকা বিশিষ্ট ব্যক্তি আৰু আমছুৰ কৰ্মীসকলে ৪৬ খন পতকা উত্তোলন কৰে। ইফালে, শ'লমাৰীৰ মৌলনা আব্দুল লতিফ ঈদগাহ ময়দানত ঈদ-উল-ফিটৰৰ নমাজৰ পিছত সকলোৱে মিলি বিশ্ব শান্তি, ভাতৃত্ববোধ আৰু গৰা খহনীয়াৰ পৰা পৰিত্ৰাণ পোৱাৰ বাবে নেদেখাজনৰ ওচৰত দোৱা-প্ৰাৰ্থনা

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# নলবাৰীত সাৰ-বীজৰ অত্যধিক দাম বৃদ্ধিত কৃষকৰ হাহাকাৰ

**ই-সংবাদ , নলবাৰী, ১ এপ্রিলঃ** ৰাজ্যৰ আন জিলাৰ কৃষকসকলৰ দৰে নলবাৰী জিলাৰ কৃষকসকলেও ৰবিশস্যৰ খেতি কৰাৰ বাবে ব্যস্ত হৈ পৰিছে যদিও বতৰকালীন শস্যৰ বীজ আৰু ৰাসায়নিক সাৰৰ মূল্য বৃদ্ধিয়ে সমস্যাত পেলাইছে চহা খেতিয়কসকলক। কৃষি চহকী জিলাখনৰ বহু কৃষকে ইতিমধ্যে আগতীয়াকৈ ৰবি খেতি আৰম্ভ কৰিছে। কিন্তু সাৰ-বীজৰ অত্যধিক মূল্য বৃদ্ধিয়ে ভবাই তুলিছ তেওঁলোকক। আনহাতে, জিলাখনৰ গৰিষ্ঠসংখ্যক কৃষকে এতিয়া ৰবি শস্যৰ বাবে মাটি চলাই বীজ ৰোপণৰ বাবে সাজু হৈছে যদিও বীজ দামে সমস্যাত পেলাইছে। বজাৰত প্ৰায় প্ৰতিবিধ বীজৰ দাম প্ৰায় দুগুণলৈ বৃদ্ধি পাইছে। বীজৰ এনে মূল্য বৃদ্ধিয়ে কৃষক-ৰাইজক বিপাঙত পেলাইছে। আনহাতে, অভাৱগ্ৰস্ত জিলাখনৰ চহৰকে ধৰি বিভিন্ন প্ৰান্তৰ মুকলি বজাৰত জিকা, তিঁয়হ, কোমোৰা, তিত কেৰেলা, জলকীয়া আদি ৰবিশস্যৰ বীজৰ দাম অত্যধিক বাঢ়িছে। সাধাৰণ এটা জিকা গুটি কিনিবলগীয়া হৈছে তিনি-চাৰি টকাত। বীজৰ এনে আকাশলংঘী দাম বৃদ্ধিৰ বাবে বীজ ক্ৰয়ৰ ক্ষেত্ৰত কৃষকে দহবাৰ ভাবিবলগীয়া হৈছে। এনে অৱস্থাত কৃষকৰ দুখ বুজিবলৈ ৰাজ্যৰ কৃষি বিভাগৰ নাই কোনো আহৰি। বিয়াগোম বিভাগটোৱে ৰাজ্যৰ কৃষকসকলক এনেদৰে এপদো বৰিশস্যৰ বীজ যোগান ধৰিবলৈ সক্ষম হোৱা নাই বুলি অভিযোগ উঠিছে। কৃষকৰ সহায়ক হোৱাকৈ বিভাগটোৱে বিভিন্ন আঁচনি গ্ৰহণ কৰা বুলি বিজ্ঞাপন জাৰি কৰি আহিছে যদিও সৰ্বসাধাৰণৰ কৃষকে বিশেষ সুফল লাভ নকৰা বুলি অভিযোগ উঠিছে। ইপিনে, সম্প্ৰতি দেখা দিয়া ডি এই পি আদি ৰাসায়নিক সাৰৰ মূল্য বৃদ্ধিয়ে কৃষকসকলৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অৱশ্যে, জিলাখনত ৰাজসাহায্য যুক্ত ইউৰিয়া সাৰ যোগানত কেলেংকাৰী তথা বিসংগতি হোৱা নাই বুলি কৃষি বিপণন পৰিষদ, নলবাৰীৰ কৰ্তৃপক্ষই সদৰি কৰিছে। সম্পূৰ্ণ চৰকাৰী নীত-নিয়মৰ মাজেৰে উক্ত ইউৰিয়া বিতৰণ কৰি থকা হৈছে। যিসকল ব্যৱসায়ী আই ডিত ইউৰিয়া সাৰৰ POS Stock আছে, সেইসকলে আগৰ DD Number receive কৰা নাই লগতে কোনো অঞ্চলত ইউৰিয়াৰ প্ৰয়োজন আদিৰ প্ৰতি গুৰুত্ব প্ৰদান কৰি ইউৰিয়া সাৰৰ বিতৰণ কৰাৰ নিৰ্দেশ দিয়া আছে বুলিও জানিবলৈ দিছে কৃষি বিপণন কৰ্তৃপক্ষই।

# ভট্টদেৱ বিশ্ববিদ্যালয়ৰ দীক্ষান্ত সমাৰোহত স্বৰ্ণ পদক সৰভোগৰ বৰ্ণালী দাসৰ

**ই-সংবাদ, কোকিলা, ১ এপ্রিলঃ** ভট্টদেৱ বিশ্ববিদ্যালয় বজালীৰ পৰা ভূগোল বিষয়ত স্নাত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰি উত্তীৰ্ণ হৈ সমগ্ৰ সৰভোগ অঞ্চললৈ সুনাম কঢ়িয়াই আনিলে সৰভোগৰ জীয়ৰী বৰ্ণালী দাসে। সৰভোগৰ ৪নং ৱাৰ্ডৰ নিবাসী কৃতি শিক্ষক উদ্ধৱ দাস আৰু লক্ষ্মী দাসৰ কনিষ্ঠ জীয়ৰী। বজালীৰ ভট্টদেৱ বিশ্ববিদ্যালয়ত আয়োজিত দীক্ষান্ত সমাৰোহত প্ৰতিভাৱান ছাত্ৰীগৰাকীক সোণৰ পদক প্ৰদান কৰে অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই। ২০১৯ চনত সৰভোগ নৱোদয় বিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰীক্ষাত ভূগোল বিষয়ত ১০০ নম্বৰ লাভ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। দীক্ষান্ত সমাৰোহত মন্ত্ৰী ৰঞ্জিত দাস, বিধায়ক ফণীধৰ তালুকদাৰ, বিশিষ্ট শিক্ষাবিদ অমৰজ্যোতি চৌধুৰীৰ লগতে বহু কেইগৰাকী বিশিষ্ট শিক্ষাবিদ উপস্থিত থাকে। উক্ত অনুষ্ঠানতে কলা-সংস্কৃতিৰ অন্যতম সাধক কৃষ্ণ ৰায়ক সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানত মুঠ ১৯২০ গৰাকীক ডিগ্ৰী প্ৰদান কৰা হয়।

# তিনিচুকীয়াত সৰু মাছ ধৰাত প্ৰশাসনৰ নিষেধাজ্ঞা

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১ এপ্রিলঃ** মাছৰ স্বাভাৱিক বংশ বৃদ্ধি প্ৰজননত যাতে বাধাৰ সৃষ্টি নহয়, তাৰ বাবে অসম চৰকাৰ আৰু তিনিচুকীয়া জিলা প্ৰশাসনে মাছুৱৈসকলৰ ওপৰত কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। তিনিচুকীয়া জিলাৰ সকলো মাছমৰীয়া আৰু মৎস্য ব্যৱসায়ীক উদ্দেশ্যে আজি জিলা আয়ুক্ত স্বপ্নীল পালৰ স্বাক্ষৰিত এখন জাননীত কোৱা হৈছে যে, অসম চৰকাৰৰ মীন নীতি ১৯৫৩, (সংশোধিত ২০০৫) ফিচাৰী আইন আৰু বিধিৰ ২৩ ধাৰা অনুসৰি মাছ মৰা ক্ষেত্ৰত কিছু বাধা আৰোপ কৰা হৈছে। সেই মৰ্মে ৭/১৪ ছে. মিটাৰতকৈ সৰু ঘৰৰ ৰবজাল, মহাজাল, ফাঁচীজাল বা কোনো ধৰণৰ জাল মৰা বা মাছ ধৰা কাৰ্য মাছৰ প্ৰজনন কালৰ সময় ১ এপ্রিল, ২০২৫ পৰা ১৫ জুলাই, ২০২৫ লৈকে নিষিদ্ধ কৰা হৈছে। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই এখন প্ৰেছ বিজ্ঞপ্তিত এই কথা প্ৰকাশ কৰি কয় যে, ১.২ ছে.মি কম ঘৰৰ আকাৰৰ মোছৰি জাল গোটেই বছৰ ধৰি নিষিদ্ধ কৰা হৈছে। ফিচাৰী আইন আৰু বিধিৰ ২৩ (এ) ধাৰা অনুসৰি মাছৰ প্ৰজননৰ সময় (কণী আৰু পোণা ধাৰণ কৰা) ত মাছ যেনে- ৰৌ, বাহু, মিৰিকা, মালি, চিতল, খৰিয়া, পিঠিয়া, ঘৰিয়া আৰু কুঢ়ি মাছ ধৰা আৰু বিক্ৰী কৰাৰ ক্ষেত্ৰত ১ মে, ২০২৫ পৰা ১৫ জুলাই, ২০২৫ লৈ নিষিদ্ধ কৰা হৈছে। যিকোনো পদ্ধতিৰে বা যিকোনো উদ্দেশ্যে বা নিজে খাবৰ বাবে বা বিক্ৰীৰ বাবে ২৩ ছে. মি.ৰ কম দৈৰ্ঘ্যৰ ৰৌ, বাহু, মিৰিকা, চিতল, খৰিয়া, পিঠিয়া, ঘৰিয়া আদি আৰু ১০ ছে. মি.ৰ কম দৈৰ্ঘ্যৰ মালি, কুঢ়ি, ভাঙোন আদি মাছ ধৰাৰ ক্ষেত্ৰত ১ আগষ্ট, ২০২৫ পৰা ৩১ অক্টোবৰৰ, ২০২৫ লৈ নিষিদ্ধ কৰা হৈছে। উপৰিক্ত নিষেধাজ্ঞাসমূহ ভংগ কৰিলে অসম মীন আইনৰ ২২ নং আৰু ৪১ নং ধাৰা অনুসৰি আইন ভংগকাৰীসকলক জৰিমনা বিহা হ'ব পাৰে আৰু ব্যৱহাৰ হোৱা জাল, অন্যান্য মাছ ধৰা সঁজুলি আদি বাজেয়াপ্ত কৰা হ'ব। ভাৰতীয় মীন আইন ১৮৯৭ ধাৰা ৭(১) মীন আইন ১৯৫৩ চনৰ ২৭ নং ধাৰা অনুসৰি উক্ত আইন ভঙ্গকাৰীক গ্ৰেপ্তাৰ কৰাৰ উপৰি বিহিত শাস্তি প্ৰদান কৰা হ'ব।

# ছিপাঝাৰত বিবেকানন্দ কেন্দ্ৰৰ যুৱ নেতৃত্ব বিকাশ শিবিৰৰ সামৰণি

**ই-সংবাদ, ছিপাঝাৰ, ১ এপ্রিলঃ** বিবেকানন্দ কেন্দ্ৰ, কন্যাকুমাৰী, অসম প্ৰান্ত আৰু মঙলদৈ শাখাৰ উদ্যোগত ২৬ মাৰ্চৰ পৰা ৩১ মাৰ্চলৈ ছয়দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা যুৱ নেতৃত্ব বিকাশ শিবিৰৰ যোৱা ৩১ মাৰ্চত সামৰণি পৰে। দৰং জিলাৰ ছিপাঝাৰৰ বৃহত্তৰ হাজৰিকাপাৰা অঞ্চলৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান গান্ধী স্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত এই শিবিৰটো প্ৰথম দিনা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে মঙলদৈ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ প্ৰবক্তা ড০ অংগীৰস শৰ্মাই। অসমৰ শদিয়া, তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, নগাঁও, তেজপুৰ, বিশ্বনাথ চাৰিআলি, ধেমাজি, লখিমপুৰ, বঙাইগাঁও, কামৰূপ মহানগৰ, দৰং, ওদালগুৰি আদি জিলাৰ সৰ্ব মুঠ ১২০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এই শিবিৰত অংশগ্ৰহণ কৰে। ছয়দিনীয়া উক্ত শিবিৰটো পৰিচালনাত বিশেষ ভূমিকা গ্ৰহণ কৰে শিবিৰ প্ৰমুখ পস্ফা ৰাণা, প্ৰাঞ্জল শৰ্মা আৰু মুখ্য ব্যৱস্থাপক হিচাপে বিবেকনন্দ কেন্দ্ৰ, অসম প্ৰান্তৰ যুৱ প্ৰমুখ দাদুল দাসৰ লগতে হাজৰিকাপাৰা আঞ্চলিক ক্ৰীড়া সন্থা, ৰাইজিং ক্লাব, হাজৰিকাপাৰা, গান্ধী স্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতি প্ৰমুখ্যে বৃহত্তৰ হাজৰিকাপাৰা অঞ্চলৰ সচেতন নাগৰিকসকলে। এই শিবিৰত বিবেকানন্দ কেন্দ্ৰৰ অসম প্ৰান্তৰ সংগঠক অলকা গৌৰী যোশী, কামৰূপ বিভাগৰ সহ কাৰ্যপদ্ধতি প্ৰমুখ ৰবি শংকৰ প্ৰমুখ্যে কাৰ্যকৰ্তাসকল উপস্থিত থাকে। আনহাতে, সামৰণিৰ দিনা গোলাঘাট জিলাৰ খুমটাই মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা অসম প্ৰান্তৰ প্ৰান্ত প্ৰমুখ ড০ শোভাৰাণী বৰকটকী বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। উক্ত শিবিৰত ভাৰতীয় দৰ্শন, সংস্কৃতি, শিক্ষা, বিজ্ঞান, যোগবিদ্যা, সমৰকলা, কৌশল বিকাশ, আধ্যাত্মিক চিন্তন, আত্মনিৰ্ভৰ ভাৰত বিষয়ৰ ওপৰত অসম তথা ভাৰতৰ বিভিন্ন বিষয়ত পাৰদৰ্শী সমল ব্যক্তিৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলক মাৰ্গ দৰ্শন দিয়াৰ উপৰি পোনপটীয়াকৈ মত বিনিময়ৰ কৰাৰ ব্যৱস্থা কৰা হয়। মূলতঃ যুৱ প্ৰজন্মক শাৰীৰিক, মানসিক, বৌদ্ধিক আৰু আধ্যাত্মিকভাৱে বিকশিত কৰি সমাজ আৰু ৰাষ্ট্ৰৰ প্ৰেৰণা হ'ব পৰাকৈ নৈতিক চৰিত্ৰ নিৰ্মাণৰ লগতে সামাজিক সুনেতৃত্ব নিৰ্মাণৰ হেতু এই শিবিৰটো আয়োজন কৰা হৈছিল।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

## ৩৬ সংখ্যক তিনিআলি আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ লাইখুঁটা স্থাপন

**ই-সংবাদ, মির্জা, ১ এপ্রিলঃ** পলাশবাৰী সমষ্টিৰ অন্তৰ্গত মির্জাৰ সমীপৰ তিনিআলি আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ এইবেলি ৩৬ সংখ্যক ৰঙালী বিহু অহা ১৫ আৰু ১৬ এপ্রিলত দক্ষিণ কামৰূপ বিদ্যাপীঠ হাইস্কুল খেলপথাৰত দুদিনীয়া কাৰ্যসূচীৰে উদযাপন কৰা হ'ব। এই উপলক্ষে আজি পুৱা লাইখুঁটা স্থাপন কৰে এই বিহু সন্মিলনীৰ সভাপতি বিজয় চৌধুৰীয়ে। কাৰ্যসূচীৰ আঁত ধৰে সম্পাদক মৃদুল দাসে। লাইখুঁটা স্থাপন কৰি সভাপতি বিজয় চৌধুৰীয়ে এই দুদিনীয়া বিহু সন্মিলনীৰ সফল ৰূপায়ণ হোৱাৰ কামনা কৰে। কাৰ্যসূচীত সন্মিলনীৰ জ্যেষ্ঠ সদস্য গোপেশ চৌধুৰীৰ লগতে বিষয়ববীয়া আৰু সদস্যই অংশগ্ৰহণ কৰে। এই ৰঙালী বিহু সন্মিলনীত মুকলি বিহু প্ৰতিযোগিতা, ভেশচন, আবৃত্তি, সম্বৰ্ধনা, নিশাৰ ভাগত নিমন্ত্ৰিত কণ্ঠশিল্পীৰ দ্বাৰা গীত-মাত আদি অনুষ্ঠান পৰিৱেশন কৰা হ'ব। আনহাতে, অহা ৫ এপ্রিলৰ পৰা ১১ এপ্রিললৈ সাতদিনীয়া কাৰ্যসূচীৰে এখনি বিহু নাচ কৰ্মশালাৰো আয়োজন কৰা হৈছে বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে। এই দুয়োটা কাৰ্যসূচীতে ৰাইজৰ উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে।

## বিশিষ্ট সমাজকৰ্মী ৰত্নেশ্বৰ দাসৰ পৰলোক, শোকস্তব্ধ বৰাজোল-ভিঠামহল

**ই-সংবাদ, নলবাৰী, ১ এপ্রিলঃ** নলবাৰী জিলা অগ্নিনিৰ্বাপক বাহিনীৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ বিষয়া, ভিঠামহল বাসন্তী পূজা পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি, ভিঠামহল শ্ৰীশ্ৰীকলীয়া গোসাঁই থান পৰিচালনা আৰু উন্নয়ন সমিতিৰ কাৰ্যকৰী সভাপতি, ভিঠামহল বাসন্তী মন্দিৰ পৰিচালনা সমিতিৰ উপদেষ্টা, প্ৰাক্তন শিক্ষক, নেতা উমেশ চন্দ্ৰ দাসৰ জ্যেষ্ঠ ভাতৃ তথা বিশিষ্ট সমাজকৰ্মী ৰত্নেশ্বৰ দাসৰ যোৱা নিশা ৯.৩০ বজাত ভিঠামহলস্থিত নিজ বাসগৃহত বাৰ্ধক্যজনিত ৰোগত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮০ বছৰ। মৃত্যুৰ সময়ত তেওঁ পত্নী, তিনি গৰাকী পুত্ৰ, এগৰাকী কন্যাসহ অসংখ্য গুণমুগ্ধক ইহ সংসাৰত এৰি থৈ যায়। উল্লেখ্য যে চৰকাৰী কৰ্মজীৱনত অসমৰ বিভিন্ন ঠাইত অত্যন্ত নিষ্ঠা আৰু সততাৰে সেৱা আগবঢ়োৱা ৰত্নেশ্বৰ দাস এগৰাকী মিষ্টভাষী আৰু সমাজহিতৈষী ব্যক্তি আছিল। অৱসৰকালীন সময়ছোৱাত তেওঁ বিভিন্ন ধৰণৰ সামাজিক কাম কাজত নিজক জড়িত কৰাৰ উপৰি ভিঠামহল, পানবাৰী, ঘগ্ৰাপাৰ, সাগৰকুছি, খাতিকুছি, দলবাৰী, বৰাজোল প্ৰমুখ্যে বিভিন্ন অঞ্চলৰ অনুষ্ঠান-প্ৰতিষ্ঠান তথা সাধাৰণ ৰাইজৰ সৈতে মধুৰ সম্পৰ্ক ৰক্ষা কৰিছিল। তেওঁৰ বিয়োগত শ্ৰীশ্ৰী কলীয়া গোঁসাই থান পৰিচালনা সমিতি আৰু উন্নয়ন সমিতি, নলবাৰী প্ৰেছ ক্লাবৰ সভাপতি জিতেন শৰ্মা, সাংবাদিক মনোজ শৰ্মা, বৰদৈচিলা থিয়েটাৰৰ প্ৰযোজক নজৰুল ইছলাম, বৰাজোল দুৰ্গা পূজা পৰিচালনা সমিতি, বৰাজোল আঞ্চলিক ছাত্ৰ সন্থা, নলবাৰী জিলা অগ্নিনিৰ্বাপক বাহিনী, শ্ৰী শ্ৰী ভিঠামহল বাসন্তী পূজা পৰিচালনা সমিতি, ভিঠা শইকীয়া পাৰালক্ষ্মী মন্দিৰ পৰিচালনা সমিতি, ভিঠা সালেদাব চুপা, পূব বড়ীৰ চুপা গোপাল মন্দিৰ পৰিচালনা সমিতি, গোপাল মন্দিৰ পৰিচালনা সমিতি, বৰাজোল বজাৰ পৰিচালনা সমিতি, বৰাজোল মছজিদ পৰিচালনা সমিতি, সাগৰকুছি-খাতিকুছি দুৰ্গা মন্দিৰ আৰু পূজা পৰিচালনা সমিতি, বৰাজোল উচ্চতৰ মাধ্যমিক বিদ্যালয়, ২২১ নং ভিঠা প্ৰাথমিক বিদ্যালয়, বৰাজোল বালিকা উচ্চ মাধ্যমিক বিদ্যালয়, বৰাজোল এম ই মাদ্ৰাছা, দলবাৰী মছজিদ পৰিচালনা সমিতি বৰীৰ চুপা লক্ষ্মী মন্দিৰ পৰিচালনা সমিতিসহ বিভিন্ন অনুষ্ঠান তথা ব্যক্তি বিশেষে গভীৰ শোক প্ৰকাশ কৰে। আজি দিনৰ ভাগত কেবা শতাধিক গুণমুগ্ধৰ উপস্থিতিত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়।

## কলগাছিয়াৰ আমগুৰিত বিধ্বংসী খহনীয়া, ৩ মাহত নদীৰ জাঁহ কুৰিটা পৰিয়ালৰ ঘৰ-দুৱাৰ

**ই-সংবাদ, কলগাছিয়া, ১ এপ্রিলঃ** বৰপেটা জিলাৰ কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত আমগুৰি গাঁৱত খৰালিৰ সময়ত বেঁকী নদীত আৰম্ভ হৈছে তীব্ৰ গৰাখহনীয়া। বিগত তিনি মাহৰ ভিতৰত বিধ্বংসী গৰাখহনীয়াৰ ফলত গাঁওখনৰ প্ৰায় কুৰিটা পৰিয়ালৰ ঘৰ-দুৱাৰ নৈৰ বুকুত জাহ গৈছে। ফলত সপোনৰ ঘৰ-দুৱাৰ হেৰুৱাই পথৰ ভিখাৰীত পৰিণত হৈছে কেইবাটাও পৰিয়াল। বাৰে বাৰে কাতৰ আহ্বান জনাই অহাৰ পিছতো খহনীয়া প্ৰতিৰোধৰ বাবে কোনেও কাণ সাৰ দিয়া নাই বুলি অভিযোগ উত্থাপন হৈছে। ইতিমধ্যে, বেঁকী নদীৰ বিধ্বংসী গৰাখহনীয়াৰ কৱলত পৰি আমগুৰি গাঁৱৰ আব্দুছ ছালাম, ময়নাল হক, বৰকত আলী, খিলাফত আলী, জংসেৰ আলী, মিৰজুল হক, ছানিদুল ইছলাম, আব্দুল হাই, বাহাৰুল ইছলাম আৰু মফিজুদ্দিন খানকে ধৰি প্ৰায় কুৰিটা পৰিয়ালৰ ঘৰ-দুৱাৰ নৈৰ বুকুত জাহ গৈছে। তদুপৰি গাওঁখনৰ বহু কৃষকৰ ধান, মাকৈ, কল খেতি, ঘাঁহ খেতি, ধনীয়া আদি খেতি বাতি খহনীয়াই উছন কৰিছে। ইয়াৰ উপৰি খহনীয়াৰ কৱলত পৰি সৰ্বস্ব হেৰুৱাই পৱিত্ৰ ঈদৰ দিনাও অনাহাৰে পাৰ কৰিব লগা হৈছে একাংশ ভুক্তভোগীয়ে। ফলত ঈদৰ পিছদিনা মঙলবাৰে জনীয়াৰ বিধায়ক ডাঃ হাফিজ ৰফিকুল ইছলামে আমগুৰিৰ গৰাখহনীয়াগ্ৰস্থ অঞ্চল পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। বিধায়কগৰাকীয়ে কয় যে,



উক্ত স্থানত গৰাখহনীয়া প্ৰতিৰোধৰ বাবে টকা ধাৰ্য কৰা হৈছে যদিও ঠিকাদাৰৰ হেমাহিৰ বাবে গৰাখহনীয়া প্ৰতিৰোধৰ কাম আৰম্ভ হোৱা নাই। বিষয়টো বিভাগীয় মন্ত্ৰীক অৱগত কৰা হৈছে বুলি ৰাইজক জানিবলৈ দিয়ে বিধায়কগৰাকীয়ে। ইফালে, ক্ৰমান্বয়ে বেঁকী নদীৰ জলপৃষ্ঠ বৃদ্ধি পাবলৈ ধৰাৰ সমান্তৰালকৈ গৰাখহনীয়াই ৰুদ্ৰমূৰ্তি ধাৰণ কৰিছে। সেয়ে শীঘ্ৰে গৰাখহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা নকৰিলে আমগুৰি, শওপুৰ, উদমাৰী, কলগাছিয়াকে ধৰি বৃহত্তৰ অঞ্চল খহনীয়াৰ কৱলত পৰিব বুলি আশংকা কৰি শীঘ্ৰে গৰাখহনীয়া প্ৰতিৰোধৰ কাম আৰম্ভ কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছে ভুক্তভোগী ৰাইজে।

## তিনিচুকীয়াত যুৱ-ছাত্ৰ পৰিষদৰ ১২ দিনীয়া ঢোলবাদন আৰু বিহু নাচৰ আখৰা

**ই-সংবাদ', তিনিচুকীয়া, ১ এপ্ৰিলঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ তিনিচুকীয়া আঞ্চলিক সমিতিৰ উদ্যোগত আৰু পৰ্বতীয়াবাসী ৰাইজৰ সহযোগত তিনিচুকীয়াৰ চেনাইৰাম বৰ্ডিং খেলপথাৰত আয়োজিত ১২ দিনীয়া ঢোলবাদন আৰু বিহু নাচৰ আখৰা আজিৰে পৰা আৰম্ভ হৈছে। আখৰাৰ প্ৰশিক্ষক হিচাপে উপস্থিত থাকে সৌৰভজ্যোতি দত্ত, অনুজ পাঠক আৰু সোণেশ্বৰ বড়া। এই উপলক্ষে সুনীল বড়াৰ সভাপতিত্বত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে তিনিচুকীয়া চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জয়ন্ত নেওগ, তিনিচুকীয়াৰ জ্যেষ্ঠ সাংবাদিক তথা সমাজকৰ্মী ৰূপম কাকতি, তিনিচুকীয়া পৌৰসভাৰ পৌৰপতি পুলক চেতিয়া, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় উপ-সভাপতি কণ গগৈ আৰু সাংস্কৃতিক কৰ্মী ৰুবুল বৰুৱা। আখৰা উদ্বোধন কৰে ৰুবুল বৰুৱাই। ১২ এপ্ৰিলত উক্ত আখৰাৰ সামৰণি পৰিব।



শিমলুতোলাত প্ৰায় ৩০ কাৰ্টন সুৰাসহ ব্যৱসায়ী আটক

# জিলা কংগ্ৰেছৰ সাঃ সম্পাদক বিপ্লৱ কুমাৰ তালুকদাৰৰ পদত্যাগ

**ই-সংবাদ, মিৰ্জা, ১ এপ্ৰিলঃ** ৰাজ্যত ভাৰতীয় জাতীয় কংগ্ৰেছে জিলাই জিলাই সংগঠন শক্তিশালী ৰূপত গঢ় দি থকাৰ মুহূৰ্তত সংগঠনৰ ভিতৰচৰাত হোৱা খেলিমেলি বিভিন্ন সমষ্টিত দেখিবলৈ পোৱা গৈছে। ইয়াৰ মাজতে দীৰ্ঘদিন ধৰি শক্তিশালী ৰূপত কাম-কাজ কৰি অহা পলাশবাৰী সমষ্টিৰ যুৱ নেতা বিপ্লৱ কুমাৰ তালুকদাৰে নিজৰ পদৰ পৰা পদত্যাগ কৰি কংগ্ৰেছ কৰ্মীসকলৰ মাজত তীব্ৰ খলকনিৰ সৃষ্টি কৰা পৰিলক্ষিত হৈছে। পলাশবাৰী সমষ্টিৰ উপৰহালী গাঁৱৰ উদীয়মান যুৱক তালুকদাৰে আজি কামৰূপ জিলা কংগ্ৰেছৰ সভাপতিলৈ আনুষ্ঠানিক পদত্যাগ পত্ৰ প্ৰেৰণ কৰে। উল্লেখ্য যে যুৱ নেতাজনে বিগত প্ৰায় দহ বছৰ ধৰি দলীয় কাম-কাজ কৰি তৃণমূল পৰ্যায়ত সাংগঠনিক ভেটি শক্তিশালী কৰি পলাশবাৰী কংগ্ৰেছৰ কাৰ্যালয়ৰ দুৱাৰ খুলি নব প্ৰজন্মক কংগ্ৰেছ কৰিবলৈ আগ্ৰহী কৰি তোলাত বিশেষ ভূমিকা পালন কৰি পলাশবাৰী সমষ্টিত কংগ্ৰেছ দলক বিশেষভাৱে শক্তিশালী কৰি আহিছিল। আজি দিনৰ ভাগত সাংবাদিকে সোধা প্ৰশ্নত তালুকদাৰে কাৰো প্ৰতি আক্ষেপ নাই, নিজৰ ব্যক্তিগত কাৰণতহে পদৰ পৰা অব্যাহতি লোৱা বুলি জানিবলৈ দিয়ে।

# মিৰ্জাত ডাম্পাৰৰ চেপাত মহিলাৰ মৃত্যু

**ই-সংবাদ, মিৰ্জা, ১ এপ্ৰিলঃ** পলাশবাৰী আৰক্ষী থানাৰ অন্তৰ্গত মিৰ্জাৰ জামৰতলত কালি সন্ধিয়া সংঘটিত এটি পথ দুৰ্ঘটনাত ৰাণী অঞ্চলৰ কমাৰগাঁও-হকখাবড়ীৰ ললিতা দাস নামৰ এগৰাকী মহিলাৰ মৃত্যু হয়। ঘটনাৰ বিৱৰণী মতে, কালি সন্ধিয়াৰ ভাগত মহিলাগৰাকীয়ে স্বামীৰ সৈতে মটৰ চাইকেলেৰে আহি আছিল। মটৰচাইকেলখনত এখন দ্ৰুতবেগী ডাম্পাৰে খুন্দা মৰাত মহিলাগৰাকী মটৰচিকেলৰ পৰা ৰাজপথত পৰি যায় আৰু লগে লগে ডাম্পাৰখনে মহিলাগৰাকীক মহটিয়াই লৈ যায়। ফলত মহিলাগৰাকীৰ মৃত্যু ঘটে। পিছত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ ডাম্পাৰসহ চালকক আটক কৰি থানালৈ আনে। ইপিনে, ততাতৈয়াকৈ মহিলাগৰাকীক চিকিৎসালয়ত ভৰ্তি কৰা হয় যদিও মহিলাগৰাকীক চিকিৎসকে মৃত ঘোষণা কৰে। আজি বিয়লি মহিলাগৰাকীৰ



মৰণোত্তৰ পৰীক্ষাৰ অন্তত তেওঁৰ নশ্বৰদেহ নিজ ঘৰলৈ অনাত এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। আজি মহিলাগৰাকীৰ শেষকৃত্য সম্পন্ন কৰা হয়। তেওঁ মৃত্যুৰ সময়ত স্বামীসহ পুত্ৰ, কন্যাক এৰি থৈ যায়। উল্লেখ যে, আৰক্ষী প্ৰশাসন তথা বন বিভাগক মেনেজ কৰি দক্ষিণ কামৰূপত চলা ডাম্পাৰৰ দৌৰাত্ম্যৰ বাবে সঘনাই এনে ঘটনা সংঘটিত হৈ আহিছে।

# বুঢ়ীদিহিং শতদল শাখা সাহিত্য সভাৰ উদ্যোগত ‘গল্প কথা, কবিতা, গীতেৰে চ'তৰ এসন্ধ্যা’

**ই-সংবাদ, মাৰ্ঘেৰিটা, ১ এপ্ৰিলঃ** মাৰ্ঘেৰিটা সমজিলাৰ অন্তৰ্গত বৰডুমচাৰ মহং গাঁও নিবাসী পুলিন দহোতীয়াৰ পৰিয়ালৰ আতিথ্য আৰু মহংবাসীৰ সহযোগত এক বৰ্ণাঢ্য কাৰ্যসূচীৰে সোমবাৰে ‘গল্প কথা, কবিতা, গীতেৰে চ'তৰ এসন্ধ্যা’ শীৰ্ষক অনুষ্ঠান অনুষ্ঠিত হৈ যায়। অনুষ্ঠানৰ প্ৰাৰম্ভতে গছপুলি ৰোপণ কৰে বুঢ়ীদিহিং শতদল শাখা সাহিত্যৰ প্ৰাক্তন সভাপতি সুমন মৰাণ আৰু জিত বড়া মহং মধ্য ইংৰাজী বিদ্যালয়ৰ সদ্য বিদায়ী কৰ্মচাৰী পুলিন দহোটীয়াই। সন্ধ্যা তুলসী তলত বন্তি জ্বলাই অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক মোহন মৰাণ আৰু জিত বড়া মহং মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰমেশ বৰুৱাই। শাখা সাহিত্য সভাৰ সম্পাদক মণ্টু মৰাণে আঁত ধৰা অনুষ্ঠানটোৰ মঞ্চ মুকলি কৰে শাখাৰ প্ৰাক্তন সভাপতি ভক্ত ধাদুমীয়াই। শাখাৰ সভাপতি নৰেশ্বৰ শইকীয়াৰ সভাপতিত্বত সুচাৰুৰূপে অনুষ্ঠিত হৈ যোৱা অনুষ্ঠানটোৰ বিশিষ্ট অতিথি হিচাপে উপস্থিত আছিল অসম অৰুণাচলৰ বহুকেইগৰাকী কবি, সাহিত্যিক, শিল্পী আৰু সাহিত্য সংগঠক। লক্ষী ফিল'বাৰী, ভক্ত ধাদুমীয়া, মৃন্ময় বাগিশ, ময়ুৰী টাইৰাই, জয়কান্ত শইকীয়া, মণ্টু মৰাণ, বৰ্ণালী শইকীয়া আদিৰ কবিতা পাঠৰ লগতে জয়ন্ত মৰাণ, টংকেশ্বৰ বড়া, বুটন দুৱৰা, অনুষ্কা নেওগ, পপী মৰাণ, টিনামনি বুঢ়াগোহাঁই, ভৈৰৱ ফুকন,উমেশ শইকীয়া, সঞ্জু শইকীয়া, উপাসনা শইকীয়া, শ্যামন্ত শইকীয়া, পৰশমণি মৰাণ, বিপাশা নেওগ আদিয়ে গীত আৰু অল্পি বড়া, বৃষ্টি শইকীয়া, দৃস্না শইকীয়া, সেৰিকা মৰাণ, অনামিকা বৰুৱা, নিধিশিখা শইকীয়া, মাধুৰী গগৈ, বৰষা মৰাণ, এলিনা দহোটীয়াই নৃত্য পৰিৱেশন কৰে। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক মোহন মৰাণ, শাখাৰ প্ৰাক্তন সভাপতি সুমন মৰাণ, পূৰ্বাঞ্চল আঞ্চলিক মৰাণ সাহিত্য সভাৰ সভাপতি কমলেশ্বৰ মৰাণ, হেমন্ত দহোটীয়া আদিয়ে বক্তব্য আগবঢ়ায়। গৃহস্থ পুলিন দহোটীয়াই আদৰণি ভাষণত সকলোকে আদৰণি জনোৱাৰ লগতে ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানটোৰ শেষত শতদল শাখাৰ সম্পাদক মণ্টু মৰাণে অনুষ্ঠানটো সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে সভাপতি নৰেশ্বৰ শইকীয়া, গছপুলি ৰোপক, বন্তি প্ৰজ্বলক, মঞ্চ উদ্বোধক, বিশিষ্ট অতিথি, বিভিন্ন প্ৰান্তৰ আমন্ত্ৰিত কবি-সাহিত্যিক, আতিথ্য আগবঢ়োৱা দহোতীয়াৰ পৰিয়াল, মহং গাঁওবাসী, অনুষ্ঠানটোত অংশগ্ৰহণ কৰা শিশুসকলক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰে। কালিৰ অনুষ্ঠানতেই জিত বড়া মহং মধ্য ইংৰাজী বিদ্যালয়ৰ কৰ্মচাৰী পুলিন দহোটীয়াৰ অৱসৰ জীৱনৰ শুভকামনা জনাই শাখা সাহিত্য সভাই এখন বস্ত্ৰ, এখন পত্ৰ, এটা স্মাৰক আৰু এটি কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জ্ঞাপন কৰে।

# ডিব্ৰুগড়ত ভাৰত বিকাশ পৰিষদৰ ত্ৰিংশত্তম প্ৰান্তীয় বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, ডিব্ৰুগড়, ১ এপ্ৰিলঃ** ভাৰত বিকাশ পৰিষদ ডিব্ৰুগড় শাখাৰ উদ্যোগত ত্ৰিংশত্তম প্ৰান্তীয় বাৰ্ষিক অধিৱেশন, অসম প্ৰান্ত, অনুষ্ঠিত হয় ৩০ মাৰ্চত হোটেল কেতেকীত। ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকা সম্বলিত প্ৰায় ২১ টা শাখাৰ প্ৰতিনিধিয়ে যোগদান কৰা দিনজোৰা অধিৱেশনৰ শুভ উদ্বোধন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জিতেন হাজৰিকাই। বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰে শক্তিমন্ত্ৰী প্ৰশান্ত ফুকন আৰু ডিব্ৰুগড়ৰ পৌৰপতি ডাঃ সৈকত পাত্ৰই। নিৰ্দিষ্ট বক্তা হিচাপে ‘ৰাষ্ট্ৰ গঠনত গণসংযোগৰ ভূমিকা’ শীৰ্ষক বক্তৃতা প্ৰদান কৰে প্ৰাক্তন উপাচাৰ্য ড০ কন্দৰ্প কুমাৰ ডেকা আৰু ‘স্বামীজী আৰু ভাৰত বিকাশ’ শীৰ্ষক বক্তৃতা প্ৰদান কৰে বিবেকানন্দ কেন্দ্ৰৰ আজীৱন কৰ্মী মীৰা কুলকাৰ্নীয়ে। ডেৰ শতাধিক দৰ্শকৰ উপস্থিতিত ভাৰত মাতা আৰু স্বামীজীৰ প্ৰতিকৃতিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি প্ৰদানেৰে আৰম্ভ হোৱা এই উদ্বোধনী অনুষ্ঠানত বন্দেমাতৰম আৰু মংগলাচৰণেৰে অনুষ্ঠান অনুষ্ঠিত হয়। শাখাৰ সভাপতি জ্যোতিৰ্ময়ী দেৱীয়ে স্বাগতম ভাষণত ভাৰত বিকাশ পৰিষদৰ লক্ষ্য, উদ্দেশ্যৰ বিষয়ে সোঁৱৰি নতুন প্ৰজন্মক পৰিষদৰ প্ৰতি আকৃষ্ট কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শাখা সম্পাদিকা মৈত্ৰেয়ী বৰুৱা ভৌমিকৰ শলাগৰ শৰাইৰ পিছত ভাৰত বিকাশ পৰিষদৰ এজন একনিষ্ঠ কৰ্মী সদ্য প্ৰয়াত সৈবাল গাংগুলী দেৱৰ প্ৰতিকৃতিত পুষ্পাৰ্ঘ আৰু মৌন প্ৰাৰ্থনাৰে উদ্বোধনী সত্ৰৰ সামৰণি পৰে। প্ৰয়াত শৈবাল গাংগুলী দেৱৰ স্মৰণ আৰু পুষ্পাৰ্ঘ প্ৰদানৰ সময়ছোৱাত গীতা মন্ত্ৰ উচ্চাৰণেৰে অনুষ্ঠানৰ গাম্ভীৰ্য দুগুণে বৃদ্ধি কৰে উদ্বোধনী অনুষ্ঠানৰ সঞ্চালক ড০ ৰঞ্জিত সিংহই। তাৰ পাছত দ্বিতীয় সত্ৰ পৌৰোহিত্য কৰে নৱনিৰ্বাচিত প্ৰান্তীয় সভাপতি ড০ কিশোৰ কুমাৰ বৰুৱা আৰু মন্থন শীৰ্ষক তৃতীয় আৰু অন্তিম সত্ৰ পৌৰোহিত্য কৰে তেজপুৰ শাখাৰ সদস্য ড০ অনন্ত গোস্বামীয়ে। মন্থন সত্ৰত বক্তা হিচাপে উপস্থিত থাকে ডিব্ৰুগড় শাখাৰ সক্ৰিয় সদস্য ড০ ৰঞ্জিত সিংহ। প্ৰয়াত শৈবাল গাংগুলীৰ আত্মাৰ সদগতিৰ অৰ্থে এখনি প্ৰাৰ্থনা সভাৰে দিনজোৰা কাৰ্যসূচীৰ অন্ত পৰে। এই প্ৰাৰ্থনা অনুষ্ঠানত অদিতি বৰুৱা, তপতী সিংহ আৰু ৰিন্তি গোস্বামীয়ে ঘোষা আৰু ভক্তিমূলক গীত পৰিৱেশন কৰে।




**ভট্টদেৱ বিশ্ববিদ্যালয়ৰ দীক্ষান্ত সমাৰোহত ভূগোল বিষয়ত স্বৰ্ণ পদক অৰ্জন সৰভোগৰ বৰ্ণালী দাসৰ**

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# অসম কৃষি বিশ্ববিদ্যালয়ৰ ৫৭ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

**ই-সংবাদ, যোৰহাট, ১ এপ্ৰিলঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ ৫৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি বিশ্ববিদ্যালয়ৰ যোৰহাটস্থ মূল চৌহদত কেন্দ্ৰীয়ভাৱে এদিনীয়া কাৰ্যসূচীৰে পালন কৰা হয়। পুৱা বিশ্ববিদ্যালয়ৰ খেলপথাৰত পতাকা উত্তোলনেৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে উপাচাৰ্য ড০ বিদ্যুৎ চন্দন ডেকাই। স্মৃতি তৰ্পণৰ পাছতে বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ অংশগ্ৰহণেৰে বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। বিশ্ববিদ্যালয়ৰ মাধৱ চন্দ্ৰ দাস সোঁৱৰণী প্ৰেক্ষাগৃহত অনুষ্ঠিত প্ৰতিষ্ঠা দিৱসৰ মূল সভাত ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ প্ৰাক্তন সঞ্চালক প্ৰধান আৰু ভাৰত চৰকাৰৰ কৃষি শিক্ষা আৰু গৱেষণা সচিব ড০ ৰাজেন্দ্ৰ সিং পেৰদাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি প্ৰতিষ্ঠা দিৱস বক্তৃতা প্ৰদান কৰে। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ বিদ্যুৎ চন্দন ডেকাই আদৰণি ভাষণ প্ৰদান কৰি অসম কৃষি বিশ্ববিদ্যালয়ৰ বৰ্তমানৰ অগ্ৰগতিৰ বিষয়ে বক্তব্য আগবঢ়াই কৃষিক্ষেত্ৰত উদ্ভাৱনী চিন্তা আৰু উদ্ভাৱনী ক্ষমতা বৃদ্ধি আৰু এইবোৰ দিশত প্ৰসাৰতাৰ বাবে অসম কৃষি বিশ্ববিদ্যালয়ে ইয়াৰ শিক্ষাৰ্থীসকলৰ উপৰি এই দিশত আগ্ৰহীসকলক প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব দৰে নিত্য নতুন পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰে। মুখ্য অতিথি ড০ ৰাজেন্দ্ৰ সিং পেৰদাই বক্তব্যত কৃষিৰ অগ্ৰগতি আৰু বিপ্লৱৰ বাবে সঠিক নীতিৰ জৰিয়তে সমন্বিতভাৱে আগবাঢ়িব লাগিব বুলি উল্লেখ কৰি কয় যে ইয়াৰ বাবে আন্তঃগাৰ্থনিৰ উন্নয়নৰ সমান্তৰালভাৱে উদ্ভাৱনৰ দিশটোও অতি প্ৰয়োজনীয়। সামাজিক উন্নয়নৰ লক্ষ্যত উপনীত হ’বলৈ যথোপযুক্ত খাদ্য শস্যৰ উৎপাদন আৰু বিতৰণ হ’ব লাগিব। তাৰ বাবে খাদ্য সুৰক্ষা আৰু পৌষ্টিক খাদ্য সুৰক্ষা ব্যৱস্থাৰওপৰত গুৰুত্ব দিয়া প্ৰয়োজন। এই ক্ষেত্ৰত থলুৱা খাদ্য ব্যৱস্থাৰ ওপৰতো যথেষ্ট পৰিমাণে গুৰুত্ব দিয়া প্ৰয়োজন। সঠিকভাৱে পানীৰব্যৱহাৰ আৰু ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্পৰ জৰিয়তে শস্যৰ ৰোপণ বৃদ্ধি কৰি অধিক সম্প্ৰসাৰণৰ জৰিয়তে আগবাঢ়িব লাগিব। উদ্যান শস্য, পশুপালন, মীন পালন,পাম পদ্ধতি আদিৰ সামৰি সৰ্বভাৰতীয় প্ৰেক্ষাপটত সামগ্ৰিক পৰ্যালোচনা আগবঢ়াই বিশিষ্ট কৃষি বিজ্ঞানীগৰাকীয়ে কয় যে কৃষি বুলিলে সামগ্ৰিকভাৱে সকলো বিলাক থাকিব। পশুপালন বা অন্যান্য বিলাকক আঁতৰাই ৰাখিব নোৱাৰিম। সৰ্বোচ্চ ফলাফলৰ বাবে সকলোকে সমন্বিতভাৱে জড়িত কৰি আগবাঢ়িব লাগিব। অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰি ভূতপূৰ্ব উপাচাৰ্য ড০ গিৰধাৰী লাল কৌলে অসম কৃষি বিশ্ববিদ্যালয় কটোৱা সময়ৰ স্মৃতি ৰোমন্থন কৰি পুনৰ এনে অনুষ্ঠানত আহিবলৈ পোৱাটো স্মৰণীয় মুহূৰ্ত বুলি উল্লেখ কৰে। উপস্থিত আনগৰাকী ভূতপূৰ্ব উপাচাৰ্য প্ৰফেছাৰ অমৰ নাথ মুখোপাধ্যায়ে কৃষি সকলো সংস্কৃতিৰ মূল বুলি উল্লেখ কৰি কয় যে কৃষিৰ অবিহনে কোনো সংস্কৃতিয়েই নহয়। সেয়ে কৃষিৰ উন্নতিৰ ওপৰতে আমাৰ সামগ্ৰিক উন্নতি নিৰ্ভৰ কৰে। দেশখনৰ উন্নতি আৰু প্ৰগতিৰ ক্ষেত্ৰতো কৃষিৰ উন্নতি তথা অগ্ৰগতি নিৰ্ভৰ কৰে। অসম কৃষি বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক তপন কুমাৰ গোহাঁয়ে শলাগ জ্ঞাপন কৰা অনুষ্ঠানটোত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাত প্ৰথম স্থান লাভ কৰা ৯ নম্বৰ হোষ্টেল, দ্বিতীয় স্থান লাভ কৰা ১১ নম্বৰ হোষ্টেল আৰু তৃতীয় স্থান লাভ কৰা ৫ নম্বৰ হোষ্টেলক পুৰস্কাৰ প্ৰদান কৰা হয়। বিয়লি বিশ্ববিদ্যালয় খেলপথাৰত এখন ফুটবল খেল অনুষ্ঠিত হয় আৰু সন্ধিয়া বিশ্ববিদ্যালয়ৰ চৌহদ আলোকিত কৰা হয়।

# ডিব্ৰুগড়ত চিন্তন বৈঠকে প্ৰকাশ কৰিব জীৱনী কোষ 'বৰপথাৰ সৌৰভ'

**ই-সংবাদ, ডিব্ৰুগড়, ১ এপ্ৰিলঃ** ইতিহাস ৰচনা অবিহনে এটা অঞ্চলৰ সঠিক মূল্যায়ণ হ’ব নোৱাৰে। ইতিহাস ৰচনাত প্ৰাথমিক মাধ্যম হ’ব পাৰে সেই অঞ্চলৰ পুৰোধা ব্যক্তিসকলৰ জীৱনী। সেই উদ্দেশ্য সন্মুখত ৰাখি ডিব্ৰুগড়ৰ বৰপথাৰ নাট্য সমাজে প্ৰকাশ কৰিব বৰপথাৰৰ সমাজ জীৱনলৈ অমূল্য অৱদান আগবঢ়োৱা ব্যক্তিসকলৰ জীৱনী কোষ ‘বৰপথাৰ সৌৰভ’। বৰপথাৰ নাট্য সমাজে নিয়মীয়াভাৱে আয়োজন কৰা এই চিন্তন বৈঠকত এই সিদ্ধান্ত লৈ বৰপথাৰ অঞ্চলৰ ব্যক্তিৰ জীৱনপঞ্জী সম্বলিত গ্ৰন্থখনৰ সম্পাদনা সমিতি এখন গঠন কৰা হয়। বৰপথাৰৰ জ্যেষ্ঠ সমাজকৰ্মী সোণাৰাম গগৈ আৰু প্ৰমোদ গগৈক উপদেষ্টা, অনিৰুদ্ধ দত্তক মুখ্য সম্পাদক, উমাকান্ত দিহিঙীয়া আৰু প্ৰদীপ কুমাৰ সন্দিকৈক সম্পাদক, বিমান দুৱৰা আৰু ড০ পাপৰি কটকী কোঁচক সহযোগী সম্পাদক হিচাপে লৈ সম্পাদনা সমিতিখন গঠন কৰা হয়। সম্পাদনা সমিতিয়ে অসমীয়া নৱবৰ্ষ আৰম্ভ হোৱাৰ লগে লগেই গ্ৰন্থখনৰ কাম আৰম্ভ কৰি ২০২৬ চনৰ ব’হাগ মাহত সম্পূৰ্ণ কৰাৰ কথা অৱগত কৰে বৰপথাৰ নাট্য সমাজৰ সভাপতি ধ্ৰুৱ সন্দিকৈয়ে। বৰপথাৰ নাট্য সমাজৰ সম্পাদক সুমন দত্তই আঁত ধৰা এই অনুষ্ঠানত চিন্তন বৈঠকৰ প্ৰস্তাৱ তথা সিদ্ধান্তক আদৰণি জনাই বক্তব্য আগবঢ়ায় ক্ৰমে বৰপথাৰৰ জ্যেষ্ঠ সমাজকৰ্মী সোণাৰাম গগৈ, প্ৰমোদ গগৈ, যতীন কোঁৱৰ, সদানন্দ গগৈ, ভদ্ৰাৱতী গগৈ, অনিৰুদ্ধ দত্ত, উমাকান্ত দিহিঙীয়া, প্ৰদীপ কুমাৰ সন্দিকৈ, বিমান দুৱৰা, ত্ৰৈলোক্য গগৈ আদিয়ে।

# বৰছলাত পথ দুৰ্ঘটনাত ক্ষতিগ্ৰস্ত ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তি, ট্ৰাক চালক-হেণ্ডিমেনৰ কথমপি প্ৰাণৰক্ষা

**ই-সংবাদ, ঢেকীয়াজুলি, ১ এপ্ৰিলঃ** শোণিতপুৰ জিলাৰ বৰছলা আৰক্ষী চকীৰ অন্তৰ্গত বৰছলা গাঁৱত মঙলবাৰে নিশা এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। নিশা প্ৰায় ১.৪৫ বজাত অসম মালা পথত AS 01 EC 4641 নম্বৰৰ এখন চেনীভৰ্তি ট্ৰাক দুৰ্ঘটনাগ্ৰস্ত হয়। এই ঘটনাত ট্ৰাকৰ চালক আৰু হেণ্ডিমেনে কথমপি প্ৰাণৰক্ষা পৰিলেও পথৰ কাষত স্থাপিত সংগীতজ্ঞ ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তি ক্ষতিগ্ৰস্ত হৈছে। ঘটনাৰ খবৰ পোৱাৰ লগে লগে বৰছলা আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। প্ৰত্যক্ষদৰ্শীৰ পৰা লাভ কৰা প্ৰাথমিক তথ্য অনুসৰি, মঙলবাৰে গভীৰ নিশা অসম মালা পথৰ বৰছলা গাঁৱৰ এটা অংশত চেনীভৰ্তি এখন ট্ৰাকে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষত থকা এটা অংশত খুন্দা মাৰে। এই দুৰ্ঘটনাত ট্ৰাকখনৰ সন্মুখভাগ ক্ষতিগ্ৰস্ত হয়। ট্ৰাকৰ চালক আৰু হেণ্ডিমেনে কোনোমতে ট্ৰাকৰ ভিতৰৰপৰা ওলাই আহি প্ৰাণৰক্ষা কৰিবলৈ সক্ষম হয় যদিও তেওঁলোকৰ শাৰীৰিক অৱস্থা সম্পৰ্কে সঠিক তথ্য এতিয়াও প্ৰকাশ পোৱা নাই। কেইবাজনো স্থানীয় লোকে জানিবলৈ দিয়ে যে অসম মালা পথৰ এই অংশত প্ৰায়ে দুৰ্ঘটনাৰ সম্ভাৱনা থাকে। পথৰ অৱস্থা ভাল নহয় আৰু নিশা পোহৰৰ ব্যৱস্থাও পৰ্যাপ্ত নহয়। ইয়াৰ বাবে এনে দুৰ্ঘটনা সঘনাই হয়। ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিৰ ক্ষতিৰ বাবে স্থানীয় লোকৰ মাজত ক্ষোভৰ সৃষ্টি হৈছে। এই প্ৰতিমূৰ্তি আমাৰ গাঁৱৰ গৌৰৱ। ইয়াৰ ক্ষতি হোৱাটো আমি মানি ল'ব নোৱাৰো। প্ৰশাসনে ইয়াৰ মেৰামতিৰ ব্যৱস্থা কৰা উচিত। স্থানীয় লোকৰ মতে, পথৰ কেইবাটাও অংশত মেৰামতিৰ প্ৰয়োজন আৰু ৰাতিৰ সময়ত পোহৰৰ অভাৱে দুৰ্ঘটনাৰ আশংকা বৃদ্ধি কৰে। এই দুৰ্ঘটনাৰ পিছত প্ৰশাসনৰ পৰা পথৰ উন্নতিৰ দিশত কিবা পদক্ষেপ লোৱা হ'ব নে নহয়, সেয়া এতিয়া লক্ষণীয়। বৰছলা গাঁৱত সংঘটিত এই পথ দুৰ্ঘটনাই পুনৰ এবাৰ পথ নিৰাপত্তাৰ গুৰুত্বৰ কথা মনত পেলাই দিছে। ট্ৰাকৰ চালক আৰু হেণ্ডিমেনৰ প্ৰাণৰক্ষা



হোৱাটো স্বস্তিৰ বিষয় যদিও ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিৰ ক্ষতি আৰু পথৰ অৱস্থাই স্থানীয় লোকৰ মাজত চিন্তাৰ সৃষ্টি কৰিছে। আৰক্ষীৰ তদন্তৰ পিছত দুৰ্ঘটনাৰ সঠিক কাৰণ উদঘাটিত হ'ব বুলি আশা কৰা হৈছে। তথাপিও, এনে ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰিবলৈ প্ৰশাসনৰ পৰা তৎপৰতা আৰু পথৰ উন্নতিৰ দিশত কাৰ্যকৰী পদক্ষেপৰ প্ৰয়োজনীয়তা স্পষ্ট হৈ পৰিছে।

# নগাঁৱৰ গ্ৰামাঞ্চলত অস্বাস্থ্যকৰ পৰিৱেশত মাছ-মাংস বিক্ৰী

**ই-সংবাদ, বেবেজীয়া, ১ এপ্ৰিলঃ** ৰাজ্যৰ স্বাস্থ্য বিভাগে স্বাস্থ্যসেৱাৰ উন্নয়নৰ নামত বিভিন্ন অভিলাসী আঁচনি গ্ৰহণ কৰি আহিলেও নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ গ্ৰামাঞ্চলবোৰৰ দৈনিক, সাপ্তাহিক আৰু অৰ্ধ সাপ্তাহিক বজাৰসমূহত সম্পূৰ্ণ অস্বাস্থ্যকৰ পৰিৱেশত অবাধে মাছ-মাংস বিক্ৰী হৈ থকা দৃশ্যই স্বাস্থ্য বিভাগটোৰ ফোঁপোলা স্বৰূপটোকে উদঙাই দিছে। উল্লেখ্য, জিলাখনৰ বেবেজীয়া আৰু জাজৰিকে প্ৰমুখ্য কৰি ইয়াৰ উপকণ্ঠৰ ৰাইদঙীয়া, দলংঘাট, বৰছিলা, বৰিবজাৰ, গা-খজুৰা, মাজগাঁও, চকলাঘাট, হাতীচোং, কাছমাৰী, জামুগুৰি, ফুলগুৰি, কাকমাৰী, ভালুকমাৰী, খালৈগাঁও, ডিমৌ, চমুৱাগাঁও, শেনচোৱা, ম'হমৰীয়া, ঘাঁহী, বৰজহা, ডাকৰঘাট, দক্ষিণপাট, বৰক'লা, পেটবহা, হাতীগড়, কৃষ্ণাইখাট, বৰভেটি আদি গ্ৰামাঞ্চলৰ দৈনিক, সাপ্তাহিক আৰু অৰ্ধ সাপ্তাহিক বজাৰবোৰৰ লগতে চাৰিআলি আৰু তিনিআলিৰ পথৰ কাষতে বহা দোকানবোৰত দীৰ্ঘদিনৰে পৰা মুকলিভাৱে লেতেৰা অস্বাস্থ্যকৰ পৰিৱেশত ছাগলী, কুকুৰা, হাঁহ, ব্ৰয়লাৰ আৰু গাহৰিৰ মাংসৰ উপৰি বিভিন্ন প্ৰকাৰৰ মাছ বিক্ৰী হৈ থকা পৰিলক্ষিত হৈছে। মন কৰিবলগীয়া যে বৰষুণৰ বতৰত বোকা-পানীৰে পৰিপূৰ্ণ এটি কদৰ্যময় পৰিৱেশ তথা শুকান বতৰত ধূলি-বালিৰে ধূসৰিত এটি বাতাবৰণত এনে বজাৰ আৰু দোকানসমূহত পোহাৰ মেলি থোৱা মাছ আৰু মাংসবোৰত ধূলিৰ চামনি আৰু মাখিৰ উপদ্ৰৱ দেখিলে প্ৰতিজন গ্ৰাহকৰেই বিতৃষ্ণা উপজে যদিও উপায়ান্তৰ হৈ পিছত গ্ৰাহকসকলে তাকে কিনিবলগীয়া হয়। লক্ষণীয় যে মাছ-মাংসৰ বিক্ৰেতাই এইবোৰ প্ৰকৃততে বীজাণুমুক্ত আৰু স্বাস্থ্যকৰ পৰিৱেশত ৰাখি বিক্ৰী কৰিব লাগে যদিও জিলা প্ৰশাসন তথা বিভাগীয় কৰ্তৃপক্ষৰ অৱহেলা আৰু অমনোযোগিতাৰ বাবেই উক্ত গ্ৰামাঞ্চলবোৰত অসাধু ব্যৱসায়ীসকলে এনে স্বাস্থ্যবিধি পদে পদে উলংঘা কৰি আহিছে। ফলত এনেদৰে বিক্ৰী কৰা মাছ-মাংসত সহজে শৰীৰৰ অনিষ্টকাৰী বীজাণুয়ে বিষক্ৰিয়াৰ সৃষ্টি কৰি বিভিন্ন ভয়াৱহ ৰোগৰ উদ্ভৱ ঘটাব পাৰে য। ইফালে, জিলাখনৰ উক্ত গ্ৰামাঞ্চলৰ একাংশ ছাগলী মাংসৰ বিপণীত এচাম চতুৰ স্বাৰ্থলোভী বিক্ৰেতাই বেমাৰী আৰু কুকুৰে কামোৰা ছাগলীৰ উপৰিও সময়ে সময়ে মাইকী ছাগলী কৌশলেৰে বিক্ৰী কৰি অহাৰ গুৰুত্বৰ অভিযোগ উঠিছে। একেদৰে সাপ্তাহিক বজাৰবোৰত সম্পূৰ্ণ অস্বাস্থ্যকৰ পৰিৱেশত ৰখা গাহৰি মাংসৰ দ'মসমূহৰ লগতে মাখিৰে আৱৰি থকা মাছবোৰে স্বাস্থ্যবিধিৰ ক্ষেত্ৰত ক্ৰেতা-বিক্ৰেতা আৰু প্ৰশাসন যে মুঠেই সচেতন নহয় তাক নিলৰ্জ্জভাৱে প্ৰতিপন্ন কৰিছে। প্ৰকাশ যে ৰাজ্য চৰকাৰৰ নীতি অনুসৰি খাদ্যৰ বাবে বিক্ৰী কৰিবলৈ নিয়া ছাগলী, গাহৰি আদিবোৰ স্থানীয় পশু চিকিৎসা কেন্দ্ৰৰ চিকিৎসকৰ জৰিয়তে পৰীক্ষা কৰাটো বাধ্যতামূলক যদিও এই ক্ষেত্ৰত জিলাখনৰ গ্ৰামাঞ্চলৰ সকলো ঠাইতে এনে চৰকাৰী নীতি সম্পূৰ্ণকৈ অৱজ্ঞা কৰি অহা হৈছে। মানুহৰ স্বাস্থ্যৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনৰ পৰা এনে ব্যৱসায়ীৰ ক্ষেত্ৰত কঠোৰ ব্যৱস্থা গ্ৰহণৰ আশা কৰিছে সচেতন লোকে।

# ৰঙিয়াৰ বিছেন্নালা মণ্ডলৰ ১০ বিদ্যালয়লৈ এ প্লাছ গ্ৰেড

**ই-সংবাদ, ৰঙিয়া, ১ এপ্ৰিলঃ** শিক্ষাৰ গুণগত মান নিৰূপণৰ লক্ষ্যৰে ৰাজ্যৰ শিক্ষা বিভাগে অনুষ্ঠিত কৰা গুণোৎসৱৰ সদ্য ঘোষিত ফলাফল অনুসৰি ৰঙিয়া শিক্ষাখণ্ডৰ অন্তৰ্গত বিছেন্নালা মণ্ডলৰ ১০ খনকৈ বিদ্যালয়ে এ প্লাছৰ স্বীকৃতি লাভ কৰিছে। আনহাতে, আন দুখনকৈ বিদ্যালয়ে এ গ্ৰেড লাভ কৰিবলৈ সক্ষম হৈছে। বিছেন্নালা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ভূমিধৰ কুমাৰে সদৰি কৰা অনুসৰি ১১৮ নং বিছেন্নালা জে বি বিদ্যালয়, ফকিৰতোলা প্ৰাথমিক বিদ্যালয়, ১১৭ নং জামতোলা প্ৰাথমিক বিদ্যালয়, ১২০ নং ইচ্ছাপুৰ প্ৰাথমিক বিদ্যালয়, পশ্চিম বিছেন্নালা প্ৰাথমিক বিদ্যালয়, হৰিয়ানডাব প্ৰাথমিক বিদ্যালয়, শিলাগুটি প্ৰাথমিক বিদ্যালয়, ১১৬ নং বটাকুছি প্ৰাথমিক বিদ্যালয়, দক্ষিণতোলা প্ৰাথমিক বিদ্যালয় আৰু পদ্মধৰ প্ৰাথমিক বিদ্যালয়ে এ প্লাছৰ স্বীকৃতি লাভ কৰে। আনহাতে, ১২২ নং হালিকুছি প্ৰাথমিক বিদ্যালয় আৰু ছহিদ সুনন্দ শালৈ উচ্চ মাধ্যমিক বিদ্যালয়ে এ গ্ৰেড অৰ্জন কৰিবলৈ সক্ষম হয়। বৃহত্তৰ অঞ্চলটোক প্ৰতিনিধিত্ব কৰা শিক্ষানুষ্ঠানকেইখনে লাভ কৰা আশাপ্ৰদ সফলতাক লৈ সন্তুষ্টি ব্যাক্ত কৰিছে অঞ্চলবাসী শিক্ষানুৰাগী ৰাইজে।

# অইলৰ মুখ্য কাৰ্য্যালয়ত অফ-ছাইট ডিজাষ্টাৰ মক ড্ৰিল সম্পন্ন



**ই-সংবাদ, দুলীয়াজান, ১ এপ্ৰিলঃ** মহাৰত্ন প্ৰতিষ্ঠান অইল ইণ্ডিয়া লিমিটেডে দুৰ্যোগৰ সৈতে মোকাবিলা কৰিবলৈ জৰুৰীকালীন সঁহাৰিৰ প্ৰস্তুতি মূল্যায়নৰ অংশ হিচাপে টায়াৰ-III অফ-ছাইট ডিজাষ্টাৰ মক ড্ৰিল অনুষ্ঠিত কৰে। যোৱা ২৯ মাৰ্চত দুলীয়াজানৰ কাষৰীয়া চি জি জি এছ - মধুবনত আৰু ইয়াৰ সৈতে সংযোগ থকা অন্যান্য ইনষ্টলেচন, ছেকেণ্ডাৰী টেংক ফাৰ্ম - মধুবন, ইণ্টাৰমিডিয়েট টেংক ফাৰ্ম- টেঙাখাত, পাম্প ষ্টেচন -১ আৰু পাম্প ষ্টেচন -২ কো সামৰি উক্ত মকড্ৰিল সম্পন্ন হয়। উল্লেখযোগ্য যে, অইলৰ বিভিন্ন বিভাগৰ লগতে ডিব্ৰুগড় জিলা প্ৰশাসন, ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী (এনডিআৰএফ), কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী (চিআইএছএফ), দুলীয়াজান আৰক্ষী থানা আৰু আই অ' চি এল, বি চি পি এল, এইচ অ' ই চি, এ জি চি এল, অ' এন জি চি, এ পি এল, ডি এন পি এল আদিয়েও সহযোগ আগবঢ়ায়। মকড্ৰিলত টেংক-১০০১ত এক বৃহৎ অগ্নিকাণ্ড সংঘটিত হোৱাত লগে লগে প্ৰকল্পটোৰ কৰ্মচাৰীসকলে পৃথকীকৰণ পৰিকল্পনা অনুসৰি টেংক-১০০১ আৰু ৰিচ গেছ-II লাইন ফিল্টাৰ ছেপাৰেটৰৰ পৃথকীকৰণ কাৰ্য্যৰ সৈতে জড়িত হৈ পৰে। অগ্নি নিৰ্বাপণ কাৰ্য্যও ততালিকে আৰম্ভ হৈ যায়। কামখিনি কৰোতে কিছুসংখ্যক কৰ্মচাৰী আঘাতপ্ৰাপ্তও হয়। নিৰাপত্তা আৰু অগ্নি নিৰ্বাপক বাহিনী আৰু মেডিকেল এজেন্সিক সৰ্বোচ্চ সতৰ্কতাত সাজু কৰি ৰখা হৈছিল আৰু জৰুৰীকালীন সঁহাৰিৰ কাৰ্য্যপ্ৰণালী ততালিকে সক্ৰিয় কৰা হৈছিল। অইলৰ অগ্নিনিৰ্বাপক সেৱা আৰু মিউচুৱেল-এইডৰ অংশীদাৰসকলে দুৰ্যোগৰ সৈতে সফলতাৰে মোকাবিলা কৰে। এন ডি আৰ এফ, চি আই এছ এফ আৰু অইল মেডিকেলৰ দলে যৌথভাৱে উদ্ধাৰ আৰু সাহায্য অভিযান চলাই নিয়ে। জিলা উপায়ুক্তৰ হৈ অসামৰিক প্ৰতিৰক্ষা, দুলীয়াজানৰ সহকাৰী উপ নিয়ন্ত্ৰক ঈশ্বানুল চফিয়ে মুখ্য ঘটনা নিয়ন্ত্ৰকৰ ভূমিকা পালন কৰাৰ বিপৰীতে অইলৰ হৈ দলটোৰ নেতৃত্ব দিয়ে আৱাসিক মুখ্য বিষয়া (ভাৰপ্ৰাপ্ত) অনিতা ডামে । ড্ৰিল অনুষ্ঠানৰ সামৰণি পৰে এক আনুষ্ঠানিক ডি-ব্ৰিফিঙৰ জৰিয়তে য'ত এনে মক ড্ৰিলৰ পৰ্যবেক্ষণ আৰু উন্নতিৰ ক্ষেত্ৰসমূহৰ বিষয়ে আলোচনা কৰা হয়। সংশ্লিষ্ট অংশীদাৰসকলৰ সামগ্ৰিক অংশগ্ৰহণ আৰু সঁহাৰিয়ে বাস্তৱ সময়ৰ জৰুৰীকালীন পৰিস্থিতিৰ সন্মুখীন হ'বলৈ আত্মবিশ্বাস বিকাশ কৰাত উৎসাহ প্ৰদান কৰে বুলি অইলৰ এক সূত্ৰত প্ৰকাশ।

# ওদালগুৰিত বিহুনাচ আৰু ঢোলবাদনৰ আখৰা

**ই-সংবাদ, ওদালগুৰি, ১ এপ্ৰিলঃ** সদৌ ওদালগুৰি ৰঙালী বিহু সন্মিলনৰ স্থায়ী সমিতিৰ উদ্যোগত ৬৮ সংখ্যক সদৌ ওদালগুৰি ৰঙালী বিহু সন্মিলন উদযাপন সমিতি আৰু ওদালগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত আজিৰেপৰা ১০ এপ্ৰিললৈ বিহুনাচ আৰু ঢোলবাদনৰ আখৰাৰ শুভাৰম্ভ হৈছে। ওদালগুৰি সাহিত্য সভা ভৱন প্ৰাংগণত অনুষ্ঠিত উক্ত আখৰা আনুষ্ঠানিকভাৱে বন্তি প্ৰজ্বলনেৰে উদ্বোধন কৰে সদৌ ৰঙালী বিহু সন্মিলনৰ স্থায়ী সমিতিৰ সাধাৰণ সম্পাদক অখিল কলিতাই। সদৌ ওদালগুৰি ৰঙালী বিহু সন্মিলনৰ যুটীয়া সাধাৰণ সম্পাদক বিতোপন দাসে আঁতধৰা উদ্বোধনী অনুষ্ঠানত বক্তব্য ৰাখি উদ্বোধক কলিতাই কয়-- বিহু আমাৰ বাপতি সাহোন ইয়াৰ জৰিয়তে অসমীয়া জাতি-সত্তা জীয়াই ৰাখিব লাগিব। ইয়াৰ জৰিয়তে নতুন প্ৰজন্মই কিবা এটা শিকিব পাৰিব। ওদালগুৰি জিলা ছাত্ৰ সন্থাৰ সভাপতি বিতোপন দাসে বিহুৰ স্বকীয়তা বজাই ৰাখিবলৈ উদযাপন সমিতিয়ে গ্ৰহণ কৰা এনে প্ৰচেষ্টা আদৰণীয় বুলি উল্লেখ কৰে। আজিৰ এই উদ্বোধনী অনুষ্ঠানত সদৌ ওদালগুৰি ৰঙালী বিহু সন্মিলনৰ সভাপতি খগেন চৌধুৰী, স্থায়ী সমিতিৰ কাৰ্যকৰী সভাপতি গৌতম জ্যোতি তালুকদাৰ, ওদালগুৰি প্ৰেছ ক্লাবৰ সভাপতি গুণজিৎ দাস, উদযাপন সমিতিৰ যুটীয়া সম্পাদক অজয় কলিতা, যুটীয়া সাংস্কৃতিক সম্পাদক নয়ন জ্যোতি দাস, চম্পক দাসকে ধৰি অঞ্চলটোৰ ভালেসংখ্য সংস্কৃতিপ্ৰাণ লোক উপস্থিত আছিল।

# ভৱানীপুৰৰ ক্ষুদ্ৰ ব্যৱসায়ী বলভদ্ৰ মেধিৰ অকাল মৃত্যু

**ই-সংবাদ, ভৱানীপুৰ, ১ এপ্ৰিলঃ** ভৱানীপুৰ মাহতলীহাটীৰ এগৰাকী ক্ষুদ্ৰ ব্যৱসায়ীৰ কালি নিশা শুই থকা অৱস্থাতে মৃত্যু হোৱাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, বলভদ্ৰ মেধি (৫৩) নামৰ ক্ষুদ্ৰ ব্যৱসায়ীজনে আনদিনাৰ দৰে কালি নিশা ভৱানীপুৰ চ'ক বজাৰস্থিত তেওঁৰ গুমটি দোকানৰ পিছপিনে থকা ভাড়াঘৰ এটাৰ কোঠাত শুইছিল। কিন্তু আজি পুৱা আনদিনাৰ সময়ত দোকানখন খোলাৰ বিপৰীতে শোৱনি কোঠাৰ দুৱাৰখন আধাখোলা দেখি নিয়মীয়া গ্ৰাহক এগৰাকীয়ে তেওঁক মাতিবলৈ গৈ ক্ষুদ্ৰ ব্যৱসায়ীজনক নিথৰ হৈ থকা প্ৰত্যক্ষ কৰে। লগে লগে উক্ত গ্ৰাহকজনে ভাড়াঘৰৰ মালিক পক্ষৰ লোকৰ লগতে স্থানীয় দুই-এজন লোকক কথাটো অৱগত কৰায়। স্থানীয় লোকৰ লগতে পৰিয়ালৰ লোক আহি প্ৰত্যক্ষ কৰি বলভদ্ৰ মেধিৰ মৃত্যু হোৱা বুলি নিশ্চিত হয়। ইয়াৰ পাছত ভৱানীপুৰ আৰক্ষী চকীৰ আৰক্ষীক খবৰ দিয়ে আৰু আৰক্ষীয়ে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে বৰপেটা মেডিকেললৈ প্ৰেৰণ কৰে। অবিবাহিত ক্ষুদ্ৰ ব্যৱসায়ীজনৰ কি কাৰণত মৃত্যু হয় জানিব পৰা হোৱা নাই যদিও একাংশ লোকে উচ্চ ৰক্তচাপজনিত ৰোগৰ বাবে মৃত্যু হোৱা বুলি সন্দেহ প্ৰকাশ কৰাৰ বিপৰীতে তেওঁৰ ককায়েক সুৰেশ মেধিয়ে ৰহস্যজনক বুলি সন্দেহ প্ৰকাশ কৰিছে। এই সন্দৰ্ভত অৱশ্যে আৰক্ষীৰ তদন্তৰ পিছততহে নিশ্চিত হ'ব পৰা যাব। এইগৰাকী ক্ষুদ্ৰ ব্যৱসায়ীৰ মৃত্যুত ভৱানীপুৰ আঞ্চলজুৰি শোকৰ ছাঁ বিয়পি পৰে।

# লাহৰীঘাটত অগ্নিকাণ্ড



**ই-সংবাদ, লাহৰীঘাট, ১ এপ্ৰিলঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত তিনিচুকীয়া বজাৰত যোৱানিশা ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। জানিব পৰা মতে, নিশা প্ৰায় ১১.৩০ বজাত তিনিচুকীয়া দৈনিক বজাৰত অগ্নিকাণ্ডটো সংঘটিত হয়। এই অগ্নিকাণ্ডৰ ফলত বজাৰৰ দুটা বাণিজ্যিক প্ৰতিষ্ঠান সম্পূৰ্ণৰূপে জ্বলি ছাই হৈ যায়। অগ্নিকাণ্ডৰ খবৰ পোৱাৰ লগে লগে লাহৰীঘাট আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনী ঘটনাস্থলীত উপস্থিত হৈ স্থানীয় ৰাইজৰ সহযোগত জুই নিৰ্বাপন কৰিবলৈ সক্ষম হয়। স্থানীয় ৰাইজে জনোৱা মতে, অগ্নিকাণ্ডত কেইবা লাখ টকাৰ সা-সম্পত্তিৰ ক্ষতিসাধন হয়। অৱশ্যে বৰ্তমানলৈকে অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ জানিব পৰা হোৱা নাই।

# হীৰক জয়ন্তী বৰ্ষ উপলক্ষে কমলাবাৰী ৰঙালী বিহু সন্মিলনীৰ ৰঙালী উৎসৱ-২০২৫ৰ ব্যাপক আয়োজন

**ই-সংবাদ, মধ্য মাজুলী, ১ এপ্ৰিলঃ** হীৰক জয়ন্তী বৰ্ষত ভৰি দিলে কমলাবাৰী ৰঙালী বিহু সন্মিলনীয়ে। ১৯৬৫ চনতে স্থাপিত বিহু সন্মিলনীখনে বিগত বৰ্ষসমূহৰ দৰে এইবাৰো দুদিনীয়া কাৰ্যসূচীৰে ৰঙালী উৎসৱ-২০২৫ৰ আয়োজন কৰিছে। সেই অনুসৰি আগন্তুক ৰঙালী উৎসৱৰ সকলো দিশৰ ওপৰত আলোচনাৰ উদ্দেশ্যে আজি কমলাবাৰী ৰঙালী বিহু সন্মিলনীৰ আহ্বানত মাজুলী মিলন সংঘত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। কমলাবাৰী ৰঙালী বিহু সন্মিলনীৰ সভাপতি মনোজ কুমাৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সন্মিলনীৰ অন্যতম সাধাৰণ সম্পাদক বসন্ত শইকীয়াই। উদ্দেশ্য ব্যাখ্যাৰ পিছতেই কমলাবাৰী ৰঙালী বিহু সন্মিলনীৰ সভাপতি মনোজ কুমাৰ বৰাই আগন্তুক ৰঙালী উৎসৱৰ সামগ্ৰিক পৰিকল্পনা সন্দৰ্ভত সভাত অৱগত কৰে আৰু উক্ত বিষয়ত আলোচনাৰ বাবে সভালৈ বিষয়বোৰ আগবঢ়াই দিয়ে। সভাত মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ নৰেন চন্দ্ৰ ঠাকুৰীয়াই ১৯৬৫ চনতে স্থাপিত বিহু সন্মিলনীৰ পুৰণি স্মৃতি সুঁৱৰি সন্মিলনীৰ হীৰক জয়ন্তীৰ স্মৃতি যুগমীয়া কৰাৰ দিশত সভাত বিভিন্ন পৰামৰ্শ আগবঢ়ায়। মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° আনন্দ হাজৰিকাই কমলাবাৰীৰ ঐতিহ্যসমূহৰ ভিতৰত কমলাবাৰী বিহু সন্মিলনীও অন্যতম বুলি উল্লেখ কৰি হীৰক জয়ন্তী বৰ্ষত ভৰি দিয়া অনুষ্ঠানটিৰ আৰম্ভণি বৰ্ষৰ কাৰ্যসূচী আৰু আগন্তুক সামৰণি অনুষ্ঠানৰ কাৰ্যসূচী কিধৰণে হোৱা উচিত সেই সন্দৰ্ভত পৰামৰ্শমূলক বক্তব্য ৰাখে। সভাত মাজুলী জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰভাত বৰা বুঢ়াভকতে ৬০ বছৰত ভৰি দিয়া কমলাবাৰী ৰঙালী বিহু সন্মিলনীৰ ইতিহাস লিপিৱদ্ধ হ'ব লাগে বুলি উল্লেখ কৰাৰ সমান্তৰালভাৱে বৃহত্তৰ কমলাবাৰী অঞ্চলৰো সামগ্ৰিক ইতিহাস শুদ্ধ ৰূপত লিপিৱদ্ধ হোৱাকৈ সন্মিলনীৰ হীৰক জয়ন্তীত এই বিষয়ত প্ৰয়োজনীয় পদক্ষেপ লোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইফালে, সভাত হোৱা আলোচনাৰ অন্তত আগন্তুক ২৬ আৰু ২৭ এপ্ৰিলত মাজুলী ক্ৰীড়া ক্ষেত্ৰ কমলাবাৰীত হ'বলগীয়া দুদিনীয়া ৰঙালী উৎসৱৰ মূল কাৰ্যসূচীসমূহ চূড়ান্ত হয়। সেই অনুসৰি মাজুলীভিত্তিত হুঁচৰি, জেং বিহু, সৰু বিহুৱতী, বৰ বিহুৱতী, ঢোলবাদন, মিচিং বিহু, চিত্ৰাংকন, ৰচী টনা, মহিলাৰ টেকেলি ভঙা প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেইমতে প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ হৈছে ক্ৰমে হুঁচৰি প্ৰতিযোগিতাত ৪০ হাজাৰ, বৰ বিহুৱতীত ৩৫ হাজাৰ, জেং বিহু প্ৰতিযোগিতাত ৩০ হাজাৰ, সৰু বিহুৱতী প্ৰতিযোগিতাত ২৫ হাজাৰ, মিচিং বিহু প্ৰতিযোগিতাত ২৫ হাজাৰ আৰু ঢোলবাদন প্ৰতিযোগিতাত ১০ হাজাৰ টকাৰ পুৰস্কাৰ ধাৰ্য্য কৰা হৈছে বুলি সন্মিলনীয়ে জানিবলৈ দিয়ে। আনহাতে, ৰঙালী উৎসৱৰ ২৬ এপ্ৰিলত সন্ধিয়া জনপ্ৰিয় কণ্ঠশিল্পী পম্পী পূৰৱীৰ সংগীতানুষ্ঠানৰ লগতে অসমৰ জনপ্ৰিয় বিহু দলৰ বিহু প্ৰদৰ্শনৰ উপৰিও প্ৰিয়ংকা শইকীয়াৰ ঢোল বাদনৰ অনুষ্ঠান অনুষ্ঠিত হ'ব। ইফালে, ২৭ এপ্ৰিলৰ সন্ধিয়ালৈ জনপ্ৰিয় কণ্ঠশিল্পী কমলিকা কাশ্যপৰ সংগীতানুষ্ঠানৰ উপৰিও তেজপুৰীয়া থেছপিয়ানৰ অনুষ্ঠান, ঝুমুৰ নৃত্য প্ৰদৰ্শিত হ'ব। সভাত সন্মিলনীৰ অন্যতম সাধাৰণ সম্পাদক দেৱজিৎ জানমণি বৰুৱা, কৰুণা বৰা, নাৰায়ণ বৰা, দীপু বৰা, নৰনাথ হাজৰিকা, যতীন বৰুৱা, মুনিন্দ্ৰ ভূঞা আদিয়ে বক্তব্য ৰাখে।

# সাহপুৰীয়া কোঁচৰ চুক প্ৰাথমিক বিদ্যালয়ৰ সোণালী জয়ন্তী আৰম্ভ

**ই-সংবাদ, পশ্চিম যোৰহাট, ১ এপ্ৰিলঃ** পশ্চিম যোৰহাটৰ সাহপুৰীয়া গাঁৱত ১৯৭৪ চনৰ পহিলা এপ্ৰিলতে ৰাইজে প্ৰতিষ্ঠা কৰা আৰু ১৯৭৭ চনৰ পহিলা জুনত শিক্ষা বিভাগৰ অধীনস্থ হোৱা সাহপুৰীয়া কোঁচৰ চুক প্ৰাথমিক বিদ্যালয়ৰ দুদিনীয়াকৈ অনুষ্ঠিত সোণালী জয়ন্তীৰ প্ৰথম দিনা প্ৰাক্তন ছাত্ৰী শিল্পীশিখা শইকীয়াৰ সম্পাদনাত প্ৰকাশিত 'সোণালী-সুবাস' নামৰ স্মৃতিগ্ৰন্থখন উন্মোচন কৰে উত্তৰ-পশ্চিম যোৰহাট শিক্ষাখণ্ডৰ সমল ব্যক্তি পল্লৱী কোঁৱৰ গগৈয়ে। বিদ্যালয়খনৰ ৫০ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে পুৱা পতাকা উত্তোলন কৰে পৰিচালনা সমিতিৰ সভাপতি দিলীপ শইকীয়াই। স্মৃতি তৰ্পণ কৰে ভূমিদাতা পৰিয়ালৰ নকুল শইকীয়া আৰু প্ৰতিষ্ঠাপক শিক্ষক পৰিয়ালৰ মনোজ কুমাৰ কলিতাই। তাৰপাছতে বিদ্যালয়খনত আগন্তুক বছৰৰ বাবে নামভৰ্তি কৰাসকলক আদৰণি জনায় ভাৰপ্ৰাপ্ত শিক্ষয়িত্ৰী প্ৰধান পম্পী কলিতা আৰু সহকাৰী শিক্ষক সুদৰ্শন বৰাই। দিলীপ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত পল্লৱী কোঁৱৰ গগৈ, চি আৰ চি চি অতুল বৰা, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বিপুল দুৱৰা, পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি ৰমেন শইকীয়া, ন্যাসদাতা জীৱন চন্দ্ৰ বৰুৱা, তন্ত্ শইকীয়াই। ২০০৪ চনতে বিদ্যালয়খনত গঠন কৰা সঞ্জীৱনী ন্যাসৰ বাবে বিভিন্নগৰাকী বৰেণ্য ব্যক্তিৰ সোঁৱৰণত বেংকত জমা কৰি ৰখা সুদৰ ধন বিদ্যালয়খনত অধ্যয়ন কৰা আৰু পাৰদৰ্শিতা প্ৰদৰ্শন কৰা শিক্ষাৰ্থীসকলক দাতা পৰিয়ালৰ লোকসকলে প্ৰদান কৰে। সন্ধিয়া ৫০ গছি বন্তি প্ৰজ্বলনৰ শুভাৰম্ভ কৰে নামঘৰীয়া ৰবীন শইকীয়াই। ২ এপ্ৰিলৰ পুৱা সাংস্কৃতিক শোভাযাত্ৰা ডঃ ৰাজীৱ লোচন গোস্বামীয়ে শুভাৰম্ভ কৰিব। শিক্ষাৰ্থীসকলৰ অংশগ্ৰহণৰে চিত্ৰাংকন, কুইজ, আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ পাছতে সন্ধিয়া বন্তি প্ৰজ্বলন আৰু নিশালৈ অনুষ্ঠিত হ'ব সাংস্কৃতিক অনুষ্ঠান।




সাহপুৰীয়া কোঁচৰ চুক প্ৰাথমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উপলক্ষে স্মৃতিগ্ৰন্থ সোণালী-সুবাস উন্মোচনৰ এক দৃশ্য

# ৰাইদঙীয়াত বিহুনাচ-ঢোলবাদন কৰ্মশালাৰ সামৰণি

**ই-সংবাদ, বেৱেজীয়া, ১ এপ্ৰিলঃ** অসমীয়াৰ প্ৰাণৰ আপোন বাপতিসাহোন ব'হাগ বিহু নিচেই সমাগত। নগাঁও জিলাৰ সকলো প্ৰান্ততে সকলো সাজু হৈছে হেঁপাহৰ বিহুটিক আদৰিবলৈ। ইয়াৰ মাজতে জিলাখনৰ হাতীচোং মৌজাৰ অন্তৰ্গত ৰাইদঙীয়াৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান স্বাগতম গোষ্ঠীৰ উদ্যোগত এটি বিহুনাচ আৰু ঢোলবাদন কৰ্মশালা অনুষ্ঠিত কৰা হয়। গোষ্ঠীটোৱে এইবাৰ সগৌৰৱে ২৫ টি বৰ্ষ গৰকা উপলক্ষে স্থানীয় ক'ৰ্চুং শ্বহীদ স্মৃতি আঞ্চলিক খেলপথাৰৰ দাঁতিতে থকা চোম গছৰ বাগিচাৰ নৈসৰ্গিক পৰিৱেশত দহদিনীয়াকৈ আয়োজিত এই কৰ্মশালাৰ ইতিমধ্যে সামৰণি পৰিছে। দুই শতাধিক কণ কণ শিশু, কিশোৰ-কিশোৰী তথা যুৱতীৰ অংশগ্ৰহণেৰে অনুষ্ঠিত হোৱা এই কৰ্মশালাত কংকনা কোঁৱৰ, পৱিত্ৰপ্ৰাণ শইকীয়াকে ধৰি কেইবাজনো অভিজ্ঞ প্ৰশিক্ষকৰ দ্বাৰা বিহুনাচ আৰু ঢোলবাদনৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। ঢোলৰ ছেৱে ছেৱে নাচনীয়ে কঁকাল ভাঙি বিহুনাচৰ প্ৰশিক্ষণ লোৱাৰ সমান্তৰালভাৱে কণ কণ ঢুলীয়াই ঢোলবাদনত ব্ৰতী হোৱা দেখা যায়। ইফালে, সামৰণি অনুষ্ঠানত স্বাগতম গোষ্ঠীৰ সভাপতি ৰিপুঞ্জয় শইকীয়া, সম্পাদক ঋতুৰাজ ভূঞা, সমীৰ ৰায়চৌধুৰী, বিত্ত সম্পাদক প্ৰাঞ্জল ৰাজখোৱা, প্ৰসন্ন শইকীয়া, প্ৰশিক্ষক কংকনা কোঁৱৰকে ধৰি বহুসংখ্যক বিশিষ্ট ব্যক্তিৰ লগতে অঞ্চলৰ কেইবাশ ৰাইজ উপস্থিত থাকে।

# ওদালগুৰিত ভিচিডিচি পৰ্যায়ৰ স্বাস্থ্য আৰু কল্যাণ শিবিৰ

**ই-সংবাদ, ওদালগুৰি, ১ এপ্ৰিলঃ** ওদালগুৰি জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আজি ভিচিডিচি পৰ্যায়ৰ প্ৰথমটো স্বাস্থ্য আৰু কল্যাণ শিবিৰ অনুষ্ঠিত হয়। আম্বাগাঁও ভিচিডিচিৰ অন্তৰ্গত আম্বাগাঁও বড়ো হায়াৰ ছেকেণ্ডেৰী স্কুলত এই স্বাস্থ্যমেলাৰ আয়োজিত হয়। এই স্বাস্থ্য আৰু কল্যাণ শিবিৰটো উদ্বোধন কৰে ওদালগুৰি জিলাৰ আয়ুক্ত পুলক পাটগিৰিয়ে। সকলো পৰ্যায়ৰ ৰাইজৰ স্বাস্থ্য পৰীক্ষা কৰাৰ উদ্দেশ্যে আয়োজিত এই মেলাত প্ৰসূতি, মেডিচিন, চকু, শিশু, হাড়, মানসিক আদি বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা স্বাস্থ্য পৰীক্ষা কৰা হয়। মেডিচিন ৰোগ বিশেষজ্ঞ ডাঃ ভগীৰথ দে, শিশু বিশেষজ্ঞ ডাঃ চন্দন সাহা, প্ৰসূতি ৰোগ বিশেষজ্ঞ ডাঃ ৰূপম চৰকাৰ, হাড়ৰ ৰোগ বিশেষজ্ঞ ডাঃ গণেশ দাস, মানসিক ৰোগ বিশেষজ্ঞ ডাঃ জে কে নাথ সহিতে মুঠ ১৫ গৰাকী চিকিৎসকে ৰোগী পৰীক্ষা কৰে। শিবিৰত বিনামূলীয়া তেজ পৰীক্ষাৰ লগতে বিনামূলীয়া ঔষধ প্ৰদান কৰা হয়। লগতে ৰাইজৰ মাজত স্বাস্থ্য বিভাগৰ বিভিন্ন আঁচনি সম্পৰ্কে জনজাগৰণ সৃষ্টি কৰাৰ উপৰিও সুস্বাস্থ্যৰ অধিকাৰী হ'বলৈ পুষ্টিকৰ খাদ্যৰ প্ৰদৰ্শনী, যোগাভ্যাস কৰ্মশালা, স্বাস্থ্য সম্বন্ধীয় ভিডিঅ' ইত্যাদি প্ৰদৰ্শন কৰা হয়। এই অনুষ্ঠানত উপস্থিত থাকে অতিৰিক্ত জিলা আয়ুক্ত চৰফ্ৰাজ হক, জিলা স্বাস্থ্য সমিতিৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ এন বিনয় সিংঘ, ভাৰপ্ৰাপ্ত জিলা প্ৰতিষেধক বিষয়া ডাঃ অজন্তা বৰদলৈ, ওদালগুৰি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা স্বাস্থ্য বিষয়া ডাঃ পি চি পায়েং, হৰিশিঙা আদৰ্শ চিকিৎসালয়ৰ অধীক্ষক ডাঃ বি কে দৈমাৰী, জিলা সমাজ কল্যাণ বিষয়া ধীৰাজ তালুকদাৰ, ডাঃ প্ৰেমতুশ মুৰ্মু, ডাঃ মহেশ ডেকা, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ জিলা প্ৰগ্ৰাম মেনেজাৰ বাচিল টপ্প, মধুস্মিতা বৈশ্য, সঞ্জীৱ কুজুৰ, আঞ্চলা বসুমতাৰী, ছিৰিল মুছাহাৰী, অলকেশ শৰ্মা, ভাস্কৰ নাগ, আঞ্চাই দৈমাৰী আদিৰ লগতে বিভাগটোৰ ভালেসংখ্যক বিষয়া-কৰ্মচাৰীৰ লগতে আশাকৰ্মী উপস্থিত থাকে।

# নগাঁৱৰ ৰাইদঙীয়াত বিশেষ স্বাস্থ্য আৰু সুস্থতা পৰীক্ষা শিবিৰ



**ই-সংবাদ, বেবেজীয়া, ১ এপ্ৰিলঃ** সুস্থ সমাজ আৰু স্বাস্থ্যৱান অসম গঢ়াৰ উদ্দেশ্যেৰে অসম চৰকাৰৰ উদ্যোগত সমগ্ৰ অসমতে মঙলবাৰৰ পৰা গাঁও পঞ্চায়ত পৰ্যায়ত অনুষ্ঠিত হৈছে স্বাস্থ্য আৰু সুস্থতা পৰীক্ষা শিবিৰ। ইয়াৰ অংশহিচাপে নগাঁও জিলাৰ স্বাস্থ্য সমিতিৰ উদ্যোগত আৰু বুঢ়াগোহাঁই থান খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগত ৰাইদঙীয়াত কেন্দ্ৰীয়ভাৱে নগাঁও জিলাৰ প্ৰথমটো বিশেষ স্বাস্থ্য আৰু সুস্থতা পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰা হয়। পুৱাৰ ভাগত ৰাইদঙীয়া ৰাজহুৱা মঞ্চত অনুষ্ঠিত হোৱা এই বিশেষ স্বাস্থ্য আৰু সুস্থতা পৰীক্ষা শিবিৰটো আনুষ্ঠানিকভাৱে ৰাইজৰ বাবে মুকলি কৰে নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। শিবিৰটো মুকলি কৰি বিধায়ক শৰ্মাই পঞ্চায়তে পঞ্চায়তে অভিজ্ঞ চিকিৎসক আৰু স্বাস্থ্য কৰ্মীসকলৰ উপস্থিতিত অনুষ্ঠিত হোৱা এই বিনামূলীয়া স্বাস্থ্য আৰু কল্যাণ শিবিৰৰ জৰিয়তে জনসাধাৰণ যথেষ্ট উপকৃত হ'ব পাৰিব বুলি আশা ব্যক্ত কৰে। উল্লেখ্য যে এই শিবিৰত মাতৃ আৰু শিশুৰ স্বাস্থ্য পৰীক্ষাৰ লগতে মধুমেহ, উচ্চ ৰক্তচাপ, মুখ গহ্বৰৰ কৰ্কট ৰোগ আৰু মানসিক স্বাস্থ্য পৰীক্ষাকে আদিকে ধৰি বিভিন্ন ৰোগৰ স্বাস্থ্য পৰীক্ষা কৰা হ'ব। এই শিবিৰত বিধায়ক ৰূপক শৰ্মাৰ লগতে নগাঁও জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ তপন শইকীয়া, বুঢ়াগোহাঁই থান খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ ভাৰপ্ৰাপ্ত চিকিৎসক আৰু স্বাস্থ্য বিষয়া ডঃ জাফৰ মহম্মদ ইৰচাদ, খণ্ড আঁচনি প্ৰৱন্ধক সুমন জ্যোতি বৰগোহাঁই, খণ্ড তথ্য বিষয়া মলয়া আদিত্য, খণ্ড সামূহিক সম্প্ৰদায়ক বাবুমনি শইকীয়াকে প্ৰমুখ্যে কৰি নগাঁও জিলা স্বাস্থ্য বিভাগৰ বিষয়-ববীয়া, বুঢ়াগোহাঁই বুঢ়াগোহাঁই থান খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ চিকিৎসক, চিকিৎসা কৰ্মী, আশাকৰ্মী আৰু বহুসংখ্যক স্থানীয় ৰাইজ উপস্থিত থাকে।

# মৰিগাঁৱত ২১ গৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীক সম্বৰ্ধনা

**ই-সংবাদ, লাহৰীঘাট, ১ এপ্ৰিলঃ** অৱসৰৰ লগে লগে পেন্সনৰ সা-সুবিধা প্ৰদান কাৰ্যসূচীৰ অংশ হিচাপে মৰিগাঁও জিলাত শিক্ষা বিভাগৰ দ্বাৰা ২১ গৰাকী সদ্য অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীক আজি সম্বৰ্ধনা জনোৱাৰ লগতে অৱসৰকালীন সা-সুবিধা যেনে জমা-ছুটী বেতন, বীমা ধনৰ মঞ্জুৰী-পত্ৰ আদি মৰিগাঁৱৰ ঐতিহ্য ভৱনত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ সভাত আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থকা মৰিগাঁও ডায়েটৰ অধ্যক্ষ কিশোৰ কুমাৰ দাসে এনে কাৰ্যসূচী অতি প্ৰেৰণাদায়ক বুলি উল্লেখ কৰি কয় যে শিক্ষা বিভাগৰ এই প্ৰচেষ্টাই শৈক্ষিক উত্তৰণত এক বিশেষ ভূমিকা লৈছে। তেওঁ অৱসৰ মানে এক নতুন জীৱনৰ পাতনি বুলি উল্লেখ কৰি অৱসৰীসকলক কৰ্মব্যস্ত হৈ থাকি এক সক্ৰিয় জীৱন যাপন কৰিবলৈ আহ্বান জনায়। মৰিগাঁও জিলাৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই আঁতধৰা অনুষ্ঠানটোত মৰিগাঁৱৰ বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক সমৰ বৰুৱাকে প্ৰমুখ্য কৰি শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীসকল উপস্থিত থাকে।

# যোৰহাটত জিলাভিত্তিত বিহুনাচ প্ৰতিযোগিতা

**ই-সংবাদ, পশ্চিম যোৰহাট, ১ এপ্ৰিলঃ** আম্বেদকাৰ ফাউণ্ডেচন, অসমৰ উদ্যোগত ভাৰতবৰ্ষৰ সংবিধান প্ৰণেতা ডঃ ভীমৰাও আম্বেদকাৰৰ ১৩৪ সংখ্যক জন্ম-জয়ন্তী আৰু আম্বেদকাৰ ফাউণ্ডেচন, অসমৰ নৱম সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি ১০ এপ্ৰিলত শ্ৰীমন্ত শংকৰদেৱ কলা-কৃষ্টি আৰু গৱেষণা কেন্দ্ৰত যোৰহাট জিলা ভিত্তিত প্ৰাইজমানি বিহু নাচ প্ৰতিযোগিতা আয়োজন কৰিছে। তিনিটা শাখাৰ হ'বলগীয়া বিহু নাচ প্ৰতিযোগিতাত ৬ গৰাকী বিজয়ী প্ৰতিযোগীক নগদ ধন আৰু মান-পত্ৰৰে পুৰস্কৃত কৰিব। মৌ-শাখা প্ৰথম-চতুৰ্থ শ্ৰেণীলৈ, নিম্ন শাখা পঞ্চম-নৱম শ্ৰেণীলৈ, উচ্চ শাখাত দশম শ্ৰেণীত অধ্যয়ন কৰি থকাসকলৰ লগতে ওপৰৰ বয়সৰসকলে যোগদান কৰিব পাৰিব। আগ্ৰহীসকলে ৯১০১০-২০১৪৯, ৮৬৩৮৩-০৮৭৬৬ নম্বৰত যোগাযোগ কৰিলে সবিশেষ জানিব পাৰিব।

# ডিব্ৰুগড়ৰ কানৈ বাণিজ্য মহাবিদ্যালয়ত ছাত্ৰ দিৱস উদযাপন

**ই-সংবাদ, ডিব্ৰুগড়, ৩১ মাৰ্চঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ত যোৱা ৩১ মাৰ্চত ছাত্ৰ দিৱস হিচাপে পালন কৰা ছাত্ৰনেতা, প্ৰয়াত উপেন্দ্ৰনাথ ব্ৰহ্মৰ ৭০ সংখ্যক জন্মবাৰ্ষিকীত স্মৰণ কৰি এটি অনাড়ম্বৰ অথচ গাম্ভীৰ্যপূৰ্ণ কাৰ্যক্ৰমৰ আয়োজন কৰে। মহাবিদ্যালয়খনৰ মহিলা আবাসত অনুষ্ঠিত দিনটোৰ কাৰ্যক্ৰমৰত প্ৰয়াত নেতাগৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰি তেওঁৰ প্ৰতিকৃতিৰ সন্মুখত বন্তি প্ৰজ্জ্বলনৰ লগতে পুষ্পাঞ্জলি অৰ্পণেৰে আৰম্ভ হয়। প্ৰয়াত ছাত্ৰনেতাগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি তৰ্পণৰ এই কাৰ্যক্ৰমত মুখ্য তৰ্পকৰ দায়িত্ব পালন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ জয়দেৱ গগৈয়ে। ইয়াৰ পিছতে আয়োজিত মুকলি সভাত ভাষণ প্ৰদান কৰি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ জয়দেৱ গগৈয়ে প্ৰয়াত উপেন্দ্ৰনাথ ব্ৰহ্মৰ আদৰ্শৰাজিৰ উল্লেখ কৰাৰ সমান্তৰালভাৱে অতি চুটি জীৱনকালৰ ভিতৰতে সমাজত ইতিবাচক পৰিৱৰ্তন অনাৰ ক্ষেত্ৰত এগৰাকী সফল ছাত্ৰনেতা হিচাপে প্ৰয়াত ব্ৰহ্মাই নিজৰ প্ৰতিভা আৰু দক্ষতা প্ৰমাণ কৰিবলৈ সক্ষম হোৱাৰ প্ৰসংগ উল্লেখ কৰে।মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰতিনিধি, মহিলা নিবাসৰ আবাসী ছাত্ৰীসকল, মহাবিদ্যালয়ৰ শিক্ষক-প্ৰতিনিধি সমন্বিতে দৰ্শক-শ্ৰোতাক অধ্যক্ষগৰাকীয়ে ৰাজ্যখনত সামুহিক উন্নয়নৰ স্বাৰ্থত মহান নেতাজনৰ আদৰ্শ তথা যোগাত্মক দিশসমূহ অনুসৰণ কৰিবলৈ আহ্বান জনায়। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান ড০ নৱজ্যোতি দত্তই সভাখনত ভাষণ প্ৰদান কৰি ৰাজ্যৰ বৃহত্তম জনগোষ্ঠী বড়ো সম্প্ৰদায়ক উন্নয়নৰ পথলৈ লৈ যোৱাত প্ৰসিদ্ধ নেতাজনৰ ভূমিকা বৰ্ণনা কৰাৰ লগতে 'ছাত্ৰ দিৱস' হিচাপে ৰাজ্যজুৰি তেওঁৰ জন্মদিন উদযাপনৰ পদক্ষেপ আৰম্ভ কৰাৰ বাবে ৰাজ্য চৰকাৰৰ উদ্যোগক প্ৰশংসা কৰে। মহাবিদ্যালয়ৰ হিচাপবিদ্যা বিভাগৰ সহকাৰী অধ্যাপক কেশৱানন্দ হালৈয়েও ভাষণ প্ৰদান কৰি মহান নেতাজনৰ জীৱনৰ ঘটনাক্ৰম কালক্ৰমৰ সৈতে বৰ্ণনা কৰে। তেওঁ ৰাজ্যৰ বিভিন্ন প্ৰান্তত মহান নেতাগৰাকীৰ স্মৃতিত নিৰ্মিত স্মাৰকসমূহৰ সন্দৰ্ভতো সমবেতসকলক অৱগত কৰি উপকৃত কৰে। মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদক বিৰাজ সোণোৱাল আৰু চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰী তথা মহিলা নিবাসটোৰ আবাসী দীপশিখা দাসেও ছাত্ৰ-ছাত্ৰীসকলৰ হৈ এই অনুষ্ঠানত বক্তব্য প্ৰদান কৰে।মহাবিদ্যালয়খনৰ হিচাপবিদ্যা আৰু ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপকদ্বয় ক্ৰমে ড০ জেকব কোঁৱৰ আৰু ড০ লুকু মৰাঙৰ লগতে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক শশাংক মহনেও অনুষ্ঠানটিত অংশগ্ৰহণ কৰে। সভাৰ প্ৰাৰম্ভতে লক্ষ্য আৰু উদ্দেশ্য ব্যাখ্যা কৰা আৰু সামৰণিত সংশ্লিষ্ট সকলোৰে প্ৰতি শলাগৰ শৰাই জ্ঞাপন কৰাৰ লগতে সমগ্ৰ কাৰ্যক্ৰমৰ আঁত ধৰে হিচাপবিদ্যা বিভাগৰ আন এগৰাকী সহকাৰী অধ্যাপক তথা মহাবিদ্যালয়ৰ 'মহিলা নিবাস'ৰ তত্ত্বাৱধায়ক বৰসিং হান্সেই। আৰম্ভণিতে, মহাবিদ্যালয়খনৰ নতুন অধ্যক্ষ হিচাপে মহিলা নিৱাসৰ চৌহদলৈ প্ৰথমবাৰৰ বাবে আগমণ ঘটা ড০ জয়দেৱ গগৈক নিবাসৰ আবাসী ছাত্ৰীসকলে এখনি ফুলাম গামোচাৰে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। ৰাজ্যৰ বৃহত্তম জনগোষ্ঠী বড়োসকলক প্ৰগতিৰ বাবে অহোপুৰুষাৰ্থ কৰা ছাত্ৰনেতা, উপেন্দ্ৰনাথ ব্ৰহ্মৰ জন্মদিনটো ৰাজ্য চৰকাৰৰ আহ্বানমৰ্মে ২০২৩ বৰ্ষৰ পৰা ৰাজ্যৰ শৈক্ষিক প্ৰতিষ্ঠানসমূহত 'ছাত্ৰ দিৱস' হিচাপে উদযাপন হৈ আহিছে।

# গোলকগঞ্জত ড্ৰাগছসহ সৰবৰাহকাৰী আটক

**ই-সংবাদ, গোলকগঞ্জ, ১ এপ্ৰিলঃ** গোলকগঞ্জত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান চলাই উত্তৰ ৰায়পুৰ উৰণীয়া সেঁতুৰ তলত এজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। আটকাধীন উত্তৰ ৰায়পুৰ প্ৰথম খণ্ড গাঁৱৰ মণ্টু বেপাৰীৰ পুত্ৰ আমিনুৰ বেপাৰী। তেওঁৰ পৰা দহটা কন্টেনাৰত প্ৰায় এঘাৰ গ্ৰাম ওজনৰ সন্দেহজনক ব্ৰাউন ছুগাৰ উদ্ধাৰ কৰে। গোলকগঞ্জ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱজিত কলিতাই গোপন খবৰৰ ভিত্তিত অভিযান চলাই আটক কৰিবলৈ সক্ষম হয় সৰবৰাহকাৰীজনক। তেওঁ দীৰ্ঘদিনৰ পৰাই অঞ্চলটোত চলাই আহিছিল নিষিদ্ধ ড্ৰাগছৰ ব্যৱসায়।

# বৈঠালাংছ'ত কবি-সাহিত্যিক টংক কোঁৱৰৰ অভিনন্দন গ্ৰন্থৰ উন্মোচন

**ই-সংবাদ, বৈঠালাংছ' ১ এপ্ৰিলঃ** পশ্চিম কাৰ্বি আংলং জিলাৰ বৈঠালাংছ' অঞ্চলৰ প্ৰথিতযশা কবি-সাহিত্যিক তথা অসম সাহিত্য সভাৰ জয়ছিং হাঞ্চে সোঁৱৰণী বঁটাপ্ৰাপক টংক কোঁৱৰৰ ৭৯ সংখ্যক জন্ম দিৱসটিত 'অনুভৱৰ পৰশত টংক কোঁৱৰ' শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰা হয়। কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ ভূমি সংৰক্ষণ, উদ্যোগ আৰু বাণিজ্য বিভাগৰ কাৰ্যবাহী সদস্য তথা ১ নং দোৱাৰ আমলা পৰিষদীয় সমষ্টিৰ জননেতা তথা উদ্যমী যুৱনেতা প্ৰভাত চন্দ্ৰ তাৰ'ৱে উন্মোচন কৰা অভিনন্দন গ্ৰন্থখনিৰ সম্পাদনা কৰে বিশিষ্ট কবি-সাহিত্যিক-লেখক হৰমো চহৰীয়া আৰু ৰাণা কাফলেই। বৃহত্তৰ বৈঠালাংছ' অঞ্চলৰ কেইবাগৰাকীও সাহিত্যানুৰাগী আৰু সমাজ সেৱকৰ উপস্থিত অনুষ্ঠিত কৰা কবি-সাহিত্যিক টংক কোঁৱৰৰ জন্মদিৱসৰ এই গ্ৰন্থ উন্মোচনী সভাখনিত গ্ৰন্থ উন্মোচক তথা কাৰ্যবাহী সদস্য প্ৰভাত চন্দ্ৰ তাৰ'ৱে উন্মোচনীৰ ভাষণত কয় যে এগৰাকী অনা-কাৰ্বি ব্যক্তি হিচাপে কাৰ্বি ভাষা-সাহিত্যৰ ওপৰত চৰ্চা অব্যাহত ৰাখি কাৰ্বি ভাষাটিক আগবঢ়াই নিয়াৰ বাবে মই তেখেতলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছো। তদুপৰি, কেতিয়াও কোনোধৰণৰ খং-ৰাগ নথকা, সহজ-সৰল অমায়িক এইগৰাকী ব্যক্তিৰ জন্মদিনত তেখেতৰ অভিনন্দন গ্ৰন্থখনি উন্মোচন কৰাৰ সৌভাগ্য হোৱাৰ বাবে তেখেতে নিজকে ধন্য মানিছো। উল্লেখযোগ্য যে অনুষ্ঠানত অংশগ্ৰহণ কৰি হৰমো চহৰীয়া, ৰাণা কাফলে, জয় বাহাদুৰ ছেত্ৰী, হাংমিজি হাঞ্চে, নলিনী তামুলী, মুন কুমাৰ ডেকা, ৰিমঝিম দত্ত, ড° বিশ্বজিৎ ৰয়, তুষামণি গগৈয়ে টংক কোঁৱৰ সৈতে ব্যক্তিগত সান্নিধ্যৰ কথা বৰ্ণনা কৰে। লুইত নাথ, ধনছিং ইংজাই, সুনিল বৰাৰ গীতে আমোদ প্ৰদান কৰাৰ লগতে উদীয়মান মুকাভিনেতা গবিন টকবিৰ মুকাভিনয়ে সকলোকে মুহিত কৰে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# নগাঁৱত চেণ্ট্ৰেল অসম মণ্ডলৰ খেল আৰম্ভ

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১ এপ্ৰিলঃ** এচিএ ক্ৰিকেট একাডেমীৰ সৌজন্যত আজিৰে পৰা নগাঁও ক্ৰীড়া সংস্থাৰ নুৰুল আমিন ষ্টেডিয়ামত দ্বিতীয় পুলিন দাস অনূৰ্ধ্ব-১৪ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতা’২০২৫ ৰ চেণ্ট্ৰেল অসম মণ্ডলৰ গ্ৰুপ-“ বি ” ৰ খেলসমূহ আৰম্ভ হৈছে। চেণ্ট্ৰেল অসম মণ্ডলৰ গ্ৰুপ-“ বি ” ৰ আজিৰ খেলত হোজাই জিলা ক্ৰিকেট দলে বোকাখাট ক্ৰিকেট দলক ৮৮ ৰাণত সহজেই হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰে। খেলখনত হোজাই দলে পোনতে বেট ধৰি দিব্যম কুমাৰৰ-৪৯, ব্ৰাটিন শৰ্মাৰ-২৪ আৰু অধিনায়ক ৰাজদ্বীপ দে’ৰ-১৮ ৰাণৰ উল্লেখ্যনীয় বৰঙণিৰে ৩০.৩ অভাৰত সকলোকেইটা উইকেটৰ বিনিময়ত ১২৮ ৰাণ সংগ্ৰহ কৰে। বলিঙত বোকাখাটৰহৈ সমীৰণ বৰাই তিনিটা, দিগবিজয় এন. চেত্ৰী আৰু আচু ৰজকে দুটাকৈ তথা শ্ৰীজিৎ ৰয়ে এটা উইকেট পায়। প্ৰত্যুত্তৰত বোকাখাট দলটোৱে বিপক্ষৰ খেলুৱৈৰ বিধ্বংসী বলিঙৰ প্ৰকোপত ১২.২ অভাৰতে ৪০ ৰাণ সংগ্ৰহ কৰোঁতেই সকলোকেইটা উইকেটৰ পতন ঘটে। বলিঙত হোজাইৰহৈ ব্ৰাটিন শৰ্মা ( ৫/৬ ) ই পাঁচটা, অনুৰাগ দাসে তিনিটা ( ৩/১৭ ) আৰু আয়ুস চৌধুৰীয়ে এটা উইকেট দখল কৰে। আজিৰ খেলখনত দিগন্ত বৰ্মন আৰু ভাস্কৰ বৰা আম্পায়াৰৰূপে আছিল বুলি নগাঁও ক্ৰীড়া সংস্থাৰ ক্ৰিকেট শাখাৰ সম্পাদক মৃনাল হাজৰিকাই জানিবলৈ দিয়ে। উল্লেখ্য যে, আজি খেলৰ আৰম্ভণিতে ক্ৰীড়া সংগঠক তপন কুমাৰ দাস, ডাঃ কৃষ্ণ কুমাৰ বৰা, অসীম কুমাৰ ভাৰাল, দেৱজিৎ দাস আৰু মৃনাল কুমাৰ হাজৰিকাই দুয়োদলৰ খেলুৱৈসকলৰ সৈতে পৰিচয় হয়।



আইপিএল ২০২৫: নেটত অনুশীলনত ব্যস্ত দিল্লী কেপিটেলছৰ উইকেটৰক্ষক ৰাহুলৰ



আইপিএল ২০২৫: পঞ্জাবৰ বিৰুদ্ধে আউট হৈ পেভিলিয়নমুখী লক্ষ্ণৌৰ অধিনায়ক ঋষভ পন্ত

## কোহলীৰ এদিনীয়াৰ পৰা অৱসৰক লৈ তুংগত জল্পনা-কল্পনা

# ২০২৭ৰ এদিনীয়া বিশ্বকাপতো ভাৰতীয় দলৰ অংশ হ’ব বিৰাট কোহলী!

**নতুন দিল্লী, ১ এপ্ৰিলঃ** ইটোৰ পিছত সিটো আইচিচি ট্ৰফী জয় কৰাৰ পিছতো বিৰাট কোহলীয়ে এদিনীয়া ক্ৰিকেটৰ পৰা অৱসৰ ল’বনে? যোৱা বছৰ টি-২০ বিশ্বকাপ জয় কৰি এই ফৰ্মেটক বিদায় দিছিল কোহলীয়ে। চলিত বৰ্ষত ভাৰতে চেম্পিয়নছ ট্ৰফী জয় কৰাৰ পিছত কোহলীয়ে ৫০ অভাৰৰ ক্ৰিকেটৰ পৰাও অৱসৰ ল’ব বুলি উৰাবাতৰি বিয়পি পৰে। এই জল্পনা-কল্পনাৰ অন্ত পেলাই তেওঁ নিজেই নিজৰ ভৱিষ্যতৰ পৰিকল্পনা ঘোষণা কৰিছে। আইপিএলৰ সময়ত এক অনুষ্ঠানত কোহলীক সোধা হৈছিল যে তেওঁৰ পৰৱৰ্তী লক্ষ্য কি? ইয়াৰ উত্তৰত ভাৰতৰ প্ৰাক্তন অধিনায়কগৰাকীয়ে স্পষ্ট কৰি দিয়ে যে, "মই পৰৱৰ্তী এদিনীয়া বিশ্বকাপ জয়ৰ চেষ্টা কৰিম। সেয়া মোৰ পৰৱৰ্তী ডাঙৰ পদক্ষেপ।" তেওঁৰ এই ঘোষণা শুনি দৰ্শকে নিমিষতে উত্তেজনাত বিস্ফোৰণ ঘটালে। মহেন্দ্ৰ সিং ধোনীৰ নেতৃত্বত ভাৰতে শেষবাৰৰ বাবে ২০১১ চনত এদিনীয়া বিশ্বকাপ জয় কৰিছিল। তেতিয়া দলটোত এজন যুৱক কোহলী অন্তৰ্ভুক্ত কৰা হৈছিল, আৰু এতিয়া সেই দলৰ একমাত্ৰ সদস্য যিয়ে এতিয়াও এদিনীয়া ক্ৰিকেট খেলি আছে। ইয়াৰ মাজৰ বছৰবোৰত তেওঁ সকলো দেখিছেঃ ২০১৫ আৰু ২০১৯ চনত ছেমিফাইনেলত পৰাস্ত হোৱাৰ হতাশা, আৰু ২০২৩ চনত ঘৰুৱা মাটিত ফাইনেলত প্ৰৱেশ কৰাৰ সপোন মাথোঁ অষ্ট্ৰেলিয়াই ছিন্নভিন্ন কৰি পেলোৱা। যোৱা দুবছৰত আইচিচিৰ দুটা ট্ৰফীয়ে হয়তো সেই বিষটো অলপ লাঘৱ কৰিলেও বিশ্বকাপৰ শূন্যতাই তেওঁক এতিয়াও দহি আছে। পৰৱৰ্তী এদিনীয়া বিশ্বকাপ ২০২৭ চনত দক্ষিণ আফ্ৰিকা, জিম্বাব’ৱে আৰু নামিবিয়াত অনুষ্ঠিত হ’ব। সেই সময়ত কোহলীৰ বয়স হ’ব ৩৮ বছৰ, কিন্তু তেওঁৰ ফিটনেছ আৰু মানসিক কঠোৰতাৰ প্ৰতি লক্ষ্য ৰাখি এতিয়া বহুতে বিশ্বাস কৰে যে তেওঁ সহজেই খেলিব পাৰিব। আৰু তেওঁ স্পষ্ট কৰি দিলে যে তেওঁ আকৌ এবাৰ পৃথিৱী জয় কৰিবলৈ সাজু।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA
MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি